# সঙ্গম

সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী, ২০১৫-১৬ বৰ্ষ

বিংশতিতম্ সংখ্যা



তত্বাৱধায়ক
**ড° ৰীপিমা বুজৰবৰুৱা**

সম্পাদক
**চহিদুল ইছলাম**



আলোচনী সম্পাদনা সমিতি



অধ্যক্ষ সমন্বিতে শিক্ষক-শিক্ষয়িত্রীৰ একাংশ



ছাত্র একতা সভাৰ সদস্যবৃন্দ

# সঙ্গম

সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী

বিংশতিতম্ সংখ্যা

ইং ২০১৫-২০১৬

**SUREN DAS COLLEGE MAGAZINE**

SESSION : 2015-2016

## বাৰ্ষিক মুখপত্ৰ

# সুৰেন দাস মহাবিদ্যালয়

তত্ত্বাৱধায়ক
ড° ৰীপিমা বুজৰবৰুৱা
Prof. in Charge
Dr. Ripima Buzarbaruah

সম্পাদক
চহিদুল ইছলাম
Editor
Sahidul Islam

# সঙ্গম

সুৰেন দাস মহাবিদ্যালয় আলোচনী
বিংশতিতম্ সংখ্যা
২০১৫-১৬

সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত
চহিদুল ইছলামৰ দ্বাৰা সম্পাদিত

## সম্পাদনা সমিতি



সভাপতি ঃ ড° হিৰণ্য কুমাৰ শৰ্মা (অধ্যক্ষ)
উপদেষ্টা ঃ ড° প্ৰবীণ চন্দ্ৰ দাস
(সভাপতি, পৰিচালনা সমিতি)

সম্পাদক ঃ চহিদুল ইছলাম
তত্বাৱধায়ক ঃ ড° ৰীপিমা বুজৰবৰুৱা
শিক্ষক সদস্য ঃ আৰতি ডেকা
ড° অঞ্জনা শৰ্মা
বিশ্বজিত কলিতা
ড° বিনীতা দাস
ড° ৰঞ্জু ঠাকুৰীয়া
অনিৰুদ্ধ মেধি
ছাত্ৰ সদস্য ঃ মইনুল হক
মঞ্জিলুৰ ৰহমান
আনজুআৰা বেগম
বেটুপাতৰ শিল্পী ঃ **বিষ্ণু কোঁৱৰ**
অলংকৰণ ঃ **জোন শৰ্মা**
বেটুপাতৰ তাৎপৰ্য ঃ অজ্ঞান অন্ধকাৰত জ্ঞানৰ জ্যোতিৰ সন্ধান।

**মুদ্ৰণ**
পাঞ্চজন্য প্ৰিণ্টিং এণ্ড পাব্লিচিং
পাণবজাৰ, গুৱাহাটী- ৭৮১০০১
ফোন ঃ ৯৮৬৪২০১১০৩

আলোচনীত সন্নিৱিষ্ট হোৱা লেখনিসমূহৰ মতামত লেখকৰ নিজা। তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# অধ্যক্ষৰ শুভেচ্ছাবাণী



সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ২০১৫-১৬ বৰ্ষৰ আলোচনী **'সঙ্গম'** খন প্ৰকাশ কৰিব বুলি জানি আনন্দ অনুভৱ কৰিছোঁ। আশা ৰাখিছোঁ যে এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব।

**'সঙ্গম'** সুৰেন দাস মহাবিদ্যালয়ৰ এই বছৰেকীয়া আলোচনীখন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সাহিত্য তথা সৃষ্টিশীল মনৰ প্ৰকাশৰ এক সাৰুৱা ক্ষেত্ৰ হ'ব বুলি আশা কৰিছোঁ।

জয়তু সুৰেন দাস মহাবিদ্যালয়

ড° হিৰণ্য কুমাৰ শৰ্মা
অধ্যক্ষ
সুৰেন দাস মহাবিদ্যালয়

# সম্পাদকীয়



সম্পাদকীয় পৃষ্ঠাৰ আৰম্ভণিতেই সুৰেন দাস মহাবিদ্যালয়ৰ পূজনীয় শিক্ষাগুৰুসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। এই ছেগতে জাতীয় স্বাৰ্থৰ কাৰণে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলকো শ্ৰদ্ধাৰে সুঁৱৰিছো।

সুৰেন দাস মহাবিদ্যালয়ৰ ২০১৫-২০১৬ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ নিচিনা এটা গুৰু দায়িত্ব লৈ মই নিজকে গৌৰৱান্বিত অনুভৱ কৰিছিলো। ইয়াৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

'সম্পাদকীয় পৃষ্ঠা' প্ৰতিখন আলোচনীৰে এক অপৰিহাৰ্য অংগ। ইয়াৰ জৰিয়তে সম্পাদকে পাঠকৰ বাবে দু-কলম লিখাৰ সুযোগ পায়, যাৰ জৰিয়তে তেওঁ নিজস্ব চিন্তা-ধাৰা পাঠক-সমাজৰ জ্ঞাতাৰ্থে উলিয়াই দিব পাৰে।

"সাহিত্য হৈছে এটা জাতিৰ দাপোন স্বৰূপ। সাহিত্যৰ যোগেদিয়েই জাতি এটাৰ সভ্যতা, সংস্কৃতি, জাতীয় জীৱনৰ চিন্তাধাৰা আৱেগ অনুভূতি আদি প্ৰকাশ পায়।" সাহিত্যচৰ্চাৰ বাবে আলোচনী এক উত্তম মাধ্যম। আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা বিকশিত হয়। তদুপৰি আলোচনী হৈছে এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ বিভিন্ন দিশ প্ৰতিফলিত কৰা দাপোন স্বৰূপ।

আলোচনী এখন সম্পাদনা কৰাটো যথেষ্ট কষ্টকৰ কাম। এই দায়িত্ব বহন কৰাত কিমান দূৰ সফল হৈছো সেয়া সুধী সমাজে বিচাৰ কৰিব। আলোচনীখন বিভিন্ন লিখনিৰে সমৃদ্ধিশালী কৰি তোলা ছাত্ৰ-ছাত্ৰী তথা ছাৰ, বাইদেউ সকললৈ আন্তৰিক ধন্যবাদ যাঁচিছো।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত মাননীয় অধ্যক্ষ ড০ হিৰণ্য কুমাৰ শৰ্মা ছাৰলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। আলোচনীখন সম্পাদনা কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ লগতে নানা দিহা পৰামৰ্শ দিয়া তত্ত্বাৱধায়িকা ড০ ৰীপিমা বুজৰবৰুৱা বাইদেউ, সম্পাদনা সমিতিৰ সমূহ শিক্ষক মণ্ডলীৰ লগতে ছাত্ৰসদস্যসকলকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনীখন যুগুত কৰি উলিওৱাত উৎসাহ যোগোৱা আৰু সকলো দিশতে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী নাজমা চুলতানা, চুমিআৰা বেগম, ৰুনুআৰা ইয়াচমিন, ডেইজী বেগম, মইনুল হক, মঞ্জিলুৰ ৰহমান, মস্তাকুৰ ৰহমান, নুৰুল হুছেইন, আখতাৰ হুছেইন, বিজিত হালৈ, ৰুবুল আলী, চালমা জেচমিন, চন্দ্ৰমা দেৱী, পল্লবী দাস আৰু লগতে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা নিবেদিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালৰ সময় ছোৱাত হোৱা ভুল-ক্ৰটিৰ বাবে আকৌ এবাৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো।

জয়তু সুৰেন দাস মহাবিদ্যালয়
'জয় আই অসম"
ধন্যবাদেৰে

চহিদুল ইছলাম
সম্পাদক, আলোচনী বিভাগ
সুৰেন দাস মহাবিদ্যালয়
ছাত্ৰ একতা সভা
২০১৫-২০১৬ ইং বৰ্ষ



# সূচীপত্ৰ


| প্ৰবন্ধৰ শৰাই | লিখকৰ নাম | পৃষ্ঠা |
|---|---|---|
| ৰূপান্তৰৰ যাত্ৰা ঃ উচ্চ শিক্ষা আৰু উন্নয়ন | ড° হিতেশ ডেকা | ৭ |
| জীৱন-শৈলী আয়ত্বকৰণৰ শিক্ষাৰ প্ৰয়োজনীয়তা | ড° পাৰুল দাস | ১৫ |
| বিশ্ব পাৰিপাৰ্শ্বিকতা আৰু সজাগতা | ড° বীণাপাণি তালুকদাৰ | ১৮ |
| সততা আৰু সফলতা | ড° ৰীপিমা বুজৰবৰুৱা | ২২ |
| ড° নগেন শইকীয়াৰ একক সৃষ্টি মিত-ভাষ | ড° লোপা বৰুৱা | ২৫ |
| নাৰীবাদৰ উৎস আৰু সাম্প্ৰতিক সময় | চাহনোৱাজ আহমেদ | ২৮ |
| সংগীত আৰু মানৱ জীৱন | পুলেন ডেকা | ৩১ |
| ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° শিয়ালী ৰামমৃত ৰঙ্গনাথন | হীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য | ৩৩ |
| লোকমান্য তিলক আৰু গীতা ৰহস্য | সবিতা কলিতা | ৩৫ |
| আদম গুৰু মাঝাৰ শ্বৰিফ | চহিদুল ইছলাম | ৩৭ |
| সমাজৰ অগ্ৰগতিত নাৰীৰ ভূমিকা | জানমণি তালুকদাৰ | ৩৯ |
| গান্ধীজীৰ জীৱনদৰ্শন ঃ এক চমু অৱলোকন... | ড° মীনা দেৱী | ৪০ |
| যোগ-ব্যায়াম চৰ্চা আৰু জীৱন | আবুল হুছেইন | ৪২ |
| ধূমপানৰ অপকাৰিতা আৰু আজিৰ ছাত্ৰ-ছাত্ৰী | চৈয়দা নাৰ্গিছ জাহান | ৪৫ |
| গোলকীয় উষ্ণতা ঃ প্ৰদূষণ আৰু পৰিৱেশ সংৰক্ষণ | চুৰেল আলী আহমেদ | ৪৭ |
| বাৰাক অ'বামাৰ জীৱন আৰু কৰ্ম | নাজমা চুলতানা | ৫০ |
| **গল্পৰ জোলোঙা** | | |
| জীৱন | হিমাশ্ৰী বেজবৰুৱা | ৫৩ |
| বিষাদ উপত্যকাৰ গাঁথা | ৰুনা লাইলা এছমিন | ৫৪ |
| **কবিতাৰ কৰণি** | | |
| মানৱীয়তা | মণিষা কলিতা | ৫৭ |
| নশ্বৰ সময় | নাৰ্জুমা বেগম | ৫৭ |
| এজাক বৰষুণৰ সন্ধানত | নুৰফাতুন বেগম | ৫৮ |
| ঋতুৰাণী শৰৎ | আৰ্জুমণি চুলতানা | ৫৮ |
| পৰাজিত সৈনিক | নাজমা বেগম | ৫৯ |
| বৰ্ণময় জীৱন | কৰবী তালুকদাৰ | ৫৯ |
| জ্ঞানৰ পোহৰ | নাজমা চুলতানা | ৬০ |
| প্ৰকৃত বন্ধু | নুৰুল হুছেইন | ৬০ |
| প্ৰতাৰণা | নুৰনাহাৰ জেউতি | ৬১ |

- ব্যৰ্থতা — ✍ মহিদুল ইছলাম — ৬১
- স্মৃতি — ✍ ৰশ্মি ৰেখা — ৬২
- নদী — ✍ চুৰেল আলি আহমেদ — ৬২
- প্ৰকৃতিৰ বন্ধু — ✍ ৰফিকুল আলী — ৬৩
- জীৱন — ✍ ৰুণুআৰা ইয়চমিন — ৬৩

নাটক

- বাটৰ নাট প্ৰতিজ্ঞা — ✍ ড° বিনীতা দাস — ৬৫

বিবিধ শিতান

- জীৱনৰ প্ৰকৃত উদ্দেশ্য — ✍ আছিকুৰ ৰহমান — ৬৯
- শেৱালী ফুলৰ জন্ম কাহিনী — ✍ সুনীতা মেধি — ৭০
- মানৱ জীৱনৰ মূল্যৱান সম্পদ সময় — ✍ ৰেহেনা পাৰবিন — ৭১
- সম্ভাৱ — ✍ মণিষা কলিতা — ৭২
- সময় — ✍ জাহিৰুল ইছলাম — ৭৩
- ভূতৰ কথা প্ৰাণৰ ব্যথা — ✍ আহমেদ মুকুট চৌধুৰী — ৭৪
- হিতোপদেশ — ✍ সংগ্ৰাহক- মুস্তাকুৰ ৰহমান — ৭৫
- মহৎ লোকৰ বাণী — ✍ সংগ্ৰাহক- মইনুল হক — ৭৬
- কুইজ — ✍ সংগ্ৰাহক- তৌহীদুল ইছলাম — ৭৭

English Section

- Role of Teachers in Changing Scenario of Higher Education in India — ✍ Dr. Ali Akbar Hussain — ৭৯
- Prospect of Sualkuchi Silk Industry towards Income and Employment Generation — ✍ Dr. Ramen Medhi — ৮৩
- Performing the Rama-Saga : Traditions and Variants of the Ramayana Performance in Assam — ✍ Biswajit Kalita — ৯০
- The Importance of English Language and How It can affect our 'Lives' — ✍ Saddam Hussain — ৯৪
- Nelson Mandela : A short sketch — ✍ Tarmin Akhtara — ৯৬
- Value of Discipline in human life — ✍ Barnali Das — ৯৭
- Technology Every where : Modern Man, Modern life — ✍ Mafidul Islam — ৯৮

- বিভাগীয় প্ৰতিবেদন আৰু বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল — ৯৯
- আলোচনীৰ তথ্য — ১০৭






# প্ৰবন্ধৰ শৰাই



"প্ৰবন্ধ হৈছে ভাবসমৃদ্ধ, মননশীল, যুক্তিনিষ্ঠ, গদ্য ৰচনা। ইয়াৰ বিষয়বস্তু গহীন। সাধাৰণতে ই ব্যাখ্যাত্মক হয় আৰু এটা মাত্ৰ বিষয়ৰ প্ৰণালীবদ্ধ আৰু যথা সম্ভৱ বিশদ আলোচনা ইয়াত কৰা হয়।"

ড° প্ৰফুল্ল কটকী







# ৰূপান্তৰৰ যাত্ৰা

## উচ্চ শিক্ষা আৰু উন্নয়ন

প্ৰথম পৰ্ব

## প্ৰস্তাৱনা

# শিক্ষাৰ চেতনা আৰু উন্নয়নৰ সোপান

■ড° হিতেশ ডেকা■

উত্তৰ - পূব ভাৰতৰ ইতিহাসত হাজো অঞ্চলৰ বিশেষ স্থান আছে। 'পূণ্য ভূমি হাজো' এই নামেৰে এই অঞ্চলৰ পৰিচিতি ৰাজ্যখনৰ প্ৰতিজন সচেতন মানুহৰ মুখে মুখে। কুমাৰিলা ভট্ট আদিৰ দৰে বিদ্বানৰ নামো এই অঞ্চলৰ লগত জড়িত। ক'ব পাৰি যে মোগল, আহোম আৰু কোঁচ— এই তিনি ভিন ভিন শাসনৰ কালতো হাজোৱে শিক্ষা আৰু সংস্কৃতিত বিশেষ গুৰুত্ব লাভ কৰিছিল। ইংৰাজ শাসনৰ অধীনলৈ অসম যোৱাৰ সময়তে এই প্ৰদেশখনত যি ২১খন স্কুল স্থাপনৰ সিদ্ধান্ত হৈছিল, তাৰ ভিতৰত হাজো অঞ্চলৰ স্কুলেও উক্ত তালিকাত নামভৰ্ত্তি কৰিবলৈ সক্ষম হৈছিল। অসমীয়া আৰু বাংলা মাধ্যমৰ টনা-আজোৰাত ঊনবিংশ শতিকাৰ প্ৰায় শেষলৈ 'হাজো গবৰ্ণমেণ্ট বাংলা স্কুল' নামে এখন স্কুল স্থাপনৰ উল্লেখ আছে। আন এক সূত্ৰৰ পৰা জনা যায় *'হাজোত এটা স্কুল ঘৰ কৰিবৰ সৰকাৰৰ পৰা আদেশ হৱাত বলোদেও শৰ্মা ৰাজখোৱাকে কৰিবৰ আজ্ঞা দেওৱা হৈছিল।'* পৰৱৰ্তী সময়ত কামৰূপ জিলাৰ উপায়ুক্ত ডব্লিউ এ বেটিং চাহাবৰ উদ্‌গনিত ১৯১৬ চনত কান্দাৰাম ভৰালীদেৱে তেওঁৰ নামেৰে কান্দাৰাম মাইনৰ স্কুলখন প্ৰতিষ্ঠা কৰে। লাহে লাহে অঞ্চলটোত শিক্ষাৰ প্ৰসাৰৰ হেতুকে যোৱাটো শতিকাৰ ৭০ দশকত, অৰ্থাৎ ১৯৭৯ চনৰ ২৯ আগষ্টত হাজো আঞ্চলিক মহাবিদ্যালয় স্থাপন কৰা হয়। অঞ্চলটোৰ কৃতি তথা লব্ধপ্ৰতিষ্ঠ ব্যৱসায়ী স্বৰ্গীয় সুৰেন দাসৰ সোঁৱৰণত পৰিয়ালবৰ্গই এই মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰি এক সুন্দৰ ভৱন নিৰ্মাণ কৰি দিয়ে। কৃতজ্ঞতাৰ চিন ৰূপে এই মহাবিদ্যালয়ৰ নাম সুৰেন দাস মহাবিদ্যালয় ৰখা হয়। স্বাভাৱিকতে এই গৌৰব-উজ্জ্বল মহাবিদ্যালয়খনে আয়োজন কৰা আজিৰ এই বক্তৃতা অনুষ্ঠানত আপোনসৰৰ আগত দু-আষাৰ ক'বলৈ পাই নিজকে ধন্য মানিছো।

প্ৰতিষ্ঠা দিৱস বক্তৃতা

*বিষয়*

ৰূপান্তৰৰ যাত্ৰা ঃ উচ্চ শিক্ষা আৰু উন্নয়ন



*আয়োজক*

সুৰেন দাস মহাবিদ্যালয়, হাজো

*বক্তা*

ডঃ হিতেশ ডেকা

উপাচাৰ্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্প্রতি ভাৰতৰ বিশাল মানৱ সম্পদে বিশ্বৰ সকলোৰে মনোযোগ আকৰ্ষণ কৰিছে। বিভিন্ন কাৰণত এই মানৱ সম্পদক অৰ্থনৈতিক উন্নয়নৰ মুখ্য উৎস বা চালিকা শক্তিলৈ ৰূপান্তৰিত কৰাটো একে সময়তে এক বিৰাট প্ৰত্যাহ্বানৰ বিষয়। অসমৰ দৰে ৰাজ্যত, হাজোৰ দৰে অঞ্চলত এখন মহাবিদ্যালয়ৰ দায়িত্ব অপৰিসীম, কাৰণ ইয়াত মহাবিদ্যালয় মানে কেইটামান শ্ৰেণীকোঠাৰ ভিতৰত শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰদান কৰা পাঠদানৰ কথাকে নুবুজায় বা বুজোৱা উচিত নহয়। ইয়াত মহাবিদ্যালয় হ'ল সামাজিক পৰিবৰ্তনৰ আৰু দেশৰ উন্নয়নৰ বাবে অপৰিহাৰ্য মানৱ সম্পদ গঢ়াৰ এক বিশেষ প্ৰচেষ্টাৰ স্থলী। অৰ্থনৈতিক উন্নয়নৰ বাবে আমাক দূৰদৰ্শী ব্যক্তিৰ প্ৰয়োজন আছে। এনে দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত কোনো এটা অঞ্চল বহুদূৰ আগবাঢ়ি যাব পাৰে। এই দূৰদৰ্শী ব্যক্তিসকলক কিন্তু আমাৰ বিদ্যানুষ্ঠানসমূহে গঢ় দিব লাগিব। এনে দূৰদৰ্শী ব্যক্তিৰ এটা সাৰ্থক উদাহৰণ হ'ল— অৰ্থনৈতিক উন্নয়ন ক্ষেত্ৰত যোচেফ শুমপিটাৰে (Joseph Schumpter) কোৱা ক্ৰিয়েটিভ এণ্টাৰপ্ৰিনিয়াৰ (creative entrepreneur)ৰ ধাৰণা। উল্লেখ্য যে অসমৰ সৰহসংখ্যক শিক্ষানুষ্ঠানে ৰাইজৰ ঘাম আৰু শ্ৰমেৰে গঢ় লৈ উঠা অনুষ্ঠান। এই অনুষ্ঠানসমূহৰ লালন-পালনৰ দায়িত্ব সুদীৰ্ঘ দিন ধৰি ৰাইজে লোৱাৰ ফলতে এইবোৰে ৰাইজৰ বুকুৰ মাজত নিগাজী স্থান লাভ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত প্ৰাদেশীকৰণৰ ফলত এই অনুষ্ঠানসমূহ ৰাইজৰ পৰা যেন কিছুদূৰ আঁতৰি গ'ল। তাৰ ফলত হয়তো যিসকলৰ হাতত এই অনুষ্ঠানসমূহ গঢ় লৈ উঠিছিল, তেওঁলোকে যেন ইয়াৰ সৈতে সম্বন্ধ বৰকৈ ৰাখিব নুখুজিলে। আনহাতে যি পৰিৱেশৰ পৰিণতিত এই অনুষ্ঠানসমূহে জন্ম লাভ কৰিছিল, সেই পৰিৱেশ বিশ্বায়নৰ ধামখুমীয়াত যেন বহুদূৰ সলনি হৈ গ'ল। আজিৰ শিক্ষানুষ্ঠানসমূহক আমি মানৱ সম্পদ গঢ়াৰ এক অনুষ্ঠানৰূপে কোৱাতকৈ চাকৰিমুখী এচাম যান্ত্ৰিক লোকক তৈয়াৰ কৰি দিয়াৰ অনুষ্ঠান বুলিহে ক'ব পাৰো। এয়া অত্যন্ত দুৰ্ভাগ্যজনক, কিন্তু সত্য বিষয়। এই ক্ষেত্ৰত আমি যিসকলে শিক্ষাৰ সামাজিক দায়িত্ব সম্পৰ্কে সদায় মাত মাতি আহিছো, তেওঁলোকৰ বাবে এক বিশেষভাৱে চিন্তাৰ কথা হৈ পৰে। উন্নয়নৰ বাবে আমাক যি ধৰণৰ সৃষ্টিশীল মানৱ সম্পদৰ প্ৰয়োজন, সেয়া মহাবিদ্যালয়সমূহে গঢ়ি তুলিব পাৰিছে নে নাই, সেয়া সকলোৱে নিজকে সুধি চোৱা উচিত। আমি যেতিয়াই উন্নয়নৰ কথা কওঁ, আমি পূৰ্বতে উল্লেখ কৰা যোচেফ শুমপিটাৰে উন্নয়নৰ কথা কওঁতে ক্ৰিয়েটিভ এন্টাৰপ্ৰিনিয়াৰৰ কথা কৈছে। এই এন্টাৰপ্ৰিনিয়াৰৰ সংজ্ঞাটো হ'ল এনে এজন ব্যক্তিৰ যি ঃ 'introduces new combinations and whose action gives rise to spontaneous and discontinuous changes in the channels of the circular flow.' (স্মৰ্তব্য যে শুমপিটাৰৰ কেপিটেলিজিম, ছ'চিয়েলিজিম এণ্ড ডেমক্ৰেছি নামৰ গ্ৰন্থখন ৰাজনীতি বিজ্ঞানৰ ছাত্ৰসকলৰ বাবে অত্যন্ত পৰিচিত তথা গুৰুত্বপূৰ্ণ গ্ৰন্থ।) আনহাতে উন্নয়নৰ বাবে অপৰিহাৰ্য হ'ল— উদ্ভাৱন (innovation)। এই ক্ষেত্ৰত শুমপিটাৰে পাঁচ ধৰণৰ উদ্ভাৱনৰ কথা কৈছে। (১)নতুন দ্ৰব্য,(২)উৎপাদনৰ নতুন পদ্ধতি,(৩) নতুন বজাৰ, (৪)কেঁচা সামগ্ৰীৰ নতুন উৎস আৰু (৫) নতুন ধৰণৰ সংগঠন। অৰ্থাৎ মানৱ সম্পদক বিশেষ ধৰণে গঢ়ি তুলিব নোৱাৰিলে আমি উন্নয়নৰ বাবে প্ৰয়োজনীয় উদ্ভাৱন ক্ষমতাসম্পন্ন সম্পদ হয়তো বিচাৰি নাপাম। আমি দেখিছো যে বিভিন্ন কাৰণত উন্নয়ন সুষম নহয়। নানান বৈষম্যই উন্নয়নক প্ৰভাৱিত কৰি আছে আৰু ইয়াৰ লগে লগে আমাৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মনোবৈজ্ঞানিক আৰু সামাজিক প্ৰভাৱসমূহে আমাৰ চিন্তাচৰ্চাক প্ৰভাৱিত কৰি আমি কোনদিশে আগুৱাই যাম সেইবিলাক নিৰ্ধাৰণ কৰিবলৈ চেষ্টা কৰিম। আমাৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত (human decision making)আমি তিনিটা নীতিৰ দ্বাৰা পৰিচালিত হওঁ বুলি ক'ব পাৰো। ২০১৫ চনৰ বিশ্ব বেংকৰ mind, society and behaviour শীৰ্ষক প্ৰতিবেদনত এই তিনিটা নীতিক স্বয়ংক্ৰিয় চিন্তা,সামাজিক সম্পৰ্কৰে চিন্তা আৰু মানসিক আৰ্হিৰ জৰিয়তে কৰা চিন্তাৰ সৈতে সাঙুৰি দিয়া হৈছে। ইয়াৰে প্ৰথম চিন্তাৰ ধাৰণাত ধৰি লোৱা হৈছে যে মানুহে সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় তথ্য-পাতিসমূহ ব্যৱহাৰ কৰি বিশেষ কষ্ট নকৰাকৈ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। আডাম স্মিথ(Adam smith)ৰ সময়ৰে পৰা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত এনে মতামত আমি দেখা পাওঁ। অৱশ্যে হাৰ্বাৰ্ট চাইমন (Herbert simon)আৰু ফেডেৰিখ হায়েক (Friederich Hayek)ৰ দৰে ন'বেল বঁটা বিজয়ী চিন্তাবিদৰ মতে মানুহে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সকলো তথ্যপাতি চালি জাৰি চাবলৈ সাধাৰণতে সক্ষম নহয় । আনকি সিদ্ধান্ত গ্ৰহণৰ ফলত উদ্ভৱ হোৱা তথ্যপাতিসমূহো কিমান দূৰ নিজৰ বাবে লাগতিয়াল বা কেনেধৰণৰ ব্যয়ৰ কথা এই তথ্যপাতিসমূহৰ সৈতে জড়িত হৈ আছে , তাক জানিবলৈকো মানৱ মন ঘপৰাই সক্ষম নহয়। তাৰ বিপৰীতে আমি ক'বপাৰো যে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে আমাক প্ৰদান কৰা শিক্ষাই মানৱ মনৰ সেইবোৰ শক্তিক বিকশিত কৰিব লাগে , যিবোৰৰ জৰিয়তে মানৱ মনে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত এক সুস্থিৰ নীতি অনুসৰণ কৰিবলৈ সক্ষম হয়। কে'বাটাও অধ্যয়নে দেখুৱাইছে যে মানুহে সামাজিক প্ৰত্যাশাৰ সৈতে সংগতি ৰাখি বিকাশৰ ৰাস্তাত আগুৱাই যাব খোজে। বিশ্ববেংকৰ Mind,society and Behaviour শীৰ্ষক প্ৰতিবেদনত এই কথা এনেদৰে উল্লেখ কৰা হৈছেঃ Empirical work demonstrates that people do not make decisions by taking into account all costs and benefits.People want to conform to social expectations.People do not have unchanging or arbitrarily changing tastes.Preferences depend on the social institutions that have formed the interpretive frameworks through which individuals see the work. আনহাতে সামাজিকভাৱে চিন্তা কৰাৰ যি প্ৰক্ৰিয়া সি বহু আগৰে পৰা মানৱ সমাজত চলি আহিছে। এৰিষ্ট'টল ৰ প্ৰসিদ্ধ উক্তিঃ মানুহ সামাজিক প্ৰাণীৰ মাজতে আমি এনে চিন্তা পদ্ধতিৰ উৎস বিচাৰি পাব পাৰো। যিবোৰ সমাজত পাৰস্পৰিক বিশ্বাস গভীৰ , তেনে সমাজত চিন্তাৰ ক্ষেত্ৰতো সামাজিক বিশ্বাসৰ প্ৰভাৱ আমি দেখো। অৰ্থাৎ নঞৰ্থক বা সদৰ্থক দুয়োটা ধৰণেৰে সামাজিক কথাই আমাক প্ৰভাৱিত কৰে। বিশ্ববেংকৰ প্ৰতিবেদনে দেখুৱাইছে যে যিবোৰ সমাজত বিশ্বাসৰ বাতাবৰণ অত্যন্ত ব্যাপক, সেইবোৰ সমাজত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সামাজিক ঘটনা প্ৰবাহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । ই সদৰ্থক দিশ। আনহাতে, যিবোৰ সমাজত দুৰ্নীতি অত্যন্ত বেছি, তেনে ব্যৱস্থাতো পাৰস্পৰিক সহযোগিতাৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। এইটো সামাজিক ধৰণেৰে চিন্তা কৰাৰ নঞৰ্থক দিশ। আমাৰ শিক্ষা ব্যৱস্থাই এই দুই চিন্তাৰ পাৰ্থক্য আৰু এনে পাৰ্থক্যৰ প্ৰয়োজনীয়তাক আমাৰ ছাত্ৰ-ছাত্ৰীসকলক শিকাব লাগিব। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ এইটোও এটা গুৰুত্বপূৰ্ণ দায়িত্ব। এই ক্ষেত্ৰত পুনৰ আমি ওপৰৰ প্ৰতিবেদনত কেইটামান কথা এইখিনিতে তুলি ধৰিব পাৰোঃ

Human sociality implies that behaviour is also influenced by social expectations,social recognition , patterns of cooperation,care of ingroup members,and social norms. Indeed,the design of institutions,and the ways in which they organize groups and use material incentives,can suppress or evoke motivation for cooperative tasks,such as community development and school monitoring. এক সমীক্ষাই দেখুৱাইছে যে ভাৰতৰ উচ্চ শিক্ষাখণ্ডত নামভৰ্তি কৰা মুঠ ছাত্ৰ-ছাত্ৰীৰ ৮৬ শতাংশই স্নাতক পৰ্যায়ত নামভৰ্তি কৰে; স্নাতকোত্তৰ পৰ্যায়ত নামভৰ্তিৰ শতকৰা ১২ শতাংশ হৈ পৰে আৰু গৱেষণাৰ বাবে মাত্ৰ ০.৮ শতাংশ ছাত্ৰ-ছাত্ৰীহে থাকেগৈ। তাৰ বাহিৰেও ডিপ্লমা বা চাৰ্টিফিকেট ক'ৰ্চৰ কাৰণে উচ্চ শিক্ষাত মুঠ নামভৰ্তিৰ মাজৰ পৰা মাত্ৰ ১ শতাংশ ছাত্ৰ-ছাত্ৰীকহে দেখা যায়। আনহাতে উচ্চ শিক্ষাৰ ব্যাপক প্ৰসাৰৰ পিছতো ভাৰতবৰ্ষৰ ক্ষেত্ৰত Gross Enrolment Ratio (GER) আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ তুলনাত যথেষ্ট কম। এই কথাটোৱে আমাৰ দেশৰ অধিকাংশ লোকে এতিয়াও যেন উচ্চ শিক্ষাত পৰ্যাপ্ত পৰিমানে নিজৰ স্থান পোৱা নাই, তাকে আঙুলিয়াই দেখুৱাইছে। অৰ্থাৎ উন্নয়নৰ বাবে কি ধৰণৰ মানৱ সম্পদৰ আমাক প্ৰয়োজন আছে, সেই সম্পদ গঢ়িবৰ বাবে যিবোৰ প্ৰতিষ্ঠান আমাৰ মাজত গঢ় লৈ উঠিব লাগিছিল, সেইবোৰ প্ৰতিষ্ঠান যে এতিয়াও গঢ় লৈ উঠা নাই, সেয়া নিশ্চিত হৈ পৰিছে। তাৰ বাহিৰেও যিবোৰ

অনুষ্ঠান আছে, সেইবোৰ অনুষ্ঠানেও পৰ্যাপ্ত পৰিমানে সেৱা আ:গবঢ়াব পৰা নাই,সেয়াও সত্য বুলি স্বীকাৰ কৰিব লগা হৈছে। তেনেস্থলত অসমৰ বিভিন্ন অঞ্চলত,যেনে হাজো, শুৱালকুছি, বৰপেটা, ধেমাজি, দিখৌ, ডিমৌ, সোণাপুৰ, ক্ষেত্ৰী আদি বিভিন্ন ঠাইত থকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰূপে চিহ্নিত এই মহাবিদ্যালয়সমূহৰ কান্ধত অপৰিসীম দায়িত্ব আহি পৰিছে। তাৰ লগতে এনে মহাবিদ্যালয়সমূহে নিজৰ বীক্ষণ (vision) নিৰ্ধাৰণ কৰি লোৱাটোও গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই ক্ষেত্ৰত আমি কেতবোৰ বিশেষ কথালৈ আমাৰ আজিৰ উপস্থিত শ্ৰোতামণ্ডলীৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। আমি পূৰ্বতে উল্লেখ কৰিছো যে হাজোৰ সুৰেণ দাস মহাবিদ্যালয়ৰ দৰে অনুষ্ঠানসমূহ এক সুনিৰ্দিষ্ট, সবল আৰু সুস্থ সামাজিক চিন্তাৰ পৰিণতি । এই প্ৰতিষ্ঠানসমূহে ই থিয় হৈ থকা অঞ্চলটোৰ মানুহখিনিক বাদ দি অন্য কথা চিন্তা কৰা অনুচিত। এই অঞ্চলটোৰ মানৱ সম্পদখিনিৰ কিমানজনে এই মহাবিদ্যালয়খনৰ সৈতে আত্মীয়তা অনুভৱ কৰে, সেয়া মহাবিদ্যালয়খনৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিয়ে প্ৰথমে জানি ল'ব লাগিব।তাৰ পিছত এই বাসিন্দাসকলৰ জীৱন ধাৰণৰ প্ৰণালী আৰু প্ৰয়োজনীয়তা সম্পৰ্কেও মহাবিদ্যালয়খন অৱগত হ'ব লাগিব। তাৰ বাহিৰেও এই লোকসকলৰ বৌদ্ধিক আকাংক্ষা,তৰুণ প্ৰজন্মৰ মাজত কোনবোৰ বিষয়ে প্ৰভাৱ পেলায় তেওঁলোকৰ জীৱনৰ গতিপথ পৰিচালিত কৰিছে,তাৰ বিষয়ে এক সম্যক ধাৰণা মহাবিদ্যালয়খনৰ শিক্ষকতা আৰু প্ৰশাসনৰ সৈতে জড়িত প্ৰতিজন ব্যক্তিৰ থকাটো উচিত। অসমৰ গ্ৰাম্য অঞ্চলৰ পৰিবেশ আৰু চহৰ অঞ্চলৰ পৰিৱেশৰ মাজত বহু পাৰ্থক্য আছে সেয়েহে গুৱাহাটীৰ মাজমজিয়াৰ মহাবিদ্যালয় এখনে যিদৰে ভাবে বা যেনে ধৰণেৰে ইয়াৰ বৌদ্ধিক পৰিকল্পনাক যুগুত কৰে, সেই পৰিকল্পনাৰ ব্যাপ্তি আৰু পৰিসৰ নিশ্চয় হাজো অঞ্চলৰ মহাবিদ্যালয় এখনৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। যিকোনো এখন আঞ্চলিক মহাবিদ্যালয়ে এই পাৰ্থক্যটো অনুভৱ কৰি ইয়াৰ বীক্ষণক আগুৱাই নিব লাগে। এই ক্ষেত্ৰত ৰাজ্যখনৰ চহৰ অঞ্চলৰ মহাবিদ্যালয় এখনতকৈ চহৰৰ দাঁতিকাষৰীয়া বা গ্ৰাম্যাঞ্চলৰ মহাবিদ্যালয় এখনৰ দায়িত্ব অধিক হ'ব;কাৰণ এনে মহাবিদ্যালয়ৰ কাৰণে নিজকে সামাজিক পৰিৱৰ্তনৰ বা অঞ্চল এটাৰ বৌদ্ধিক পৰিৱৰ্তনৰ নেতৃত্ব বহনকাৰী শক্তি অৰ্জন কৰাটো প্ৰথমেই বাঞ্ছনীয় হ'ব। স্বাভাৱিকতে এইটো এটা বিশাল দায়িত্ব। মানৱ উন্নয়ন সম্পৰ্কীয় প্ৰতিবেদনসমূহে দেখুৱাইছে যে এনে ধৰণৰ বীক্ষণ নিৰূপনৰ ক্ষেত্ৰত আমাক কেতবোৰ মানসিক আৰ্হি (mental models)য়ে প্ৰভাৱিত কৰে। এই আৰ্হিসমূহ আমাৰ চৌদিশে প্ৰভাৱশীল ধাৰণা, পৰিচয় , কেতবোৰ নীতি-আদৰ্শ,আঞ্চলিক চিন্তা-চৰ্চা, বাতাবৰণৰ জৰিয়তে নিয়ন্ত্ৰিত হয়। কে'বাজনো চিন্তাবিদে দেখুৱাইছে যে অৰ্থনৈতিক সম্পৰ্ক,আমাৰ বিশ্বাস আৰু সামাজিক গোটসমূহৰ মাজৰ সা-সম্পৰ্কসমূহ আমাৰ ভৱিষ্যতৰ যাত্ৰাৰ সফলতাৰ বাবে অপৰিহাৰ্য দিশ। উন্নয়নৰ ক্ষেত্ৰত আমি পূৰ্বতে উল্লেক কৰা শুমপিটাৰৰ ক্ৰিয়েটিভ এন্টাৰপ্ৰিনিয়াৰৰ ভূমিকা এই মহাবিদ্যালয়সমূহে পালন কৰিব পাৰিব লাগিব। মহাবিদ্যালয়সমূহ হৈ পৰিব লাগিব বিভিন্ন উদ্ভাৱনৰ জৰিয়তে আঞ্চলিক অৰ্থনৈতিক বিকাশৰ (regional economic growth)কেন্দ্ৰ বিন্দু । মানসিক উৎকৰ্ষ সাধনৰ যোগেদি কিদৰে আঞ্চলিক ভিত্তিত অৰ্থনৈতিক বৃদ্ধিৰ অনুঘটক (catalyst)ৰূপে মহাবিদ্যালয়সমূহে নিজকে পাব পাৰে,সেয়াও এনে মহাবিদ্যালয়ৰ বীক্ষণৰ গুৰুত্বপূৰ্ণ অংগ হ'ব। মহাবিদ্যালয় একোখনৰ ভিজন ডকুমেন্ট (vision Document)অত্যন্ত গুৰুত্ব সহকাৰে ল'ব লগা এক বিষয় ; কাৰণ ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনৰ ভৱিষ্যত যাত্ৰাৰ ৰূপৰেখা তৈয়াৰ কৰা হয়। মহাবিদ্যালয় এখনৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল উপযুক্ত মানৱ সম্পদ তৈয়াৰ কৰা। উপযুক্ত বুলি এই কাৰণেই কোৱা হৈছে যে এই মানৱ সম্পদে অৰ্থনৈতিক উন্নয়নৰ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সক্ষমতা বৃদ্ধি আৰু সামাজিক ন্যায়ৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত নিজৰ সবল উপস্থিতি সাব্যস্ত কৰিব লাগিব। ইয়াকে কৰিবলৈ যাওতে মহাবিদ্যালয় এখনে চাব লাগিব যাতে ,যি অৰ্থনৈতিক উন্নয়নৰ আশা কৰি ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ পৃথিৱীৰ বাবে প্ৰস্তুত কৰি উলিয়াব খুজিছে,সেই উন্নয়ন যাতে সুষম উন্নয়নৰ সমাৰ্থক হৈ উঠে। মহাবিদ্যালয় এখনে ইয়াৰ ভিজন ডকুমেন্টত উন্নয়নৰ ধাৰণাৰ সৈতে সামঞ্জস্য ৰাখি নিজা প্ৰস্তুতি চলোৱাৰ সময়ত চৌদিশৰ সামাজিক পৰিৱেশ আৰু ই থিয় হৈ থকা মানুহখিনিৰো অৰ্থনৈতিক ক্ষমতা সম্পৰ্কে অৱগত হ'ব লাগে। সেয়েহে এনে ধৰণৰ প্ৰস্তুতিৰ বাবে এক বিস্তৃত আলোচনাৰ প্ৰয়োজন হ'ব। ইংৰাজীত ইয়াকে (focus group discussion)বুলি কোৱা হয়। এনে বিস্তৃত পৰ্যালোচনাৰ অন্তত যিবোৰ সিদ্ধান্ত মহাবিদ্যালয়খনৰ বাবে আদৰণীয় বুলি বিবেচিত হ'ব, সেইবোৰ সিদ্ধান্তৰ জৰিয়তে মহাবিদ্যালয়খনৰ ভিজন ডকুমেন্ট প্ৰস্তুত কৰি ল'ব । মহাবিদ্যালয় এখনৰ ভৱিষ্যৎ যাত্ৰাৰ বাবে এই দলিলেই পথ প্ৰদৰ্শক হ'ব ; ই ধ্ৰুৱ তৰাৰ দৰে নিশ্চিত দিশত মহাবিদ্যালয়খনৰ ভৱিষ্যৎ যাত্ৰাক সুনিশ্চিত কৰিব।







## ৰূপান্তৰৰ যাত্ৰা ঃ
## উচ্চ শিক্ষা আৰু উন্নয়ন
## দ্বিতীয় পৰ্ব
## উচ্চ শিক্ষাৰ সন্মুখত থকা প্ৰত্যাহ্বান তথা উন্নয়নৰ ক্ষেত্ৰত এই শিক্ষাৰ অৰিহণা ঃ গ্ৰামীণ বিশ্ববিদ্যালয়ৰ ধাৰণা

মহাবিদ্যালয় মানে নিঃসংগ অনুষ্ঠান নহয়। মহাবিদ্যালয় এখন সমাজৰ মাজত তথা সমাজৰ বাবে বৰ্তি থাকে। মহাবিদ্যালয়খনে প্ৰদান কৰা শিক্ষা সেয়েহে সমাজৰ উপকাৰী শিক্ষা হ'ব লাগে। কিন্তু শেহতীয়াকৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ ধুৱলী-কুঁৱলী শিক্ষা নীতিৰ ফলত বহু সময়ত মহাবিদ্যালয়সমূহে ইচ্ছা থাকিলেও সমাজৰ সকলোৰে বাবে প্ৰত্যক্ষভাৱে কামত অহাকৈ কেতবোৰ পাঠ্যক্ৰম যুগুতাই উলিয়াব পৰা নাই। ভাৰতবৰ্ষৰ দৰে দেশত য'ত আঞ্চলিক বৈষম্য তীব্ৰ , তাত মহাবিদ্যালয়সমূহৰ এক ধৰণৰ স্বতন্ত্ৰতা নাথাকিলে, ই সমাজৰ বাবে নিজকে পোনপোটীয়াকৈ কামত অহা এক অনুষ্ঠানৰূপে গঢ় দিব পৰাটো কঠিন হৈ পৰিছে। অথচ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ যি ঔপনিৱেশিক চৰিত্ৰ তাক অত্যন্ত সঠিকভাৱে ১৯৪৯ চনতে অসমৰ এজন প্ৰসিদ্ধ শিক্ষাবিদ আৰ আৰ ট'মাছে(R R Thomas ) অনুভৱ কৰিছিল। অসম কলেজ শিক্ষক সংস্থা (Assam college Teacher's Association)ৰ প্ৰথমজন সভাপতি ট'মাছে স্বাধীন ভাৰতৰ শিক্ষাৰ উদ্দেশ্য আৰু পদ্ধতি যে সলনি হ'ব লাগিব সেয়া পৰিষ্কাৰভাৱে অনুভৱ কৰিছিল। তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ সভাপতিৰূপে দিয়া বক্তৃতাত স্পষ্টকৈ এই কথা উল্লেখ কৰিছে ঃ

Formerly education meant qualifying for ser-

vices.

Now it means making man,making the nation. If we realize this it is a great thing.Education does not merely mean learning. It means making the full practical bearing of learning on life.If education in free India does not mean it,useless and dangerous

উল্লেখ্য যে কেইবাটাও আন্তৰ্জাতিক সমীক্ষাই উচ্চ শিক্ষাৰ পৰিবৰ্তিত চৰিত্ৰক অনুধাৱন কৰিবলৈ চেষ্টা কৰিছে। দেখা গৈছে যে ঊনবিংশ শতিকা,বিংশ শতিকা আৰু একবিংশ শতিকা— প্ৰত্যেকতে উচ্চ শিক্ষাই ভিন ভিন ৰূপ গ্ৰহণ কৰিছে। বিশ্বৰ উন্নয়নশীল দেশসমূহত পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ লোকে বাস কৰে। তেনেস্থলত এই অঞ্চলসমূহত উচ্চ শিক্ষাৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণৰূপে স্বাভাৱিকতে পৰিগণিত হৈ আহিছে। এই ক্ষেত্ৰত আমি প্ৰধানকৈ তিনিটা প্ৰশ্নৰ সন্মুখিন হ'ব লগা হয় ঃ (১)অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিবলৈ যাওতে উচ্চ শিক্ষাৰ ভূমিকা কেনেধৰণৰ হ'ব ? (২) এই অঞ্চলসমূহত উচ্চ শিক্ষাই কেনে ধৰণৰ বাধাৰ সন্মুখীন হ'ব? (৩)কিদৰে এই বাধাসমূহ অতিক্ৰম কৰিব পৰা যাব? দেখা গৈছে যে উচ্চ শিক্ষাৰ ক্ষেত্ৰত যি ধৰণৰ প্ৰত্যাহ্বান আমাৰ সন্মুখত আহি পৰে ,সেই প্ৰত্যাহ্বানৰ বহুসংখ্যক আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত। কিন্তু কেতবোৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ আমাৰ নিশ্চয় সামৰ্থ্য আছে। এই ক্ষেত্ৰত পিটাৰ ড্ৰাকাৰে (peter Drucker) অন্য প্ৰসংগত কবৰ দৰে পৰিচালনাকেন্দ্ৰিক দক্ষতা (managerial skill)ৰ এক বিৰাট ভূমিকা আছে। তাৰ বাহিৰেও অৰ্থনৈতিক সীমাবদ্ধতা আৰু ৰাজনৈতিক সদিচ্ছাৰ অভাৱৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰ আঁতৰ কৰাৰ বাবে এক সদৰ্থক মানসিকতাৰ প্ৰয়োজন দিনক দিনে বেছি হৈ পৰিছে। এই ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ সন্মিলনী,নাগৰিক সমাজ আৰু সমাজৰ অন্যান্য লোকসকলৰ উমৈহতীয়া প্ৰচেষ্টাৰ জৰিয়তে কেতবোৰ বাহ্যিক বা আভ্যন্তৰীণ চাপৰ সৃষ্টি কৰি আমি উচ্চ শিক্ষাত কেতবোৰ সদৰ্থক পৰিবৰ্তনৰ পূৰ্বাভাস পাব পাৰো। এই ক্ষেত্ৰত উচ্চ শিক্ষাৰ আৰু উন্নয়নৰ মাজৰ সম্পৰ্কৰ বিষয়ে আমি স্পষ্টভাৱে জানি লোৱাটো প্ৰয়োজন। উচ্চ শিক্ষাৰ জৰিয়তে কি ধৰণেৰে উন্নয়নৰ বাট মুকলি হ'ব পাৰে এই সম্পৰ্কত এক আন্তঃৰাষ্ট্ৰীয় প্ৰতিবেদনে চাৰিটা দিশলৈ আমাৰ মনোযোগ আকৰ্ষণ কৰেঃ

(১) উপাৰ্জন বৃদ্ধি (Income growth )ঃ ইয়াৰ ফলত শ্ৰমৰ উৎপাদন,উদ্ভাৱনৰ নানান সুযোগ (যিটোৰ কথা পূৰ্বতে আমি যোচেফ শ্লুমপিটাৰে উল্লেখ কৰাৰ কথা আমি কৈছো),সামাজিক গতিশীলতা বৃদ্ধি,ৰাজনৈতিক সক্ৰিয়তা তথা অংশগ্ৰহণ ইত্যাদিৰ কথা কোৱা হৈছে। আনহাতে উপাৰ্জন বৃদ্ধিৰ সৈতে ৰাজহুৱা দ্ৰব্য (public good), বিশেষকৈ সদ্য সম্প্ৰসাৰিত জ্ঞান অৰ্থনীতি (knowledge economy)ৰ কথা বিশেষভাৱে জড়িত হৈ আছে।

(২) উজ্জীৱিত নেতৃত্ব (Enlightened leaders) ঃ উচ্চ শিক্ষাৰ প্ৰসাৰে সমাজত উজ্জীৱিত নেতৃত্বৰ সৃষ্টি কৰে। সক্ষমতা বৃদ্ধি আৰু প্ৰযুক্তিগত বিদ্যাৰে সমৃদ্ধ মানৱ সম্পদে ৰাজনৈতিক নেতৃত্বৰ এক নতুন ধৰণৰ আত্মবিশ্বাস প্ৰদান কৰে। আঞ্চলিক বৈষম্য আঁতৰ কৰিবলৈ ৰাজনৈতিক নেতৃত্বই এই ক্ষেত্ৰত সাহস লাভ কৰে।

(৩) প্ৰসাৰিত পচন্দ(Expanding choices)ঃ উচ্চ শিক্ষাৰ প্ৰসাৰৰ লগে লগে সমাজৰ লোকসকলে নতুন নতুন অধ্যয়ণৰ বা প্ৰশিক্ষণৰ ক্ষেত্ৰ বাচি ল'বৰ বাবে সুযোগ লাভ কৰে। ইয়াৰ ফলত সামাজিক গতিশীলতা বাঢ়ে আৰু মানৱ সম্পদৰ মাজত লুকাই থকা মেধাও প্ৰস্ফুটিত হয়।

(৪) প্ৰাসংগিক দক্ষতা বৃদ্ধিৰ সুযোগ (Increasingly relevant skills) ঃ উচ্চ শিক্ষাৰ জড়িয়তে দক্ষতা বৃদ্ধিৰ সুযোগৰ সৃষ্টি হয়। আঞ্চলিক ,অৰ্থনৈতিক বৈষম্যৰ বাবে দায়ী পিছপৰা আন্তঃগাঁথনিৰ আঁসোৱাহ দূৰীকৰণৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ এক প্ৰধান ভূমিকা আছে। উচ্চ শিক্ষাই প্ৰযুক্তিগতভাৱে স্থানীয় সমস্যাসমূহ সমাধান কৰাৰ পথ দেখুৱাব পাৰে। পৰিৱেশ সংৰক্ষণ,বেমাৰ-আজাৰ দূৰীকৰণ, উদ্যোগীক প্ৰসাৰ আৰু আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ প্ৰত্যক্ষ ভূমিকা আছে।

এই কথা অৱশ্যে স্পষ্ট কৰি দিয়া দৰকাৰ যে ওপৰৰ





যিবোৰ দিশৰ জৰিয়তে উচ্চ শিক্ষাই উন্নয়নক গতিশীল কৰিব বুলি আঙুলিয়াই দিয়া হৈছে, সেইবোৰ কিন্তু নিজে নিজে হ'ব পৰা ঘটনা নহয়। ইয়াৰ লগত প্ৰত্যক্ষভাৱে উচ্চ শিক্ষাৰ পদ্ধতি,শিক্ষানুষ্ঠানসমূহৰ দৃষ্টিভংগী আৰু গোটেই প্ৰক্ৰিয়াটোৰে নমনীয়তাৰ কথা জড়িত হৈ আছে। অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ বাবে উচ্চ শিক্ষাৰ প্ৰযুক্তিৰ নতুন নতুন সুবিধাসমূহ নিজৰ কামত অহাকৈ ব্যৱহাৰ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব। এই ক্ষেত্ৰত বিশ্ব বেংকৰ এক টাস্ক ফ'ৰ্চে (THE TASK FORCE ON HIGHER EDUCATION AND SOCIETY) দিয়া প্ৰতিবেদনলৈ আমি আগ্ৰহী শ্ৰোতাৰ মনোযোগ আকৰ্ষণ কৰিলো। অসমৰ দৰে পিছপৰা ৰাজ্য এখনৰ আঞ্চলিক মহাবিদ্যালয় এখনৰ বাবে এনে প্ৰতিবেদনৰ সমীক্ষাত্মক দৃষ্টিকোণৰ যথেষ্ট প্ৰয়োগিক মূল্য আছে।

একবিংশ শতিকাৰ এই সময়ছোৱাত আমাৰ দেশৰ শিক্ষা খণ্ডই একে সময়তে বহুকেইটা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। অনেক ক্ষেত্ৰত এই প্ৰত্যাহ্বানসমূহে সময়ৰ আহ্বানৰ সন্মুখত আমাৰ প্ৰস্তুতিৰ অভাৱকেই দৰ্শাইছে। তথ্যৰ বিস্ফোৰণৰ যুগত আমি বাস কৰিছো। অত্যাধুনিক যোগাযোগ ব্যৱস্থাই এফালে আমাক তথ্যৰ বিশাল ভাণ্ডাৰৰ সৈতে পৰিচিত কৰাই দিছে,একে সময়তে এই তথ্য ভাণ্ডাৰৰ মাজৰ পৰা কোনবোৰ তথ্যক বাচি লৈ তাৰ জৰিয়তে সম্পদশীল কৰি শ্ৰমৰ বজাৰখনৰ কাৰণে নিজকে প্ৰস্তুত কৰিব লাগে সেয়া এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানৰূপে থিয় হৈছে। জনকল্যানমূখী অৰ্থনীতিৰ জৰিয়তে দৰাচলতে ৰাষ্ট্ৰই এই শ্ৰমৰ বজাৰত (আভ্যন্তৰীণ তথা আন্তৰাষ্ট্ৰীয় দুয়োটা স্তৰত) নাগৰিকৰ মৰ্যাদাপূৰ্ণ,সুনিশ্চিত যোগান আৰু আয়ৰ এক স্থিতি ইয়াৰ নাগৰিক সকলৰ কাৰণে বিচাৰে। শিক্ষানুষ্ঠানসমূহে নিৰন্তৰ এৰা-ধৰাৰ যোগেদি নিজকে ইয়াৰ বাবে প্ৰস্তুত কৰি তুলিব লগা হয়।

শেহতীয়াকৈ ব্ৰিটিছ কাউন্সিলে প্ৰস্তুত কৰা 'Understanding IndiaÐ The Future of Higher Education and Opportunities for International Cooperation' এক প্ৰতিবেদনত (ফেব্ৰুৱাৰী ,২০১৪) কেইবাটাও গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণ সন্নিৱিষ্ট হৈছে। সেই মৰ্মে দেখা গৈছে যে ২০২০ ত পৃথিৱীৰ তৃতীয়টো বৃহৎ অৰ্থনীতিত পৰিণত হ'ব ভাৰত। দেশখনৰ মধ্যবিত্ত শ্ৰেণীৰো এই সময়ছোৱাত দ্ৰুত বিকাশ ঘটিব । সম্প্ৰতি ২৫ বছৰৰ তলৰ ব্যক্তিৰেই দেশৰ জনসংখ্যা গঠিত। যোৱা দহটা বছৰত চকুত লগা পৰিৱৰ্তনৰ পিছতো ভাৰতৰ উচ্চ শিক্ষাই চাৰিটা মূল প্ৰত্যাহ্বানৰ সৈতে যুঁজিব লগা হৈছে ।

ইয়াৰে প্ৰথমটোক চাহিদা যোগান তাৰতম্য (the supply-demand gap) বুলি চিহ্নিত কৰা হৈছে। সেই মৰ্মে উচ্চ শিক্ষাত নামভৰ্তিৰ হাৰ দেশখনত মাত্ৰ ১৮ শতাংশ। আনহাতে চীনত এই হাৰ ২৬ শতাংশ হোৱাৰ বিপৰীতে ব্ৰাজিলত ৩৬ শতাংশ। দেশৰ উচ্চ শিক্ষা ব্যৱস্থাই এই তাৰতম্য হ্ৰাস কৰিবৰ বাবে কেতবোৰ লক্ষ্য স্থিৰ কৰিছে । সেই মৰ্মে ২০২০ চনত এই হাৰ ৩০ শতাংশত স্থিৰ কৰা হৈছে । অৰ্থাৎ আমাৰ উচ্চ শিক্ষা ব্যৱস্থাই ৪০ নিযুত ছাত্ৰ-ছাত্ৰীক নামভৰ্তিৰ সুযোগ বিশ্ববিদ্যালয়সমূহত দিব লাগিব। আন কথাত ,অহা ৬ বছৰত এই পৰিমান হ'ব ১৪ নিযুতৰ বাবে উচ্চ শিক্ষাৰ নিশ্চিত ব্যৱস্থা।

দ্বিতীয়টো প্ৰত্যাহ্বানক ব্ৰিটিছ কাউন্সিলে ইয়াৰ প্ৰতিবেদনত শিক্ষকতা আৰু শিক্ষা প্ৰদানৰ নিম্ন গুণাগুণ (the low quality of teaching and learning) ৰূপে চিহ্নিত কৰিছে। উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়ত্ৰীৰ অভাৱ,শিক্ষা প্ৰদানৰ নিম্ন মান, অপ্ৰচলিত পাঠ্যক্ৰম, গৱেষণা আৰু শিক্ষকতাৰ মাজৰ পাৰ্থক্যৰ প্ৰয়োজনীয়তা সম্পৰ্কত জ্ঞানৰ অভাৱ ইত্যাদিৰে এই প্ৰত্যাহ্বানলানিক চিহ্নিত হৈছে।

তৃতীয়টো প্ৰত্যাহ্বান মূলতঃ গৱেষণা আৰু উদ্ভাৱন (constraints on research and innovation) ৰ সৈতে সম্পৰ্কিত। এই ক্ষেত্ৰত ব্ৰিটিছ কাউন্সিলে আঙুলিয়াই দিছে পি এইচ ডিৰ বাবে নামভৰ্তিৰ ক্ষেত্ৰত দেশখনৰ উচ্চ শিক্ষা ব্যৱস্থা পিছপৰি থকাৰ কথাটোক। যেনেঃ (১) উচ্চ মান সম্পন্ন গৱেষকৰ সীমিত সংখ্যা ; (২) পাৰস্পৰিক সম্পৰ্ক আৰু বহুমুখী সম্পৰ্কৰ বিষয়ত গৱেষণাৰ দুৰ্বল সম্ভাৱনা; (৩) প্ৰাৰম্ভিক পৰ্যায়ত গৱেষণাৰ সুযোগৰ অভাৱ; (৪)



উৎকৰ্ষৰ কাৰণে দুৰ্বল ব্যৱস্থা; (৫) ঔদ্যোগিক খণ্ডৰ সৈতে গৱেষণাৰ ক্ষীণ সংযোগ।

চতুৰ্থটো প্ৰত্যাহ্বানক অসমান বিকাশ আৰু সুযোগ লাভৰ সুবিধা (uneven growth and access to opportunity) বুলি চিহ্নিত কৰা হৈছে। দেশখনৰ সামাজিক ব্যৱস্থা এতিয়াও বৈষম্যৰ বলি হৈ থকাটোৱে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ সৈতে জড়িত হ'ব খোজা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটোত প্ৰভাৱ পেলাই আহিছে।

শেহতীয়াকৈ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত গ্ৰামীণ বিশ্ববিদ্যালয় (Rural university)ৰ কথা, বিশেষকৈ কৰ্ণাটকৰ দৰে ৰাজ্যত, ভবা হৈছে। আমি জনাত অসমত এখনো গ্ৰামীণ বিশ্ববিদ্যালয় নাই। বিশ্ববিদ্যালয়ৰ প্ৰধান চৰিত্ৰটোৱেই হ'ল আন্তৰ্জাতিক। আন্তঃৰাষ্ট্ৰীয় স্তৰৰ শিক্ষা আৰু গৱেষণাৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাৰ প্ৰসাৰত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু এতিয়াও আঞ্চলিক পৰ্যায়ত যিবোৰ সমস্যাই আমাক ভাৱক্ৰান্ত কৰি আহিছে, সেইবোৰক পোনপটীয়াকৈ সমাধান কৰিব বাবে, নাইবা ইয়াৰ উঠি অহা ছাত্ৰ বা যুৱ শক্তিক সঠিক মাৰ্গ দৰ্শনৰ বাবে আমাৰ শিক্ষানুষ্ঠানসমূহ যেন এতিয়াও প্ৰস্তুত হৈ উঠা নাই। আঞ্চলিক মহাবিদ্যালয় এখনে গ্ৰামীণ বিশ্ববিদ্যালয়ৰ মূল দৰ্শনক আয়ত্ত কৰি ল'ব পাৰিলে আঞ্চলিক বৈষম্য দূৰীকৰণৰ বাবে যি পৰিৱেশ নাইবা কাৰকৰ দৰকাৰ, সি এখন সমাজত সৃষ্টি হোৱাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পাব। আমি আশা কৰিম আজিৰ এই সুৰেন দাস মহাবিদ্যালয়ৰ মাজৰ গ্ৰামীণ বিশ্ববিদ্যালয়ৰ ধাৰণাটোক উজ্জীৱিত কৰিব। লগতে মহাবিদ্যালয়খনৰ জৰিয়তে এই সমগ্ৰ অঞ্চলটোৰ উন্নতিৰ বাবে এক বীক্ষণ প্ৰস্তুতি (Vision Preparation) ৰ বাবেও আপোনসবক উদ্বুদ্ধ কৰিব। এয়া আমাৰ আশা লগতে ভৰসাও।

(২০১৬ চনৰ ২৯ আগষ্ট তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা বক্তৃতা অনুষ্ঠানত প্ৰদান কৰা ভাষণ।)







# জীৱন-শৈলী

## আয়ত্বকৰণৰ শিক্ষাৰ প্ৰয়োজনীয়তা

ড° পাৰুল দাস
শিক্ষা বিভাগ
সুৰেন দাস কলেজ, হাজো

জীৱন-শৈলী হৈছে এনেকুৱা এবিধ কৌশল বা কাৰ্যদক্ষতা বঢ়োৱা ব্যৱস্থা,যিটো ব্যৱস্থাৰ দ্বাৰা ব্যক্তিয়ে নিজৰ জীৱন কালৰ যিকোনো কাম কলা-সন্মত ভাৱে কৰিবলৈ সক্ষম হৈ উঠে। এনেধৰণৰ কলাসুলভ জীৱন পৰিচালনাৰ দ্বাৰা প্ৰতিজন ব্যক্তিয়ে সাৰ্থক আৰু সফল জীৱন-যাপনৰ মাদকতা অনুভৱ কৰে। প্ৰতিজন ব্যক্তিৰে জীৱনশৈলী পৰিয়ালৰ নিয়ম,সামাজিক মানদণ্ড আৰু জাতিগত আশা-আকাংক্ষাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা দেখা যায়। সাধাৰণতে,প্ৰতিজন ব্যক্তিয়ে পৰিৱেশ আৰু পৰিৱেশ সৃষ্টি কৰোঁতাৰ ধ্যান-ধাৰণাৰে জীৱন পৰিচালনাৰ নীতিয়ে প্ৰতিজন ব্যক্তিকে সমাজত সৌহাদ্যপূৰ্ণ জীৱন-যাপনৰ ব্যৱস্থাপনা দিয়ে। পৰিৱেশ ৰচনা কৰোঁতাৰ দৃষ্টিভংগী আৰু পৰিচালনাৰ শুদ্ধ ব্যৱস্থাপনা হয় এইক্ষেত্ৰত প্ৰতিজন ব্যক্তিৰে ইতিবাচক জীৱনশৈলী মানি চলাৰ পাথেয়। সেয়েহে,ইতিবাচক জীৱনশৈলীৰ আদৰ্শ,শুদ্ধ নিৰ্দেশনা,সু-পৰিচালনাৰ অভিজ্ঞতা প্ৰতিজন শিশুকে দিব পৰাৰ ব্যৱস্থা কৰা অতি প্ৰয়োজনীয় বিষয়।

এনেবিলাক দৃষ্টিকোণৰ পৰা প্ৰতি গৰাকী শিশুকে শুদ্ধ জীৱন-শৈলীৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা বিশেষভাৱে উল্লেখনীয় হৈ পৰে। এইক্ষেত্ৰত সমাজৰ প্ৰতিজন জ্ঞানী-গুণী ব্যক্তিয়ে ইতিবাচক জীৱন-শৈলীৰ দক্ষতা নামক শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন অনুভৱ কৰে। ১৯৯৪ চনত সমাজবিজ্ঞানী হেন্ড্ৰিক্‌চে (Hendriek) TLS (Targeting Life skill ) নামক এটা চানেকী (Model) উলিয়াইছিল ।এই চানেকীটোত তেওঁ "4 H " অৰ্থাৎ Heart (অন্তৰ), Hand (হাত), Head (মস্তিষ্ক) আৰু Health (স্বাস্থ্য) এই চাৰিটা দিশৰ সৈতে সম্পৰ্কীত বিভিন্ন মানবীয় গুণৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ "জীৱন-শৈলীৰ-শিক্ষা" নামক পদ্ধতিৰ ক্ষেত্ৰত এনেদৰে কৈছিল—"জীৱন-শৈলীৰ-শিক্ষাই ব্যক্তিক সামাজিক জীৱনত ফলদায়ক ভাৱে কাম কৰাৰ পূৰ্ণ আৰু সুসংহত বিকাশৰ সুবিধা দান কৰে।"(Life-skill-Education facilitates a complete and integrated development of individuals to function effectively as social beings.) জীৱন-শৈলীৰ বিকাশৰ ক্ষেত্ৰত বিশ্বস্বাস্থ্য সংস্থা(WHO) ই এনেদৰে মন্তব্য দাঙি ধৰিছিল যে,"জীৱন-শৈলীৰ বিকাশ হৈছে ব্যক্তিৰ সমযোজনৰ যোগ্যতা আৰু ইতিবাচক আচৰণৰ কাৰ্য,যিটোৱে প্ৰত্যেকজন ব্যক্তিকে দৈনন্দিন জীৱনৰ চাহিদা আৰু প্ৰত্যাহ্বানৰ সৈতে ফলদায়ক সম্পৰ্ক স্থাপনত সহায় কৰে।"(Life-skills have been defined by the world Health organization as abilities for adaptive and positive behaviour that enable individuals to deal effetively with the demands and challenges of every-day life.)

এনেদৰে, দৈনন্দিন জীৱনৰ চাহিদা পূৰণ কৰি ইতিবাচক জীৱন যাপনৰ সুবিধা দান কৰা বিষয় হিচাপে জীৱন-শৈলীৰ দক্ষতা অৰ্জনৰ সৈতে শিক্ষা কাৰ্যক ওতঃপ্ৰোত ভাৱে জড়িত কৰাৰ প্ৰয়োজনীয়তাৰ সৃষ্টি হৈছে

। শিক্ষাই ব্যক্তিক দৈনন্দিন জীৱনৰ বিভিন্ন সৰু-বৰ সমস্যা আৰু প্ৰত্যাহ্বান সমূহৰ সৈতে মোকামিলা কৰি সদৰ্থক দৃষ্টিভঙ্গীৰে কোনোধৰণৰ হিংসা-দ্বেষ,কাজিয়া-পেচালৰ সন্মুখীন নোহোৱাকৈ জীৱন পৰিচালনাৰ বিভিন্ন উপায়,নিৰ্দেশনা দিয়ে। এনেধৰণৰ ইতিবাচক ব্যৱস্থাৱলী আমাৰ বাবে হৈ পৰে জীৱন-শৈলীৰ দক্ষতা অৰ্জনৰ সু-বন্দোৱস্ত। উদাহৰণ স্বৰূপে, আমাৰ শিক্ষাৰ্থী সকলে প্ৰায়ে আমাৰ বৰ্হি পৰীক্ষা সমূহত নকল আদি কৰিবলৈ চেষ্টা কৰে। এইক্ষেত্ৰত,আমাৰ কৰ্তৃপক্ষ তথা শিক্ষক সকলে শিক্ষাৰ্থীসকলৰ নকল কৰাৰ কাৰণ সমূহ বিচাৰি উলিয়াই শ্ৰেণী আৰম্ভ হোৱা দিনৰে পৰা শ্ৰেণীত শিক্ষাৰ্থীসকল উপস্থিত থকা, শিক্ষকৰ পৰা পাঠ্যক্ৰমৰ বিষয় ভালদৰে শিকি লোৱা, পাঠ্যপুথি সমূহ উপযুক্ত সময়ত ক্ৰয় কৰি প্ৰতিদিনে নিৰ্দিষ্ট সময়ত পঢ়াৰ অভ্যাস কৰা, পঢ়া অভ্যাস গঢ়াৰ বাবে অভিৰুচিত(motivated) কৰা আদি কাৰ্য কৰা উচিত।

শিক্ষক সকলেও প্ৰতিদিনে শ্ৰেণী সমূহত উপস্থিত থাকি শিক্ষাৰ্থীক প্ৰয়োজন অনুপাতে শিক্ষা দিয়াৰ অভ্যাস গঢ়ি তোলা উচিত। এনেবিলাক ব্যৱস্থাৰ ফলত শিক্ষাৰ্থী সকলে নকল কৰা অভ্যাস পৰিহাৰ কৰিব। এনেধৰণৰ ব্যৱস্থাৱলী হ'ব পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হোৱাৰ দক্ষতা বৃদ্ধিৰ অনুশীলন পৰিক্ৰমা। বিভিন্ন বিষয়ৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰা, শিক্ষানুষ্ঠানৰ নীতি-নিয়ম নিষ্ঠাৰে পালন কৰাৰ ব্যৱস্থা কৰাৰ ওপৰত শিক্ষানুষ্ঠান সমূহে গুৰুত্ব দান কৰা উচিত। আনুষ্ঠানিক শিক্ষাৰ কৰ্তৃপক্ষই বিভিন্ন জীৱনকৌশলৰ দক্ষতা বিকাশৰ নীতি-নিয়ম সৃষ্টিকৰা আৰু অভ্যাস গঠনৰ প্ৰক্ৰিয়া হাতত লোৱাৰ ক্ষেত্ৰত অভিভাৱক সকলৰ সৈতে যোগাযোগ স্থাপন কৰা অতি গুৰুত্বপূৰ্ণ দিশ । শিক্ষাৰ্থীৰ জীৱন-কৌশলৰ দক্ষতা বিকাশৰ পৰিক্ৰমা সমূহ সম্পূৰ্ণ মনো-দৈহিক আচৰণৰ দ্বাৰা পৰিচালিত হয়। এই মনোদৈহিক আচৰণ সমূহ আকৌ আমাৰ পৰিয়াল, সমাজত সৃষ্টি হোৱা মূল্যবোধ সমূহৰ দ্বাৰা পৰিচালিত হয়। আমাৰ প্ৰত্যেকৰে মনত সৃষ্টি হোৱা মানৱতা, দয়া,ক্ষমা,হিংসা-দ্বেষহীন মনোভাৱ,দুৰ্নীতি প্ৰতিৰোধ,সহযোগিতা,সহমৰ্মিতা আদি মূল্যবোধ সমূহ পৰিয়াল সমাজ ইত্যাদিৰ পৰায়ে গঢ়ি উঠে। এই গুণবোৰৰ যিমানে বিকাশ হয় সিমানে ব্যক্তি এজন উচ্চ সংস্কৃতিবান হৈ উঠে । উচ্চ পৰ্যায়ৰ সংস্কৃতিবান ব্যক্তি এজনৰ জীৱনশৈলী ইতিবাচক ভাৱে পৰিচালনা কৰাৰ দক্ষতাও বেছি হয়। তেওঁ উচ্চমানৰ জীৱন-যাপনৰ পৰিকল্পনা কৰে। বহুতে ভাবিব পাৰে যে অৰ্থনৈতিকভাৱে শক্তিশালী হ'লে বা অৱস্থাপন্ন হলেই ব্যক্তি এজন সংস্কৃতিবান হ'ব। কিন্তু এই কথা শুদ্ধ নহয়। সংস্কৃতি হৈছে উচ্চমানৰ মানসিক চিন্তাৰ দ্বাৰা কৰ্ষণ হৈ গঢ় লৈ উঠা বিষয়। মুঠতে,জীৱন -শৈলীৰ ইতিবাচক দক্ষতা উন্নয়নৰ সৈতে আমাৰ আচৰণ সমূহৰ উন্নয়ন সম্পৰ্কীত হৈ আছে। যেতিয়াই আমি সকলো দিশতে ইতিবাচক আচৰণ প্ৰদৰ্শন কৰিবলৈ লওঁ তেতিয়াই আমাৰ সমাযোজনৰ দক্ষতা বাঢ়ি যায়।

জীৱনশৈলীৰ দক্ষতা বৃদ্ধিৰ সৈতে প্ৰতিফলিত বা চিন্তা প্ৰসূত আচৰণৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। প্ৰতিফলিত বা চিন্তাপ্ৰসূত আচৰণৰ কেইটামান উল্লেখযোগ্য দিশ আছে। যেনে—

গভীৰ চিন্তাৰ দ্বাৰা সমস্যা সমাধানৰ দক্ষতা বৃদ্ধি;
সমালোচনাত্মক চিন্তাৰ দক্ষতা বৃদ্ধি;
ইজনৰ সৈতে সিজনৰ মিলামিচাৰ দক্ষতা বৃদ্ধি ইত্যাদি।
এই সমূহ দিশৰ উন্মেষণৰ দ্বাৰা ব্যক্তিৰ সাৰ্থক ,ফলপ্ৰসূ জীৱন যাপনৰ সুযোগ বৃদ্ধি হয়।

**জীৱন-শৈলীৰ দক্ষতা বৃদ্ধিৰ শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

শিশুৰ ব্যক্তিত্বৰ পূৰ্ণবিকাশ আৰু স্বাস্থ্যৰ উন্নীতকৰণৰ ক্ষেত্ৰত জীৱন কৌশল বিকাশৰ শিক্ষাৰ প্ৰয়োজনীয়তা ব্যক্তিৰ তথা সমাজৰ উন্নতিৰ সৰ্বত্তম শক্তি। দৃঢ়তা মানে ব্যক্তিৰ নিষ্ঠা আৰু কঠোৰ মনোবল। সহিষ্ণুতা আৰু দৃঢ়তাৰ শেষ নাই, সিদ্ধান্ত অলৰ-অচৰ।

জীৱন-কৌশলৰ শিক্ষাই স্বাস্থ্যজনিত কৌশলসমূহ





আয়ত্বকৰণত গুৰুত্ব আৰোপ কৰে। ব্যক্তিৰ স্বাস্থ্যজনিত কৌশলক দুইভাগত ভগাব পাৰি। যেনে— ক। ব্যৱহাৰিক কৌশল আৰু খ। শৰীৰক সুস্থ ৰখাৰ কৌশল।

ব্যৱহাৰিক কৌশল হৈছে- হস্তশিল্পৰ শিক্ষা, আৰ্থিক স্বাৱলম্বনৰ শিক্ষা, ব্যৱসায়িক যোগ্যতা অৰ্জনৰ শিক্ষা ইত্যাদি। ব্যৱহাৰিক কৌশলৰ সফলতা অৰ্জন কৰিবৰ বাবে প্ৰত্যেকজন ব্যক্তিয়ে বিভিন্ন জীৱন-কৌশলৰ অভ্যাস কৰা উচিত। যেনে- কামৰ প্ৰতি দায়বদ্ধতা অৰ্জন, নিয়মানুবৰ্তিতা পালন, প্ৰয়োজনীয় আনুগত্যতা প্ৰদৰ্শন, কৰ্তব্যৰ প্ৰতি নিষ্ঠাবান হোৱা ইত্যাদি। ঠিক তেনেদৰে, শাৰীৰিক সুস্থতা ৰক্ষা কৰাৰ ক্ষেত্ৰটো আমি কিছুমান অতি প্ৰয়োজনীয় জীৱন-কৌশল আয়ত্ব কৰা উচিত। শাৰীৰিক সুস্থতাৰ জীৱন-কৌশলসমূহক তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিব পাৰি। সেইবোৰ হৈছে— পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰা, অধিক ভোজন নকৰা, নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থকা, সোনকালে শোৱা, সোনকালে উঠা, যোগ অভ্যাস কৰা, গান শুনাৰ অভ্যাস কৰা, জীৱনৰ প্ৰতি ক্ষেত্ৰত ইতিবাচক মনোভাৱ গঢ়ি তোলা ইত্যাদি।





ওপৰত আলোচনা কৰা জীৱন-কৌশলৰ বিভিন্ন দিশসমূহৰ আয়ত্বকৰণৰ ক্ষেত্ৰত শিশুসকলক অনানুষ্ঠানিক শিক্ষা, আনুষ্ঠানিক শিক্ষাৰ দ্বাৰা পৰিকল্পিতভাৱে প্ৰশিক্ষিত কৰাৰ দৰকাৰ। এই ক্ষেত্ৰত চৰিত্ৰ গঠন, সাফল্যৰ অদম্য স্পৃহা, অভিৰোচন, কষ্ট-সহিষ্ণুতা আদি গুণৰ অধিকাৰী কৰিবৰ বাবে আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন স্তৰ সমূহত শিক্ষা দিয়াৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজনীয় বিষয়। মুঠতে, শিক্ষা হ'ব লাগে স্বামী বিবেকানন্দৰ ভাষাত— 'শিশুৰ জন্মগত প্ৰতিভাসমূহ পূৰ্ণতাৰ স্পষ্ট প্ৰকাশ।' (Education is the manifestation of perfection already in men.)

# বিশ্ব পাৰিপাৰ্শ্বিকতা আৰু সজাগতা

ডঃ বীণাপাণি তালুকদাৰ
সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

আমাৰ সৌৰজগতখনৰ ভিতৰত পৃথিৱীয়েই এনে এটা ক্ষুদ্ৰ গ্ৰহ য'ত বায়ু, পানী, গছ-গছনি, জীৱ-জন্তু বিদ্যমান। প্ৰাকৃতিক ভাৰসাম্য থকা পৃথিৱীখনত মানুহ এনে এটা জীৱ, যিয়ে নিজৰ স্বাৰ্থৰক্ষাৰ বাবে প্ৰতিদিনে পৰিবেশ বিনষ্ট কৰাত আগভাগ লৈ আহিছে। ফলস্বৰূপে পৃথিৱীৰ উপৰিভাগ অভ্যন্তৰ আৰু বায়ুমণ্ডল প্ৰদুষিত হৈ ক্ৰমান্বয়ে জীৱকুল তথা মানুহ বসবাসৰ অনুপযোগী হৈ পৰিছে। পৰিবেশ হৈছে বায়ু, পানী আৰু মাটিৰ সমষ্টি তথা মানুহ আৰু অন্যান্য সজীৱ প্ৰাণী আৰু সম্পদ আদিৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ। পৰিবেশ হৈছে বিভিন্ন প্ৰকৃতিৰ অনবদ্য সৃষ্টি আৰু মানুহে কৰা কেতবোৰ কাৰ্য্যৰ সংলগ্ন এক অৱস্থা। অতীতত মাটি, পানী, বন-জংগল আদিৰ পৰিসৰ বেছি থকা বাবে, মানুহৰ কৃতকাৰ্যৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত পৰা নাছিল। প্ৰকৃতিৰ ভাৰসাম্যতা নষ্ট নোহোৱাকৈয়ে মানুহ আৰু জগতত পৰিবেশৰ বেয়া প্ৰভাৱ পৰা নাছিল। জীৱজগত আৰু প্ৰকৃতি এই তিনিওটাৰ সম্বন্ধ অতি প্ৰাচীন আৰু তিনিওটা পৰিবেশৰ সমতাৰ ওপৰতে নিৰ্ভৰশীল। দেখা যায় যে মানুহে পৰিবেশৰ নতুন নতুন সমস্যা সৃষ্টি কৰিছে। ভূমিকম্প, আগ্নেয়গিৰি, অনাবৃষ্টি, অতিবৃষ্টি আদিৰ ওপৰত মানুহৰ নিয়ন্ত্ৰণ নাথাকে। কিন্তু মানুহে সৃষ্টি কৰা পৰিবেশ, মানুহৰ নিয়ন্ত্ৰণৰ ভিতৰত। জনসংখ্যা বিস্ফোৰণ, বেদখল আৰু অন্যান্য আৰ্থ-সামাজিক পৰিস্থিতিৰ বাবে সমগ্ৰ বিশ্বতে মানুহৰ দ্বাৰ বননি ধ্বংস হ'বলৈ ধৰিছে। বাসস্থান সংকুচিত হোৱা বাবে বনৰীয়া জীৱ-জন্তু, জন-বসতিপূৰ্ণ অঞ্চললৈ আহি মৃত্যু মুখত পৰিছে। খাদ্যৰ বাবে মানুহ আৰু হাতী, বান্দৰ আদিৰ মাজত সংঘাত আৰম্ভ হৈছে। পৰিবেশ প্ৰদূষণৰ সমস্যা প্ৰধানকৈ তিনিটা কাৰণত হ'ব পাৰে, যেনে- সম্পদৰ অৱক্ষয়, পৰিবেশ প্ৰদূষণ আৰু অতি প্ৰয়োজন।

পৰিৱেশৰ আন এটা সমস্যা হ'ল বায়ু, পানী আৰু মাটিৰ প্ৰদূষণ। গতিকে দেখা যায় যে জল-বায়ুৰ পৰিবৰ্তন পৃথিৱী মানুহ, জীৱ-জন্তুৰ বাবে এক গুৰুত্বপূৰ্ণ বিষয়। গোলকীয় উষ্ণতা আৰু জলবায়ুৰ পৰিবৰ্তনৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ বিষয়ে বৰ্তমান গোটেই বিশ্বতে চৰ্চাৰ বিষয় হৈ পৰিছে। পৃথিৱীজুৰি জলবায়ুৰ পৰিবৰ্তন আৰু গোলকীয় উত্তাপ বৃদ্ধিয়ে এক উৎকণ্ঠাৰ সৃষ্টি কৰিছে। গতিকে অতি সোনকালে প্ৰতিখন দেশ, প্ৰতিজন মানুহে এই কথাবোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ সকলোৱে আগবাঢ়ি আহিলে জীৱজন্তু আৰু জগত নিশ্চয় ৰক্ষা কৰিব। নানা দেশ নানা জাতিৰ মতৰ অমিল হ'লেও এই ক্ষেত্ৰত ঐক্যমতত উপনীত নহ'লে মানৱ সভ্যতা ৰক্ষা কৰা কঠিন হ'ব। জলবায়ু পৰিবৰ্তনৰ প্ৰধান কাৰণ হ'ল গোলকীয় উত্তাপ বৃদ্ধি। পৃথিৱীপৃষ্ঠৰ বায়ুৰ গড় উষ্ণতা হ'ল ২৫° চেলচিয়াছ। বায়ুমণ্ডলৰ নিম্নস্তৰত কাৰ্বন ডাই অক্সাইড মিথেন, জলীয় বাষ্প, নাইট্ৰাছ অক্সাইড, অ'জন আদি গেছ নথকা হ'লে পৃথিৱী পৃষ্ঠৰ উষ্ণতা ১৮° হ'লহেতেন। গোলকীয় উত্তাপ বৃদ্ধিত অৰিহণা যোগোৱা প্ৰধান গেছবোৰ হ'ল— ১। জলীয় বাষ্প ২। কাৰ্বন ডাই-অক্সাইড ৩। মিথেন গেছ ৪। নাইট্ৰাছ অক্সাইড ৫। অজ'ন গেছ। বৰ্তমান জধে মধে বনাঞ্চল ধ্বংস আৰু প্ৰাকৃতিক সম্পদ লুণ্ঠন কৰা হৈছে। উদ্যোগীকৰণৰ বাবে গ্ৰীন হাউচ গেছৰ মাত্ৰা বঢ়োৱাৰ ফলত পৃথিৱীৰ উত্তাপ ক্ৰমান্বয়ে বাঢ়িব ধৰিছে। গছ-গছনি কমি আহিছে, অৰণ্যৰ পৰিধিও ক্ৰমাৎ কমি আহিছে। বননি ধ্বংসৰ পৰিণাম হ'ল আবতৰীয়া বানপানী, ভূমিকম্প, জলবায়ুৰ পৰিবৰ্তন, জীৱজন্তুৰ সংকুচিত বিচৰণ আৰু জীৱৰ অবলুপ্তি ইত্যাদি।





বৰ্তমান সমগ্ৰ বিশ্বতে কল কাৰখানা,প্ৰযুক্তিত নতুন বিপ্লৱ আহিলেও অন্য দিশে জীৱ আৰু জগতৰ প্ৰতি ক্ৰমাগত ভাবুকিৰ সৃষ্টি হৈছে। কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা কাৰ্বন মনোক্সাইড,যান বাহনৰ পৰা নিৰ্গত হোৱা ধোৱা বাষ্প,জীৱাশ্ম ইন্ধন দহন আদিৰ পৰা নিৰ্গত হোৱা বিষাক্ত পদাৰ্থই বায়ুমণ্ডলক প্ৰদূষিত কৰি তুলিছে। বৰ্তমান মানৱ সমাজত আটাইতকৈ ক্ষয়ংকাৰী প্ৰভাৱটো হৈছে বায়ু প্ৰদুষণ। বায়ু অবিহনে জীৱকুল জীয়াই থকাটো অসম্ভৱ। বায়ুত মিশ্ৰিত অৱস্থাত থকা ৰংহীন,গেছহীন এই বিষাক্ত দ্ৰব্য ভাগেই হৈছে কাৰ্বন মনোক্সাইড। গেছলিনভিত্তিক বিভিন্ন ইঞ্জিনৰ পৰা নিৰ্গত হোৱা এই বিধ গেছেই বায়ুমণ্ডলক বিশেষভাৱে ক্ষতিসাধন কৰি আহিছে। কয়লাৰ দহনেও সৃষ্টি কৰে এই বিধ গেছৰ। ৰাসায়নিক সাৰৰ ব্যৱহাৰ, কীটনাশক, পতংগ নাশক দ্ৰব্যৰ অধিক ব্যৱহাৰৰ ফলত পানীৰ প্ৰদূষণ ঘটে। লগতে অন্যান্য গেছৰো বৃদ্ধি হোৱা দেখা যায়। মানৱ সমাজৰ কৃতকৰ্মৰ পৰিণতিতেই আজি মাত্ৰাধিক ভাৱে আমাৰ জলভাগ প্ৰদূষিত হৈছে। এই প্ৰদূষণ আৰু পানীৰ তাপ প্ৰয়োগৰ পৰিণতিত আজি বিশ্বৰ জনসাধাৰণে এটুপি খোৱা পানীৰ সংকটত ভুগিবলগীয়া পৰিৱেশৰ সূচনা হৈছে। মানুহেই কৃষি, বাসস্থান, উদ্যোগীকৰণ, নগৰীকৰণৰ নামত ব্যাপক হাৰত প্ৰাকৃতিক সম্পদ বিশেষকৈ বনাঞ্চল ধ্বংস কৰাৰ পৰিণতিত বৰষুণৰ পৰিমাণ হ্ৰাস পাই জীপাল মাটিও মৰুভূমিলৈ পৰিবৰ্তিত হৈছে। বছৰি বৃদ্ধি পাইছে প্ৰকৃতি ধ্বংসৰ মাত্ৰা। পৰিৱেশ সম্বন্ধীয় সকলোবোৰ সমস্যাৰ মূল কাৰণ হৈছে জনবিস্ফোৰণ। জনসংখ্যা বৃদ্ধিয়ে পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলায়। ইয়াৰ বিপৰীতে অৰণ্যৰ গছ কাটি কৃষিভূমি বৃদ্ধি কৰাৰ লগতে মাটিৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰৰ প্ৰয়োগ কৰা হয়। সাৰ ব্যৱহাৰ কৰা পথাৰৰ পানী বাগৰি গৈ নদী,জান আদিৰ পানী দূষিত কৰি বেমাৰৰ সৃষ্টি কৰে । গোলকীয় উ০ ঁতাৰ ফলত প্ৰতিবছৰে বহুতো মানুহৰ মৃত্যু হৈছে আৰু বহুতো মানুহে বেমাৰত ভুগিব লগীয়া হৈছে। জলবায়ু পৰিবৰ্তনৰ বাবে প্ৰতিবছৰে বহুতো মানুহ বানপানীত গৃহহাৰা, গৰমত মৃত্যুবৰণ কৰা পৰিলক্ষিত হৈছে। গৰমত ম'হ মাখিৰ উৎপাদন বৃদ্ধি হয় আৰু ইয়াৰ দ্বাৰা বিয়পা বেমাৰ মেলেৰিয়া ডেংগু আদিৰ সৃষ্টি হয়। বৰষুণৰ পৰিমাণ বৃদ্ধি হ'লে বানপানী আদি বেছি হয়। ফলত নদী নৰ্দমা পানীৰে ভৰি পৰে আৰু ইয়াৰ ফলত পানীৰ পৰা হোৱা নানা ৰোগৰ সৃষ্টি হয় । গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে গোটেই পৃথিৱীতে জলবায়ু বিশেষভাবে প্ৰভাবান্বিত হৈছে। অকল প্ৰকৃতিৰ ওপৰতে নহয় মানৱ জীৱনৰ ওপৰতো ইয়াৰ কুফল পৰিছে। অতিমাত্ৰা তাপ বৃদ্ধিৰ প্ৰথম আৰু প্ৰধান কাৰণ হৈছে কাৰ্বন-ডাই-অক্সাইড। গতিকে যি উৎসৰ পৰা এই গেছ নিৰ্গত হয় তাক বন্ধ কৰিবলৈ আমি ঐক্যবদ্ধ সংগ্ৰাম আৰু আঁচনি গ্ৰহন কৰিব লাগিব।

পৰিবেশৰ সমস্যা আৰু সমস্যাসমূহৰ নিয়ন্ত্ৰনত শিক্ষাৰ প্ৰয়োজনীয়তা অপৰিসীম। পৰিবেশৰ বিভিন্ন সমস্যা যেনে- বিশ্বৰ জৈৱ বৈচিত্ৰতাৰ ক্ষতি সাধন শক্তি সম্পদৰ হ্ৰাস, বিশ্বৰ উষ্ণতা বৃদ্ধি, অজ'ন স্তৰৰ অৱক্ষয়, সেউজ গৃহৰ প্ৰভাৱ, জলবায়ুৰ পৰিবৰ্তন আদিৰ প্ৰতি লক্ষ্য ৰাখি স্কুলীয়া স্তৰৰ পৰা উচ্চ পৰ্য্যায়লৈ পৰিবেশ বিষয়সমূহৰ জ্ঞান প্ৰণালীবদ্ধ ভাবে প্ৰদান কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। প্ৰাৰম্ভিক স্তৰৰ পৰাই পৰিবেশ অধ্যয়নৰ বিভিন্ন পাঠ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰি শিক্ষাৰ্থীৰ মনত সচেতনতাৰ ভাব সৃষ্টি কৰিব পাৰি। পৰিবেশৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে শিক্ষানুষ্ঠান সমূহত সামাজিক বনানিকৰণৰ দৰে কাৰ্যসূচীৰ ব্যৱস্থা কৰিব লাগে। মানৱ জাতিৰ অস্তিত্ব আৰু সুৰক্ষা কিদৰে জড়িত হৈ আছে তাক উপলব্ধি কৰোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মনত আইনী ব্যৱস্থা সম্পৰ্কে সজাগ কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। প্ৰদুষণত আক্ৰান্ত হোৱা অঞ্চলত ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষ অনুসন্ধানৰ বাবে নিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে পৰিবেশ অৱনতিৰ কাৰণ সমূহ উদ্ঘাটন কৰিব পৰা যায়। সমগ্ৰ বিশ্বতে ৫ জুন তাৰিখটো বিশ্ব পৰিবেশ দিবস হিচাপে পালন কৰা হয়। পুথৱীত মানৱ জাতিৰ ভবিষ্যৎ সুনিশ্চিত কৰিব লাগিলে সকলো

জনসাধাৰণক পৰিবেশীয় সজাগতা আৰু শিক্ষা প্ৰদান কৰিব লাগিব।

বেচৰকাৰী আৰু স্বেচ্ছাসেৱী সংস্থাসমূহে পাৰিপাৰ্শ্বিক সজাগতা বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই সংস্থাসমূহে পৰিবেশ ৰক্ষাৰ বাবে জনসজাগতা সৃষ্টিৰ উদ্দেশ্যে সজাগতা অভিযান আৰু আন্দোলন গঢ়ি তুলিব পাৰে। ভাৰতবৰ্ষৰ 'চিপকো আন্দোলন' আৰু 'নৰ্মদা বচাও আন্দোলন' Bombay Natural History society (BNHS),WWF. India, centre for science and environment (cse) আৰু আন বহুতো সংস্থাই পাৰিপাৰ্শ্বিক সজাগতা বিকাশৰ ক্ষেত্ৰত প্ৰভাৱশালী ভূমিকা পালন কৰি আহিছে। NGO সমূহে অনানুষ্ঠানিক আৰু অগতানুগতিক পদ্ধতিৰ মাধ্যমত সকলো শিক্ষক শিক্ষাৰ্থী,যুৱক-যুৱতী আৰু শিক্ষিত তথা অশিক্ষিত সমজুৱাৰ মাজত পাৰিপাৰ্শ্বিক সজাগতা বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। পৰিবেশ সংৰক্ষণ সম্বন্ধে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আইনৰ ব্যৱস্থাবোৰ এই সংস্থাবোৰে জনসাধাৰণক ভালদৰে বুজাই দিব পাৰে আৰু জনসাধাৰনক অধিক সচেতন কৰি তুলিব পাৰে। পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰত ব্যক্তিয়ে গুৰুত্বপূৰ্ণ অৰদান আগবঢ়াব পাৰে। বৰ্তমান বেছিভাগ পাৰিপাৰ্শ্বিক সমস্যা মানুহৰ দ্বাৰা সৃষ্টি হৈ আহিছে। সেয়েহে এনে সমস্যা সমূহ সমাধান কৰাৰ ক্ষেত্ৰত প্ৰতিজন ব্যক্তিয়ে পৰিবেশৰ প্ৰতি ইতিবাচক মনোভাৱ, নৈতিক মূল্যবোধ, সহনশীলতা মনোভাৱ প্ৰদৰ্শন কৰা উচিত। পৰিবেশ সুৰক্ষিত হ'লেহে জীৱ আৰু জগত সুৰক্ষিত হ'ব। আমাৰ ভৱিষ্যৎ নৱপ্ৰজন্ম সুৰক্ষিত হ'ব। গতিকে মানৱ সভ্যতা ৰক্ষাৰ বাবে জৈৱ বৈচিত্ৰ্য ৰক্ষা কৰা আমাৰ প্ৰত্যেকৰে নৈতিক দায়িত্ব।

পাৰিপাৰ্শ্বিক সজাগতা মানে হ'ল ব্যক্তি আৰু সমাজক পৰিবেশ সম্পৰ্কীয় বিভিন্ন অভিজ্ঞতা আহৰণ কৰা,পৰিবেশৰ অৰ্থ সম্পৰ্কীয় মৌলিক বোধৰ বিকাশত সহায় কৰা আৰু পৰিবেশৰ সমস্যাসমূহ উপলব্ধি কৰাত সহায় কৰাৰ প্ৰক্ৰিয়া। সেয়েহে পাৰিপাৰ্শ্বিক সমস্যা সমূহৰ সমাধানৰ বাবে পাৰিপাৰ্শ্বিক সজাগতা অতি প্ৰয়োজনীয় আৰু সকলো পৰ্য্যায়ৰ শিক্ষাতে পাৰিপাৰ্শ্বিক বোধ আৰু সজাগতাৰ পাঠৰ অন্তৰ্ভূক্তি অপৰিহাৰ্য্য। বৰ্তমান পাৰিপাৰ্শ্বিক সজাগতাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অনুষ্ঠিত পৰিবেশ বিষয়ক আলোচনা চক্ৰ আৰু সন্মিলন সমূহে পাৰিপাৰ্শ্বিক সজাগতা বিকাশৰ বাবে পৰিবেশ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ক্ষেত্ৰভিত্তিক আৰু ব্যৱহাৰিক শিক্ষাৰ মাজেৰে শিক্ষাৰ্থীসকলক পৰিবেশ সংৰক্ষন মূলক কাৰ্য্যত জড়িত কৰিব পাৰিলে মানুহৰ পৰিবেশৰ ভাৰসাম্য আৰু গুণগত মানদণ্ড বজাই ৰখাটো সম্ভৱপৰ ব'ব। জনসজাগতা অভিযানসমূহে পৰিবেশ আৰু প্ৰাকৃতিক সম্পদসমূহৰ অৱস্থা,বিকাশমূলক কাৰ্য্যসমূহৰ পৰিবেশৰ ওপৰত পৰা প্ৰভাৱ আৰু পৰিবেশ আৰু প্ৰকৃতি ৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰনৰ ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰত চৰকাৰৰ পৰিবেশ আৰু বন মন্ত্ৰনালয়ে আনুষ্ঠানিক শিক্ষাত পাৰিপাৰ্শ্বিক শিক্ষাৰ অন্তৰ্ভূক্তিৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগ,ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ,মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় ,সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদৰ সহযোগীতাৰ ভিত্তিত ভাৰতবৰ্ষৰ আনুষ্ঠানিক শিক্ষাৰ সকলো পৰ্যায়তে বাধ্যতামূলক ভাবে পাৰিপাৰ্শ্বিক শিক্ষা অন্তৰ্ভূক্ত হৈছে। জনসংখ্যা বৃদ্ধি আৰু পৰিবেশ প্ৰদূষণ সমগ্ৰ বিশ্বৰ বাবে এটা অন্যতম প্ৰধান সমস্যাত পৰিণত হৈছে। পৰিবেশ সংৰক্ষণত জন সচেতনতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। চৰকাৰী পৰিবেশক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰী পদক্ষেপেই যথেষ্ট নহয় ইয়াৰ বাবে জনসাধাৰণৰ সহযোগীতাও সমানেই প্ৰয়োজনীয়। জনসাধাৰণৰ মাজত পৰিবেশীয় সচেতনতা বিয়পাব লাগে। তাৰবাবে সকলোৰে আশাশুধীয়া প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব, অন্যথা এনে আঁচনি কেতিয়াও সফল হোৱাটো সম্ভৱ নহব। পৰিবেশ সজাগতা সৃষ্টিৰ হকে সমাজৰ ভিন্ন স্তৰৰ লোক বিশেষকৈ শিক্ষক-





শিক্ষয়ত্ৰী, শিল্পী-সাহিত্যিক, অভিনেতা, ৰাজনীতিবিদ, সমাজকৰ্মী, অধিবক্তা, বেচৰকাৰী সংস্থা, সংগঠন আদিৰ দায়িত্ব যথেষ্ট গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত দৃশ্য-শ্ৰব্য মাধ্যম সমূহেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে? সুস্থ,সুন্দৰ পৰিবেশ সকলোৰে বাবে আনন্দৰ উৎস ।সেয়েহে পৰিবেশ ৰক্ষা কৰাৰ ক্ষেত্ৰত সকলোৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে ।প্ৰকৃতি সুস্থ সবল হৈ থাকিলেহে মানুহ আৰু অন্যান্য প্ৰকৃতি সুস্থ সবল হৈ থাকিব। পাৰিপাৰ্শ্বিক শিক্ষাই প্ৰয়োজনীয় জ্ঞান, অভিজ্ঞতা প্ৰদান কৰে। মানুহ আৰু প্ৰকৃতিৰ মাজত এটা বন্ধুত্বপূৰ্ণ, সু-সামঞ্জস্য সম্পৰ্ক ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰোৱাৰ ক্ষেত্ৰত পাৰিপাৰ্শ্বিক শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ।





# সততা আৰু সফলতা

ড° ৰীপিমা বুজৰবৰুৱা



সততা হৈছে মানুহৰ এটা চাৰিত্ৰিক বৈশিষ্ট্য। মানুহৰ চিন্তা, অনুভৱ, মানসিকতা আৰু মূল্যবোধে চৰিত্ৰৰ গঢ় দিয়ে আৰু বিভিন্নজনৰ লগত কৰা আচৰণত সেয়া প্ৰকাশ পায়। মিছা কথা নোকোৱা, আনৰ অন্যায় নকৰা আৰু আনক প্ৰতাৰণা নকৰাই প্ৰধানতঃ সততাৰ বৈশিষ্ট্য। মানুহৰ জীৱনৰ প্ৰত্যেক স্তৰতে প্ৰতিটো ক্ষেত্ৰতে সততাৰ মূল্য আছে। ব্যক্তিগত জীৱন, বৃত্তিগত জীৱন আৰু ৰাজহুৱা জীৱনৰ প্ৰতি ক্ষেত্ৰতে সততাৰ গুৰুত্ব আছে।

শ্ৰীমদ্ভগবদ্‌গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল।

*সদ্ভাৱে সাধুভাৱে চ সদিত্যেতৎ প্ৰযুজ্যতে।*
*প্ৰশস্তে কৰ্মণি তথা সচ্ছব্দ ঃ পাৰ্থ-যুজ্যতে।।*

অৰ্থাৎ

*(হে পাৰ্থ। সদ্ ভাৱত আৰু সাধুভাৱত*
*সৎ শব্দ প্ৰযোজ্য হয়।*
*ইয়াৰ উপৰিও মঙ্গলজনক কৰ্মত*
*সৎ শব্দ ব্যৱহৃত হয়।)*

গতিকে সৎ শব্দৰ লগত সজ চিন্তা আৰু সজ কৰ্মৰ কথা জড়িত হৈ থাকে। চিন্তা আৰু কৰ্মৰ পবিত্ৰতাই সততাৰ জন্ম দিয়ে।

বৰ্তমান বিশ্বায়নৰ যুগত ভোগসৰ্বস্ব বস্তুবাদী সমাজ ব্যৱস্থাত বেছিভাগ ক্ষেত্ৰত দেখা যায় যে মানুহে ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে অন্যায় আৰু প্ৰতাৰণাৰ আশ্ৰয় লয়। বহুতো ছাত্ৰ-ছাত্ৰীয়ে অসৎ পন্থা অৱলম্বন কৰি পৰীক্ষাত ভাল ফল দেখুৱাবলৈ চেষ্টা কৰে। অধিক লাভ উপাৰ্জন কৰিবলৈ ব্যৱসায়ীয়ে বস্তু ভেজাল কৰে, অধিক উপাৰ্জনৰ বাবে একাংশ বিষয়া কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতিনিধিয়ে উৎকোচ গ্ৰহণ কৰে আৰু বিভিন্ন কেলেংকাৰীত লিপ্ত হয়, এক শ্ৰেণীৰ শিক্ষকে পৰীক্ষাৰ আগতেই প্ৰশ্ন কাকত ফাদিল কৰে, চিকিৎসকে অংগ-প্ৰত্যংগৰ ব্যৱসায় কৰে আৰু ৰোগীৰ জীৱনক লৈ হেতালী খেলে, অভিযন্তাই পথ, দলং, মাথাউৰি, গৃহ নিৰ্মাণ কাৰ্যত গাফিলতি কৰে। খেলুৱৈয়ে সফলতা লাভৰ আশাত বিধি বহিৰ্ভূত শক্তিবৰ্দ্ধক ঔষধ সেৱন কৰে, ক্ৰিকেটাৰে বল টেম্পাৰিং কৰে আৰু মেটচ্ ফিক্সিং কৰে, সাংবাদিকে মিছা বাতৰি প্ৰচাৰ কৰি সস্তীয়া জনপ্ৰিয়তা লাভৰ চেষ্টা কৰে, এনে ধৰণৰ বাতৰিৰে সংবাদ মাধ্যমৰ শিৰোনাম ভৰি থাকে। এনে কাৰ্যবোৰৰ কোনো এটা ক্ষেত্ৰতেই সাধাৰণীকৰণ কৰিব পৰা নাযায়, কিন্তু একাংশৰ এনে কাৰ্যই শ্ৰেণীটোৰ বা বৃত্তি টোৰ বাবেই অসন্মান কঢ়িয়াই আনে আৰু সামগ্ৰিকভাৱে সমাজ, জাতি আৰু দেশক বিকাশৰ পৰিৱৰ্তে অৱক্ষয়ৰ দিশলৈ পৰিচালিত কৰে।

জন এম.হান্টচমেন আছিল আমেৰিকাৰ এগৰাকী বিশ্ববিখ্যাত ব্যৱসায়ী, যাৰ নাম ফৰ্বচৰ আমেৰিকাৰ আটাইকৈ সম্পদশালী ব্যক্তিসকলৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল। তেওঁ তেওঁৰ জীৱনটোক আৰু সৌভাগ্যক





নৈতিকতাৰ ওপৰত ভিত্তি কৰি গঢ় দিছিল। তেওঁৰ বিখ্যাত 'Winners Never Cheat' গ্ৰন্থ খনত তেওঁ বৰ্ণনা কৰিছিল যে কেৱল সফলতা অৰ্জন কৰিবলৈ মানুহে নীতিত চলিব নালাগে, সেইবোৰ শুদ্ধ সেইবাবেহে সদায় মানি চলিব লাগে। তেওঁৰ মতে শিশুকালতে শিক্ষা লাভ কৰা মূল্যবোধ ব্যৱসায়ত কাৰ্যকৰী কৰিব লাগে। সফলতা লাভ কৰিবলৈ কঠিন হ'ব লাগে, প্ৰতিযোগীৰ মনোভাৱ থাকিব লাগে, কৰি থকা কামটোত সৰ্ব শক্তি প্ৰয়োগ কৰিব লাগিব- কিন্তু এই সকলোবোৰ ন্যায়সঙ্গতভাৱে , সৎ ভাবে কৰিব লাগে। মূল্যবোধসমূহ শিশুকালতে ঘৰত, খেল পথাৰত, শ্ৰেণী কোঠাত শিকা যায় যদিও ইয়াৰ অৰ্থ এনে নহয় যে সেইবোৰ কেৱল শৈশৱতহে প্ৰয়োজন আৰু পিছৰ জীৱনত ইয়াৰ কোনো প্ৰয়োজন নাই। প্ৰকৃততে এই মূল্যবোধসমূহে ব্যক্তিক সততাৰে সফলতা লাভ কৰাৰ পথেৰে পৰিচালিত কৰে। হান্টচমেনে যদিও ব্যৱসায়ৰ ক্ষেত্ৰখনৰ বাবে তেওঁৰ মতামত ব্যক্ত কৰিছিল, তথাপিও সেয়া প্ৰকৃততে সকলোৰে ক্ষেত্ৰত সমানে প্ৰযোজ্য হয়।

হান্টচমেনৰ মতে, এজন মানুহ খৃষ্টিয়ান, ইহুদী, বৌদ্ধ, মুছলমান বা হিন্দু যিয়েই নহওক লাগিলে শৈশৱতেই তেওঁক শিকোৱা হয় যে তেওঁ মিছা কথা ক'ব নালাগে কাৰণ পৰিণাম ভয়াবহ হয়। আমাৰ প্ৰত্যেকৰে ভিতৰত বিবেকৰ কম্পাচ একোডাল থাকে, যিডাল পিতৃ-মাতৃ, পৰিয়ালৰ আন সদস্য, শিক্ষক আৰু বন্ধুবৰ্গৰ পৰা লাভ কৰা নিৰ্দিষ্ট নিৰ্দিষ্ট দিশত পৰিচালিত হয়। সেইবাবে প্ৰত্যেকৰে ভাল বেয়া বিচাৰ কৰিব পৰা সামৰ্থ্য থাকে আৰু এই সামৰ্থ্যক কেতিয়াও আওকাণ কৰিব নালাগে। আইনে আমি কি কৰিব লাগিব কি কৰিব নালাগিব সেই কথা নিৰ্দেশ কৰে। কিন্তু নৈতিকতাই আমি কি কৰা উচিত সেয়া নিৰ্দেশ কৰে। এই নিৰ্দেশ মানি লাভ কৰা সফলতাৰ প্ৰধান উপাদান সমূহ হৈছে সাহস, লক্ষ্য, দূৰদৰ্শিতা, সুযোগ, বিপদৰ সন্মুখীন হোৱাৰ সামৰ্থ্য, পৰিশ্ৰম, ত্যাগ, দক্ষতা, নিয়মানুবৰ্তিতা, সততা। এই উপাদান বোৰৰ কেতিয়াও সলনি নহয়। যিয়ে প্ৰতাৰণা কৰে তেওঁলোকৰ সফলতা স্থায়ী নহয় আৰু সহজতে পতন হয়। সেই বাবে কোনো এটা কাম কৰাৰ আগেয়ে বা সিদ্ধান্ত গ্ৰহণ কৰাৰ আগেয়ে বিবেকৰ কম্পাচে কি নিৰ্দেশ কৰে সেয়া শুনিব লাগে আৰু সেই অনুসৰি আগবাঢ়িব লাগে। যদি ব্যক্তি এজনৰ দক্ষতা আৰু মেধা থাকে, তেওঁ যদি পৰিশ্ৰমী হয় আৰু মূল্যবোধসমূহ মানি চলে, তেওঁ সফলতা অৰ্জন কৰিবই আৰু সুখী হ'বই। কিন্তু অসৎ পন্থা অৱলম্বন কৰি সফলতা অৰ্জনৰ ক্ৰমবৰ্দ্ধমান তাড়নাই সমাজক দুৰ্বল কৰি কলুষিত কৰি পেলাইছে। গান্ধীজীয়েও তেওঁৰ জীৱনত, উদ্দেশ্য আৰু ইয়াত উপনীত হোৱা উপায় বা কৌশল, এই দুয়োটাৰে ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ মত প্ৰকাশ কৰিছিল যে সৎ উপায়েৰেহে সৎ লক্ষ্যত উপনীত হব পৰা যায়। অপৱিত্ৰ উপায়ে লক্ষ্যকো অপৱিত্ৰ কৰি তোলে। ১৯৪৭ চনৰ ১৩ জুলাই তাৰিখে হৰিজন কাকতত তেওঁ লিখিছিল- "Impure means result in an impure end... one cannot reach truth by untruthfnlness. Truthful conduct alone can reach truth ...Harbour impurity of mind or body and you have untruth and violence within you." গান্ধীজীৰ দৰেই, প্ৰখ্যাত ইংৰাজী লিখক আৰু দাৰ্শনিক অল্ডাচ্ হাক্সলিয়ে তেওঁৰ ১৯৩৭ চনত প্ৰকাশিত গ্ৰন্থ "Ends and Means"— অত লিখিছিল, "Good ends can be achieved only by the employment of approprite means. The end cannot justify the means, for the simple and obvious reason that the means employed determine the nature of the ends produced." গতিকে অসৎ উপায় অৱলম্বন কৰি লাভ কৰা সফলতা বা উপনীত হোৱা লক্ষ্যও কলুষিত হৈ পৰে। লক্ষ্য বা উদ্দেশ্যৰ প্ৰকৃতি সেয়া লাভ কৰিবলৈ অৱলম্বন কৰা উপায় বা কৌশলৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়।

সাম্প্ৰতিক সময়ত এনে উক্তিসমূহৰ প্ৰাসঙ্গিকতা যথেষ্ট বাঢ়ি আহিছে। কিয়নো বৰ্তমান বস্তুবাদী আৰু ভোগবাদী সমাজত অসৎ উপায় অৱলম্বন কৰি সফলতা লাভ কৰা বা লক্ষ্যত উপনীত হোৱা প্ৰৱণতা ক্ৰমাৎ বৃদ্ধি পাই অহা পৰিলক্ষিত হয়। এনেদৰে অসৎ উপায় অৱলম্বন

কৰি সফলতা লাভ কৰা লোকসকল সমাজ আৰু দেশৰ বাবে ক্ষতিকাৰক। বিশেষকৈ পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰি কৃতকাৰ্য হৈ যোগ্যতা নথকাকৈ পদৱীত অধিষ্ঠিত হোৱা লোকসকল নিজৰ, পৰিয়ালৰ, সমাজৰ আৰু লগতে ৰাষ্ট্ৰৰ বাবেও বিপদজনক। এই ক্ষেত্ৰত দক্ষিণ আফ্ৰিকাৰ বিশ্ববিদ্যালয় এখনৰ মূল গেটত লিখা থকা উক্তি এটা প্ৰণিধানযোগ্য–

"Destroying any nation does not require the use of atomic bombs or the use of long range missiles. It only requires lowering the quality of education and allowing cheating in the examinations by the students.*

Patients die at the hands of such doctors;

Buildings collapse at the hands of such engineers;

Money is lost at the hands of such economists and accountants;

Humanity dies at the hands of such rcligious Scholars;

Justice is lost at the hands of such Judges…

*The collapse of education is the collapse of nation."

ইংৰাজীত এষাৰ কথা কোৱা হয়, "As you sow, so you reap"। গতিকে বেয়া কাম কৰি আমি ভাল ফল আশা কৰিব নোৱাৰো। ভাৰতীয় দৰ্শনৰো মূল বিষয়বস্তু একেটাই, যে কৰ্ম অনুসৰি ফল প্ৰাপ্তি হয়। আইনষ্টাইনৰ Law of Motion- অৰ তৃতীয় সূত্ৰই - "Every action has an equal and opposite reaction" - এ আমাক একে কথাকে সোঁৱৰায়। বহু ক্ষেত্ৰত বেয়া কৰ্মৰ সাময়িক বা তাৎক্ষণিক ফল ভাল যেন লাগিলেও বা সৎ কৰ্মৰ বাবে হাৰাশাস্তি বা বেয়া ফল হোৱা যেন লাগিলেও প্ৰকৃততে কৰ্ম অনুসৰি ফল হোৱা দেখা যায় আৰু এটা সময়ত কাম অনুসৰি ফল ভোগ কৰিবলগীয়া হয়। মানুহৰ জীৱনৰ একোটা বিশেষ সফলতা বা অসফলতাই জীৱনৰ সামগ্ৰিক সফলতা বা বিফলতা নিৰ্দ্ধাৰণ নকৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এসময়ৰ উপৰাষ্ট্ৰপতি এল গৰে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পৰাজিত হৈছিল। কিন্তু তাৰ পিছত তেওঁ শান্তিৰ নবেল বঁটা পাবলৈ সক্ষম হৈছিল। আনহাতে নিক্সনে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈয়ো ৱাটাৰগেট কেলেংকাৰিৰ বাবে ৰাষ্ট্ৰপতি পদৱী হেৰুৱাবলগীয়া হৈছিল। গতিকে এনে ধৰণৰ কথাবোৰ, অৰ্থাৎ একোটা সফলতা বা বিফলতাই মানুহৰ জীৱনৰ সফলতা বা বিফলতাৰ নিৰ্ণায়ক নহয় বা সৎ উপায় অৱলম্বন কৰি অৰ্জন কৰা সফলতাহে স্থায়ী আৰু সন্মানজনক আদিয়ে জীৱনত পথভ্ৰষ্ট নহৈ সন্মানজনক ভাৱে আগবাঢ়ি যাবলৈ উপযুক্ত পথ প্ৰদৰ্শন কৰিব পাৰে। সফলতাৰ বাবে কোনো চমু পথ নাই– এই কথা উপলব্ধি কৰি সততাক সফলতাৰ সাঁচাৰ কাঠি হিচাপে গ্ৰহণ কৰিলে তেনে সফলতাই নিজৰ লগতে দেশ আৰু দহৰ বাবেও গ্ৰহণযোগ্য হ'ব আৰু আটাইকে উপকৃত কৰিব।❖





# ড° নগেন শইকীয়াৰ একক সৃষ্টি মিত-ভাষ

ড° লোপা বৰুৱা
( প্ৰাক্তন উপাধ্যক্ষা,সুৰেন দাস কলেজ)

'মিত-ভাষ' অসমীয়া সাহিত্য জগতৰ এক অন্যতম সংযোজন। গদ্যত ৰচিত হ'লেও,এই শ্ৰেণীৰ সাহিত্যক কবিতাৰে এটা প্ৰকাৰ বুলিব পাৰি। অসমীয়া সাহিত্য জগতৰ অন্যতম পুৰোধা ড° নগেন শইকীয়া স্বকীয় বৈশিষ্ট্যসম্পন্ন এইবিধ সাহিত্যৰ স্ৰষ্টা। নতুন দৈনিক,সূত্ৰধাৰ,প্ৰকাশ,প্ৰান্তিক,শ্ৰীময়ী আদিত প্ৰকাশিত এইবিধ কাব্যধৰ্মী সাহিত্য পৰৱৰ্তী সময়ত গ্ৰন্থাকাৰে প্ৰকাশ পায়। ইতিমধ্যে এইজনা বৰেণ্য পণ্ডিতৰ দুখন পুথিযোগে প্ৰায় তিনিশটা মিত-ভাষ সংৰক্ষিত হৈছে। তাৰে এখনৰ নাম মিত-ভাষ (১৯৯৫) আৰু আনখন স্বপ্ন-স্মৃতি-বিষাদ (১৯৯৭)। প্ৰথমখন ১২৭টা নিৰ্বাচিত মিত-ভাষৰ সংকলন; আনহাতে দ্বিতীয় সংকলনটিত বাকীখিনি মিত-ভাষক স্থান দিয়া হৈছে। অধুনা পৰ্যন্ত শইকীয়া ডাঙৰীয়াৰ মিত-ভাষসমূহ হিন্দী, বাংলা, নেপালী আৰু ওড়িআ ভাষালৈ অনুদিত হৈছে। এনে অনুবাদ কাৰ্যই প্ৰমাণ কৰে যে এইবিধ গদ্যধৰ্মী কাব্যধাৰাই যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। কাব্যমোদী পাঠক সমাজক এই গদ্যধৰ্মী কবিতাবিধে দিছে এক নতুন অনুভৱ, নতুন স্বাদ।

মিত-ভাষৰ সৃষ্টিত এটি বিশেষ ঘটনা জড়িত হৈ থকাৰ কথা জনা যায়। ৰচক শইকীয়া ডাঙৰীয়া আছিল ৰাজ্যসভাৰ সদস্য। তেখেতৰ কাৰ্যকাল শেষ হৈছিল ১৯৯২ চনৰ ২ এপ্ৰিল তাৰিখে। সংসদীয় সমিতিয়ে অন্যান্য সদস্যসকলৰ সৈতে ডঃ শইকীয়াৰো বিদায় উপলক্ষ্যে সেই চনৰ ২৬ মাৰ্চ তাৰিখে এখন সভাৰ আয়োজন কৰিছিল। উক্ত সভাত তেওঁক এটা Short speech দিবলৈ কোৱা হৈছিল। সংসদ ভৱনৰ পৰা বিদায় লোৱাৰ সেই মুহূৰ্তত বক্তৃতাৰ পৰিৱৰ্তে শইকীয়া ডাঙৰীয়াই ছটা 'মিত-ভাষ' ইংৰাজীলৈ অনুবাদ কৰি Short speech নাম দি পাঠ কৰিছিল আৰু তেনেদৰে নিজৰ মনৰ অনুভৱ দাঙি ধৰিছিল। শইকীয়াৰ এই গদ্যধৰ্মী কাব্যিক অনুভৱে সেই সময়ত তাত উপস্থিত থকা আটাইৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। তৎকালীন ৰাজ্যসভাৰ অধ্যক্ষা ডঃ নাজমা হেপাতুল্লাই হেনো 'ডঃ শইকীয়া ই মন বেয়া কৰি দিলে' বুলি মন্তব্য দিছিল। আন এগৰাকী সাংসদ, প্ৰসিদ্ধ বিজ্ঞানী অধ্যাপক M.G.K. Menon- এ মন্তব্য দি হেনো লিখিছিল 'I found it highly sensitive and asking very basic questions of a deep philosophical nature'। মিত-ভাষবোৰ যে দাৰ্শনিক প্ৰকৃতিৰ সেই কথা উক্ত মন্তব্যষাৰে প্ৰমাণ কৰে।

মিত-ভাষৰ দৰে গদ্যধৰ্মী কবিতাৰ ধাৰা বিশ্ব-সাহিত্যত বিৰল নহয়। সকলোৰে জনা কথা যে, ৰুছ সাহিত্যিক আইভান টুৰ্গেনেভে দুৰাৰোগ্য ৰাজহাড়ৰ কৰ্কট ৰোগত ভুগি যন্ত্ৰণাৰ মাজতো সৃষ্টি কৰিছিল কাব্যিক অনুভূতিৰে সিক্ত এক ভিন্নধৰ্মী গদ্য-পদ্যময় ৰচনা। পৰৱৰ্তী সময়ত টুৰ্গেনেভৰ সেই ৰচনা বিশ্ব সাহিত্যত কথা-কবিতা (poems in prose) ৰূপে জনাজাত হৈছিল। স্বাভাবিকতে সেয়া আছিল সেই সময়ৰ এক কলাত্মক কাব্যিক অভিব্যক্তি। কথা কবিতাৰ উপৰি উৰ্দু ভাষাৰ শায়েৰী,জাপানী হাইকু বা হুক্কু,লেবাননৰ কবি খলিল জিব্ৰানৰ দাৰ্শনিক ভাৱৰ কবিতা আদিক এক কথাত মিত-

ভাষ বুলিব নোৱাৰিলেও,তাৰ সমপৰ্যায়ৰ বুলি ক'ব পাৰি।

সি যি কি নহওক, মিত-ভাষ অসমীয়া কাব্য-জগতৰ যে এক অনন্য গদ্যধৰ্মী কাব্যধাৰা তাত সন্দেহৰ অৱকাশ নাই। এই প্ৰসঙ্গত মিত-ভাষৰ স্ৰষ্টাগৰাকীৰ নিম্নোক্ত মন্তব্যবাৰি প্ৰণিধানযোগ্য ঃ " ইয়াক প্ৰথাগত কোনোটো ধাৰাতে পেলাব নোৱাৰি। সেয়ে তাৰ নাম 'মিত-ভাষ'— চমু কথাৰে মোৰ অনুভৱ প্ৰকাশৰ বাট। ইংৰাজীত নাম দিলো short expression।"

মিত-ভাষ স্ৰষ্টাৰ জীৱন জিজ্ঞাসাৰ অনবদ্য প্ৰকাশ। প্ৰায়বোৰ 'ভাষ'ৰ মাজেৰে প্ৰকাশিত হৈছে জীৱনৰ অনিত্যতা,ক্ষণভঙ্গুৰতা। সৃষ্টি আৰু ধ্বংসৰ চিৰন্তন সত্যৰ সমুখত অসহায় মানৱাত্মাৰ আত্মসমৰ্পণৰ কাৰুণ্যই আনি দিয়া তীব্ৰ বিষাদবোধ ইয়াৰ মূল উপজীব্য। আন কথাত ঐহিক জীৱনৰ অৰ্থহীনতা মিত-ভাষৰ ঘাই বিষয়বস্তু। জীৱনৰ গূঢ় ৰহস্যৰ সন্ধানত ব্যাকুল কবিয়ে চৌপাশে মাথোন প্ৰত্যক্ষ কৰিছে মানুহৰ চৰম পৰাজয়, ব্যৰ্থতা। তলত উল্লেখ কৰা 'মই আকাশৰ ফালে চাওঁ' শীৰ্ষক মিত-ভাষটিয়ে তাৰ প্ৰমাণ দাঙি ধৰিব ঃ

মই আকাশৰ ফালে চাওঁ—বিস্তৃতি আৰু গভীৰতাৰ কোনো উমান নাপাওঁ। মই অতীতৰ
অন্ধকাৰ আৰু ভৱিষ্যতৰ অন্ধকাৰলৈ চাওঁ — মই কোনো উমান নাপাওঁ। মই এই ব্যৰ্থতাত
কাতৰ হওঁ আৰু কালৰ প্ৰতাৰণাত হতাশ হওঁ । ব্যৰ্থতাৰ কাতৰতা,প্ৰতাৰণাৰ হতাশা আৰু
পৰাজয়ৰ বিষাদত মই বুৰ যাওঁ।

গোপন ব্যাধিৰ দৰে এনে বিষাদ আৰু ব্যৰ্থতাই সকলো সময়তে মানুহক পীড়া দি থাকে যদিও, সেই দুখবোধ যেন মানুহে লুকুৱাই ৰাখিব খোজে। মানুহৰ জীৱনৰ চৰম ট্ৰেজেদিও সেইটোৱে। জীৱন জিজ্ঞাসাৰ এনে ভাষিক প্ৰকাশৰ মুহূৰ্তত কবিৰ অনুভৱ এনে ধৰণৰঃ 'লিখিবৰ সময়ত মই কলমটো হৃদয়ত জুবুৰিয়াই লওঁ। সেইবাবেইটো মোৰ কলমৰ আগেদি টোপটোপকৈ চকুপানী সৰে'। প্ৰকৃতপক্ষে এনে বিষাদ-বীক্ষাৰ ভাষিক প্ৰকাশেই কবিৰ'মিত-ভাষ'। গভীৰ জীৱনবোধ অবিহনে এনে অকপট স্বীকাৰোক্তি এক প্ৰকাৰ অসম্ভৱ কথা।

'মিত-ভাষ'ৰ প্ৰতিটো 'ভাষ'তে কবিৰ অভিজ্ঞতা তথা অনুভৱ ব্যক্ত হৈছে প্ৰথম পুৰুষত। ইয়াৰ বক্তাগৰাকী সমগ্ৰ মানৱ-জাতিৰ প্ৰতিভূ। কাৰণ সকলো মানুহেই জীৱদ্দশাত এনে অভিজ্ঞতাৰ মুখামুখি হয়। সেয়ে,মিতভাষ বোৰৰ মাজেৰে ধ্বনিত প্ৰতিধ্বনিত হৈছে সমগ্ৰ মানৱ হৃদয়ৰ সুখ আৰু দুখৰ এক বিশ্বজনীন সুৰ। 'সকলোবোৰ সুৰৰ স্পন্দন স্থিৰ শীৰ্ষক মিত-ভাষটি তাৰেই উজ্জ্বল উদাহৰণ ঃ

সকলো সুৰৰ স্পন্দন স্থিৰ হৈ যায়— সকলো গীতৰ ক'লি নিৰৱ হয়—সকলো নিৰ্যাস হয়
অন্তৰ্হিত। এনে সময় সদায় আহে। সমুখত পৰি থাকে অন্তহীন বালিৰ চৰ—চকুৱে মণিব
পৰালৈকে কেৱল বালি আৰু বালি। জীৱনৰ সীমা ভাঙি বালিৰ চৰ এনেকৈয়ে বাঢ়ি গৈ থাকে—গৈ
থাকে।







নকলেও চলে, মিত-ভাষবোৰ কৰুণ ৰসেৰে সিক্ত। মূল সুৰ কল্যানৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও, ঠায়ে ঠায়ে ভুমুকি মৰা আশাবাদৰ ৰেঙণিয়ে ইয়াক অধিক মৰ্যদাসম্পন্ন কৰি তুলিছে। আশাই মানুহৰ অন্তৰত জীয়াই থকাৰ হেঁপাহ জন্মায়, সপোন দেখাৰ সুযোগ দিয়ে। সেই সপোনে চিন্তালৈ ৰূপান্তৰিত হয় আৰু চিন্তাই নতুন সৃষ্টিত অৰিহণা যোগায়। সুখ-দুখ, হাঁহি-অশ্ৰু, বিৰহ-মিলন, প্ৰাপ্তি-অপ্ৰাপ্তি,সৃষ্টি-ধ্বংস আৱাহণ-বিসৰ্জন, জন্ম-মৃত্যু ইত্যাদি মানৱ-জীৱনৰ সমস্ত বিষয়সমূহৰ সমাহাৰ মিত-ভাষাত পৰিব্যাপ্ত হৈ আছে। এনে কাৰণতে মিত-ভাষবোৰে পাঠকৰ হৃদয় বিষাদ আৰু আনন্দৰ মাধুৰ্যেৰে পৰিপূৰ্ণ কৰি তোলে।



মিত-ভাষ সকলো প্ৰকাৰৰ কাব্যিক গুণেৰে সুসমৃদ্ধ। চিত্ৰকল্প আৰু প্ৰতীকৰ অপূৰ্ব সমাহাৰে ইয়াক নিয়ৰসিক্ত শেৱালীৰ দৰে মধুময় কৰি তুলিছে। 'জোনাক সোমাবলৈ' মিত-ভাষটিত তেনে চিত্ৰকল্প আৰু প্ৰতীকৰ সমাহাৰ লক্ষ্য কৰিব পাৰি ঃ

জোনাক সোমাবলৈ মই ঘৰৰ বেৰবোৰ খুলি থৈছিলোঁ। সোমাই আহিল আন্ধাৰ ৰাতি তৰাঁহী সাপ।
মোৰ মজিয়াত সি এতিয়া কুণ্ডলী পকাই জোনাক পৰা ঠাইতে শুই আছে।

তদুপৰি উপমা, ৰূপক আদি অলঙ্কাৰৰ সুপ্ৰয়োগ, ব্যঞ্জনাধৰ্মী গুণে এইবোৰক অনন্য মাত্ৰা প্ৰদান কৰিছে। এইবোৰত প্ৰয়োগ হোৱা প্ৰতিটো শব্দই যেন কঢ়িয়াই আনিছে কবিগৰাকীৰ তেজত নিহিত হৈ থকা হুমুনিয়াহৰ গোন্ধ। আৰু ছবিবোৰৰ মাজত মিত-ভাষটি তাৰ অন্যতম উদাহৰণঃ

মই শব্দ আৰু ছবিবোৰৰ মাজত টোপনি যাওঁ আৰু সাৰ পাই থাকোঁ। মোৰ নিদ্ৰা আৰু জাগৰণত
কেৱল সিহঁত। সিহঁত মোৰ দুখ আৰু সুখৰ সহচৰ। সিহঁতে আন্ধাৰতো মোক লগ এৰা নিদিয়ে।

তদুপৰি, সিবোৰৰ ধ্বনি ব্যঞ্জনাই বহন কৰিছে সুৰ সন্ধানী কবিগৰাকীৰ সুৰৰ প্ৰতি থকা অনুৰাগৰ সাক্ষ্য। কবিয়ে যেন শব্দৰ ধ্বনি-ব্যঞ্জনাৰ মাজেৰে সন্ধান কৰিছে হৃদয়ৰ কস্তুৰী। এক কথাত মিত-ভাষত আছে জীৱন আৰু জগতৰ তত্ত্ব-সন্ধান,কবি হৃদয়ৰ বিষাদবোধৰ তীব্ৰতা। মুঠতে সামগ্ৰিক বিচাৰত শইকীয়া ডাঙৰীয়াৰ অমৰ সৃষ্টি মিত-ভাষ সকলো প্ৰকাৰৰ নান্দনিক গুণেৰে সুসমৃদ্ধ। প্ৰথম শাৰীটোৰ প্ৰতিটো মিত-ভাষ নামাংকিত কৰাটো এইবোৰৰ আন এক বৈশিষ্ট্য।

মিত-ভাষক গদ্য-কাব্যৰ এক বিশেষ ধাৰা বুলি অভিহিত কৰিব পাৰি। মিত-ভাষ নামেৰে এই কাব্যধাৰাটিক নামকৰণ কৰা হৈছে যদিও,প্ৰকৃতপক্ষে সকলো কবিৰ কাব্যকৰ্ম কবি-জীৱনৰ এক ধৰণৰ মিত-ভাষ। এক কথাত কবিতা হ'ল জীৱনৰ মিত-ভাষ।❖

# নাৰীবাদৰ উৎস আৰু সাম্প্ৰতিক সময়

চাহনোৱাজ আহমেদ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

আজি বিশ্বৰ চৌদিশে নাৰীবাদ আৰু নাৰীমুক্তিৰ সন্দৰ্ভত এটা প্ৰৱল আৰু শক্তিশালী চেতনা গা কৰি উঠিছে। প্ৰকৃততে নাৰীবাদ আৰু নাৰীমুক্তি কি? এই বিষয়ে বিভিন্ন মতবাদ শুনিবলৈ পোৱা যায়। ইংৰাজী শব্দ 'ফেমিনিজম'ৰ প্ৰতিশব্দ নাৰীবাদ। নাৰীবাদীসকলে সমাজত নাৰীৰ স্থান, সন্মান আৰু মৰ্যদা বিচাৰি বিভিন্ন চিন্তা চৰ্চা কৰিছে। সাধাৰণ মানুহৰ ধাৰণা নাৰীবাদীসকল পুৰুষবিদ্বেষী। আচলতে নাৰীবাদ মানৱতাবাদৰে এটা শাখা।

মানৱ সমাজৰ আৰম্ভণিতে নাৰী-পুৰুষৰ মাজত কোনো বিশেষ বৈষম্য নাছিল। প্ৰাক্-ঐতিহাসিক যুগত নাৰীয়ে পুৰুষৰ সমানে মৰ্যদা লাভ কৰিছিল বুলি ক'ব পাৰি। মাতৃপ্ৰধান সমাজ ব্যৱস্থাটো উৎপাদন ক্ষেত্ৰত নাৰীৰ কৰ্তত্ব আছিল অধিক। কিন্তু পশু পালনৰ যুগ অহাৰ লগে লগে উৎপাদনৰ ওপৰত পুৰুষৰ কৰ্তৃত্ব বাঢ়ি গল। সম্পত্তিৰ অধিকাৰ পুৰুষৰ হাতলৈ আহিল। এনেদৰে ক্ৰমশঃ পুৰুষকেন্দ্ৰিক সমাজ অথবা পুৰুষকেন্দ্ৰিক পৰিয়াল প্ৰথা গঢ় লৈ উঠিবলৈ ধৰিলে। পৰৱৰ্তী কালত নাৰীক গৃহ পৰিচাৰিকা হিচাবে পুৰুষৰ মাজলৈ ঠেলি দিয়া হ'ল। এইদৰে যুগ যুগ ধৰি পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীক একমাত্ৰ ভোগৰ সামগ্ৰী আৰু সন্তান উৎপাদন কৰা যন্ত্ৰ হিচাবেই ব্যৱহাৰ কৰি অহা হৈছে। নাৰী হৈ পৰিল সমাজত দ্বিতীয় লিংগ হিচাবে প্ৰতিষ্ঠিত।

সমাজক প্ৰেম আৰু ভালপোৱাৰ একত্ৰিত কৰিবলৈ নাৰীয়ে সৃষ্টিৰ পাতনিৰে পৰাই অহৰহ চেষ্টা কৰি আহিছে। নাৰীসকলে স্বকীয়তা বজাই আত্মমৰ্যাদাৰে জীয়াই থাকিবলৈ সংগ্ৰাম কৰিব লগা হৈছে। কেৱল নাৰীবাদীসকলেই নহয় বিশ্বৰ গুণী-জ্ঞানী আৰু চিন্তাশীল পুৰুষসকলে যোৱা দুই তিনি শতাব্দী জুৰি নাৰীক মুক্ত কৰিবলৈ চেষ্টা কৰাৰ পিছতো ভালেমান ক্ষেত্ৰত তেওঁলোকৰ অৱস্থাৰ অৱনতিহে হৈ থকা পৰিলক্ষিত হৈছে।

নাৰীবাদৰ জন্ম আধুনিক মানৱ সভ্যতাৰ ইতিহাসত এক অভূতপূৰ্ব ঘটনা। নাৰীবাদৰ চিন্তা আৰম্ভ হয় যোল্ল শতিকাৰ ইউৰোপৰ ৰেনাঁছা যুগৰ দাৰ্শনিক আৰু চিন্তাশীল পণ্ডিতসকলৰ মাজত। ১৭৯০ চনত সৰ্বপ্ৰথম প্ৰকাশিত ফৰাচী দাৰ্শনিক কডচৰ গ্ৰন্থ Admission of Women to full citizenship ৰ পাছতে ইংলেণ্ডৰ জন ল'কৰ গ্ৰন্থ Second Treatise of Government প্ৰকাশিত হোৱাত নাৰী-পুৰুষৰ মৰ্যাদাৰ প্ৰশ্নটো উত্থাপিত হয় আৰু নাৰীবাদী চিন্তাধাৰাৰ বিকাশ ঘটে। উনবিংশ শতিকাৰ মাজ মানৰ পৰা নাৰীৰ মৰ্যাদা আৰু অধিকাৰৰ এক শক্তিশালী আন্দোলন গঢ়ি উঠে। তেতিয়াৰ পৰা নাৰীবাদী সাহিত্য বিশ্ববাসীৰ মাজত দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। নাৰীবাদ সমগ্ৰ বিশ্বজুৰি এটা সামাজিক আন্দোলন হিচাবে বিকশিত হ'বলৈ ধৰে। নাৰীবাদৰ ধাৰণাক চিন্তাবিদসকলে তিনিটা শাখাত ভাগ কৰিছে। ভাগকেইটা হ'ল— ক) ব্যক্তিবাদী নাৰীবাদ খ) সমাজবাদী নাৰীবাদ আৰু গ) মৌলবাদী নাৰীবাদ।

ব্যক্তিবাদী নাৰীবাদৰ ম'তে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত সকলো ব্যক্তিৰে সমান অধিকাৰ আছে। ১৭৬০ চনৰ পৰা ১৭৯০ চনৰ সময়ছোৱাত ইংলেণ্ডত যেতিয়া সংসদত অধিক গণতান্ত্ৰিকীকৰণৰ দাবী উঠিছিল তেতিয়া মেৰী ৱালষ্টন ক্ৰাফটে নাৰীৰ অধিকাৰৰ প্ৰশ্নটো উত্থাপিত কৰিছিল। ৱালষ্টন ক্ৰাফটে নাৰীবাদৰ প্ৰেৰণা লাভ কৰে আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ফৰাচী বিপ্লৱৰ পৰা। ১৭৯২ চনত মেৰী ৱালষ্টন ক্ৰাফটে A vindication of the right of women গ্ৰন্থত নাৰীৰ সামাজিক অৱস্থাৰ বিষয়ে লিখিছিল। সেয়া আজিও প্ৰযোজ্য হৈ আছে। তেওঁৰ মতে নাৰী প্ৰথমতে যৌনসত্তা নহয়, মানৱ সত্তাহে। সেয়ে এওঁলোক পুৰুষৰ দৰে মানৱীয় জীৱ।

ৱালষ্টন ক্ৰাফটে বিশ্বাস কৰিছিল যে নাৰী মুক্তিবাদী হোৱাটো প্ৰথম কৰ্তব্য। নাৰীক শিক্ষা, স্বাধীনতা আৰু যথোপযুক্ত সুবিধা প্ৰদান কৰিলে, নাৰীৰ মাজত থকা সৃজনীশীল আৰু ৰুচিসম্পন্ন ব্যক্তিত্ব গঢ় লোৱাত সহায় হ'ব। তেতিয়াই তেওঁ ফ্ৰান্সৰ জাতীয় সংসদত সহ শিক্ষাৰ দাবী উত্থাপন কৰিছিল। তেওঁৰ মতে নাৰী মুক্তি পাবলৈ হ'লে— ক। নাৰীয়ে সম্পত্তিৰ অধিকাৰ পাব লাগিব। খ। উপযুক্ত শিক্ষা লৈ নাৰীয়ে উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ব লাগে আৰু বিবাহত আবদ্ধ হ'লেও পুৰুষৰ ওপৰত নিৰ্ভৰশীল হ'ব নালাগে। গ। পৰিয়ালৰ অৰ্থনৈতিক দায়বদ্ধতা পুৰুষ-নাৰী উভয়েই যেতিয়াই মুৰ পাতি ল'বলৈ সক্ষম হ'ব, তেতিয়া বিবাহিত জীৱনত কোনেও কাৰো অধীনত থাকিব নালাগিব।

১৮৬৯ চনত জন ষ্টুৱাৰ্ট মিলে ব্যক্তিবাদী নাৰীবাদৰ প্ৰতি অনুপ্ৰাণিত হৈ ৰচনা কৰিলে The subjection of women। তেওঁ লিখিছে বিবাহে একমাত্ৰ ক্ষেত্ৰ য'ত আইন সংগত ৰূপত, দাস প্ৰথা জীয়াই আছে। তেওঁৰ মতে নাৰীক সম্পত্তিৰ অধিকাৰ আৰু উপাৰ্জনৰ অধিকাৰ দিয়া উচিত। নাৰীৰ অৰ্থনৈতিক স্বাধীনতা নাই বাবেই পুৰুষৰ দাসত্ব স্বীকাৰ কৰিব লগা হয়।

ভাৰতৰ নাৰীবাদী চিন্তাৰ বিকাশ হৈছিল পাশ্চাত্যৰ উদাৰনৈতিক আদৰ্শ গ্ৰহণ কৰা কেইগৰাকীমান ভাৰতীয় সংস্কাৰক, ৰাজনীতিজ্ঞ আৰু জনদিয়েক বৃটিছ শাসকৰ উদ্যোগত। বেণ্টিংকৰ সহযোগত সংস্কাৰক ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদিয়ে সতীদাহ প্ৰথা, বাল্যবিবাহ, বহু বিবাহ আদিৰ বিৰুদ্ধে আন্দোলন কৰিছিল। তেতিয়াই বিধৱা বিবাহ আইনত পৰিণত হৈছিল। স্বামী বিবেকানন্দই কৈছিল যিখন সমাজত নাৰীক উচ্চ স্থান দিয়া নহয়, সেই সমাজ প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। মহাত্মাগান্ধী আৰু বিনোৱাজীয়েও নাৰীৰ শিক্ষা, সম অধিকাৰৰ কথা চিন্তা কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ, মুন্সী প্ৰেম-চাঁদ আদি প্ৰমুখ্যে প্ৰথিতযশা সাহিত্যিকসকলৰ অৱদান উল্লেখযোগ্য। ১৯০৭ চনত Womens' Indian Association আৰু ১৯২৭ চনত All India women's conference অনুষ্ঠিত হয়। এওঁলোকৰ চেষ্টাতে নাৰী শিক্ষাৰ প্ৰসাৰৰ লগতে সংস্কাৰমূলক কিছুমান আইনো পাছ কৰে। ১৯৯৫ চনৰ চেপ্তেম্বৰত বেইজিঙত চতুৰ্থ নাৰী সন্মিলন অনুষ্ঠিত হৈছিল। ১৮০ খন দেশৰ চৰকাৰী তথা বেচৰকাৰী সংস্থা সমূহৰ ৩৫০০০ ৰো অধিক প্ৰতিনিধি সন্মিলনত উপস্থিত আছিল। ইয়াৰ পূৰ্বে তিনিখন বিশ্ব নাৰী সন্মিলন অনুষ্ঠিত হৈছিল যদিও ৰাষ্ট্ৰসংঘৰ উদ্যোগত আয়োজিত এই বেইজিং সন্মিলনত নাৰীৰ মাজত শান্তি, সমতা আৰু প্ৰগতি স্থাপনৰ বাবে যথোচিত গুৰুত্ব আৰোপ কৰা দেখা যায়।

অসমীয়া সমাজত বিংশ শতিকাতে নাৰীবাদী আন্দোলন এক বিশেষ জাগৰণৰ সৃষ্টি কৰিছিল। অসমীয়া সাহিত্যত নাৰীবাদী চিন্তাৰ জন্ম দিছিল হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই। বিশেষকৈ চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত জন্ম হৈছিল— অসম মহিলা সমিতি। ত্ৰিশৰ দশকৰ পৰা পঞ্চাশৰ দশকলৈ অসমীয়া সমাজত নানান ৰাজনৈতিক ধুমুহা সৃষ্টি হৈছিল। পিতৃতান্ত্ৰিক শোষণেৰে নাৰীক দমন কৰি ৰাখিব বিচৰা সমাজখনত এফালে যেনেকৈ নাৰীবাদী চিন্তাৰ প্ৰসাৰ ঘটিছে, আনফালে পুঁজিবাদী অপসংস্কৃতিৰ প্ৰভাৱত পৰি মধ্যবিত্ত ঘৰৰ এচাম নাৰীয়ে ভুল পথে পৰিচালিত হৈছে। নাৰীবাদী আৰু নাৰীমুক্তিকামীসকলে নাৰীয়ে নিজকে উগ্ৰ প্ৰসাধনেৰে সাজি-কাচি ঘৰুৱা জা-জঞ্জালবোৰ সম্পূৰ্ণৰূপে আওঁকাণ কৰি পুৰুষৰ লগতে সমানে ঘূৰি ফুৰা কাৰ্যক প্ৰতিবাদ কৰে। নাৰীবাদীসকলৰ মতে সমাজ পৰিৱৰ্তনত নাৰীমুক্তি এক অপৰিহাৰ্য চৰ্ত। এই ধাৰণা মতে নাৰী-পুৰুষ উভয়ে

সমমৰ্যাদাৰে এখন সুস্থ নিকা সমাজ গঢ়িবৰ বাবে একেলগে প্ৰতিবাদী কণ্ঠেৰে আগবাঢ়ি যোৱা উচিত।

আমি গৌৰৱ কৰো ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত লিংগ বৈষম্য কম বুলি। কিছুমান ৰাজ্যৰ তুলনাত কম হ'লেও প্ৰকাশিত তথ্য মতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মাজত নাৰীৰ বিৰুদ্ধে অপৰাধমূলক কাৰ্যত অসমে শীৰ্ষস্থান লাভ কৰিছে। অকনো সন্দেহ নাই যে অসমৰ এই বাস্তৱ পৰিস্থিতিৰ ভয়াবহ প্ৰতিচ্ছবিখন আজি প্ৰত্যেকগৰাকী নাৰীকেই নিশ্চয় বোধগম্য হৈছে।

সমাজত আজি নাৰী সামাজিক, পাৰিবাৰিক, অৰ্থনৈতিক আৰু ৰাজিনৈতিকভাৱে বিভিন্ন কাৰণত নিৰ্যাতিত হোৱা দেখা গৈছে। কু-সংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি আদি সমাজত প্ৰচলিত ৰীতি-নীতি আদি নাৰী-বিৰোধী। এইবোৰৰ মাজত যৌতুকৰ বাবে বহুতো কিশোৰী নাৰীয়ে মৃত্যুক সাৱটি ল'ব ল'গা হৈছে। কন্যা সন্তানৰ প্ৰতি অৱজ্ঞা, কন্যা ভ্ৰূণ হত্যা কৰা, সন্তানহীনতা আৰু স্বামীহীনতাক অশুভ বুলি জ্ঞান কৰা আদিয়ে প্ৰধান। অন্ধবিশ্বাসৰ আন এটা নিদৰ্শন হ'ল কিছুমান মহিলাক 'ডাইনী' বুলি ভবা আৰু মহিলাসকল বেমাৰৰ উৎপত্তিৰ কাৰণ বুলি ভবা আদি কিছুমান অনৰ্থক ধাৰণা। 'ডাইনী' বুলি মহিলাক হত্যা কৰা ঘটনাবোৰ নাৰী বিৰোধী।

বিজ্ঞান, তথ্যপ্ৰযুক্তিৰ যুগত বৰ্তমানে অৰ্থনৈতিক গোলকীকৰণ আৰু কেন্দ্ৰীয় চৰকাৰৰ উদাৰ অৰ্থনীতিৰ ফলত এক অংশৰ মানুহ যিদৰে চহকী হৈ গৈছে। সেইদৰে আন এক বৃহৎ অংশৰ মানুহ দৰিদ্ৰৰ পৰা দৰিদ্ৰতৰ হৈ পৰিছে। এই দাৰিদ্ৰৰ হেঁচাত শিশু বা কিশোৰী কন্যাক অচিনাকি ঘৰত কাম কৰিবলৈ পঠিয়াই। ফলত গৃহস্থৰ নিপীড়ণৰ বলি হ'বলগীয়া হয়। চাকৰিৰ প্ৰলোভন দেখুৱাই বহু দৰিদ্ৰ মহিলাক শোষণ কৰি আছে দালালহঁতে। নাৰীদেহ ব্যৱসায় আদিও তাৰেই এক পৰিণতি।

বিভিন্ন সামাজিক ব্যধিৰ কবলত পৰি সস্তীয়া পণ্য হিচাবে ব্যৱহাৰ হৈছে। সমাজৰ এক অংশ নাৰী। ড্ৰাগছ সেৱন, নগ্ন আৰু অশ্লীল বিজ্ঞাপন, ফেশ্বন শ্বো, মডেলিং, সৌন্দৰ্য প্ৰতিযোগিতা প্ৰদৰ্শণ কৰা কাৰ্যই নাৰী সমাজৰ মৰ্যাদা হানি কৰিছে।

ক্ষমতাৰ ৰাজনীতি আৰু গোষ্ঠীদ্বন্দৰ বলিও হয় প্ৰথমে নাৰীসকল। সন্ত্ৰাসবাদ দমনৰ নামত আজি অসমৰ নাৰীসকলৰ মৰ্যাদা অতি নিষ্ঠুৰভাৱে কাঢ়ি লোৱা হৈছে। নাবালিকৰ পৰা বোৱাৰী, জীয়াৰী, কোনো নাৰীয়েই সাৰি যোৱা নাই। ই গোটেই মাতৃজাতিৰ লগতে মানৱ জাতিৰে অপমান।

নাৰীৰ ওপৰত চলা অত্যাচাৰ, ধৰ্ষণ, শোষণ ইত্যাদিবিলাক অপৰাধমূলক কাৰ্য কেৱল নাৰী জাতিৰে সমস্যা নহয়। ই সামাজিক সমস্যাও। সমাজ সচেতন পুৰুষসকলেও পূৰ্ণ সমৰ্থন আৰু সহযোগিতা আগবঢ়ালেহে সমস্যাবোৰৰ সমাধানত সুফল পোৱা যাব। নাৰী-পুৰুষ উভয়ে এটা আনটোৰ পৰিপূৰক। উভয়ে সামাজিক অপৰাধমূলক ঘটনাবোৰ আঁতৰ কৰিব পাৰিলেহে সুস্থ বাতাবৰণ সমাজত বিৰাজ কৰিব। মুঠতে এখন সুন্দৰ লিংগ বৈষম্যহীন সমাজত সুস্থ নাৰীবাদী চিন্তাৰ প্ৰয়োজনীয়তা মুঠেই আওঁকাণ কৰিব নোৱাৰি। সুস্থ নাৰীবাদী চিন্তাই নাৰীৰ লগতে পুৰুষকো শ্ৰেণী সমাজৰ কৰ্মৰ পৰা মুক্তি দিব আৰু লগতে সমাজ আৰু জীৱনক সভ্যতাৰ এক নতুন মাত্ৰা প্ৰদান কৰিব। ❖







# সংগীত আৰু মানৱ জীৱন

পুলেন ডেকা
চতুৰ্থ ষান্মাসিক

সংগীত বুলিলে সাধাৰণতে গীত, বাদ্য আৰু নৃত্য এই তিনিকলাৰ সমষ্টিক বুজা যায়। ত্ৰয়োদশ শতিকাৰ সংগীতজ্ঞ শাৰঙ্গদেৱৰ 'সংগীত ৰত্নাকৰ'ত উল্লেখিত নিম্ন লিখিত স্তৱকটি এই ক্ষেত্ৰত বিশেষ প্ৰনিধানযোগ্য—

গীতং বাদ্যং তথা নৃত্যং
ত্ৰয়ং সঙ্গীতম উচ্যতে।।

মাৰ্গী সংগীত আৰু দেশী সংগীত এই দুই ধাৰাৰে সংগীতৰ প্ৰচলন হৈ আহিছে। স্বৰ্গ, মৰ্ত্ত্য আৰু পাতালবিশ্ব ব্ৰহ্মাণ্ডৰ এই তিনিও লোকতে সংগীতৰ প্ৰবাহ মূৰ্ত্তমান। প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ আদি মধ্য আৰু সাম্প্ৰতিক তিনি পৰ্যায়ত সংগীতে জোৱাৰ তুলি আহিছে।

পিছে সংগীতৰ উৎপত্তি ক'ত, কেতিয়া, কেনেকৈ হৈছিল—এই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। সংগীত শাস্ত্ৰৰ ইতিহাস অধ্যয়নৰ দ্বাৰা বুজা যায় যে সংগীতৰ উৎপত্তি প্ৰথমতে স্বৰ্গলোকত হৈছিল। প্ৰজাপতি ব্ৰহ্মাই হেনো এই কলাৰ প্ৰথমতে সৃষ্টি কৰিছিল। ব্ৰহ্মাৰ পৰা ক্ৰমে শিৱ, শিৱৰ পৰা সৰস্বতী আৰু সৰস্বতীৰ পৰা নাৰদে এই কলা বিদ্যা আহৰণ কৰিছিল। নাৰদৰ পৰা স্বৰ্গৰ গন্ধৰ্ব, কিন্নৰ আৰু অপেশ্বৰীসকলে এই কলাৰ শিক্ষা লাভ কৰিছিল। স্বৰ্গত সৃষ্টি হলেও মৰ্ত্ত্যলোকৰ বাবেও এই কলা সম্প্ৰসাৰিত হৈছিল মহামুনি নাৰদ আৰু ভৰতৰ দ্বাৰা।

কোনো কোনো পণ্ডিতৰ মতে নাৰদৰ যোগ সাধনাত শিৱই সন্তুষ্টহৈ সংগীত কলা প্ৰদান কৰিছিল। পাৰ্ব্বতীৰ শয়ন মুদ্ৰা নিৰীক্ষণ কৰি শিৱই তেওঁৰ অংগ-প্ৰত্যংগৰ আধাৰত ৰুদ্ৰবীণা তৈয়াৰ কৰি নিজৰ পঞ্চমুখৰ দ্বাৰা পঞ্চৰাগ সৃষ্টি কৰে। অৱশ্যে ষড় ৰাগৰ উৎপত্তি পাৰ্ব্বতীৰ মুখৰ পৰা হয়। শিৱৰ মুখ পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ আৰু আকাশ দিশৰ পৰা হোৱা বাবে ক্ৰমে ভৈৰৱ, হিন্দোল, মেঘ, দীপক আৰু শ্ৰীৰাগৰ উৎপত্তি হয়। 'শিৱ প্ৰাদাষ' স্তোত্ৰ মতে ত্ৰিজগত জননী গৌৰীক সোণৰ সিংহাসনত বহুৱাই প্ৰদোষৰ সময়ত শূলপাণি শিৱই নৃত্য কৰিবলৈ ইচ্ছা কৰে। তেতিয়া দেৱ-দেৱী সকলে তেওঁক আগুৰি ধৰে আৰু স্তুতি গীত আৰম্ভ কৰে। সৰস্বতীয়ে বীণা, ব্ৰহ্মা আৰু ইন্দ্ৰই কৰতাল আৰু ভগৱান বিষ্ণুৱে মৃদঙ্গ বজাবলৈ লয়। লক্ষ্মীদেৱীয়ে গান গাবলৈ ধৰে। এই নৃত্যময় সংগীত উপভোগ কৰিবলৈ গন্ধৰ্ব, কিন্নৰ, যক্ষ, পতগ, উৰগ, সিদ্ধ, সাধ্য, বিদ্যাধৰ আদি দেৱতা আৰু অপেশ্বৰীসকলে তাত সমবেত হয়। সংগীত দৰ্পন লিখক দামোদৰ পণ্ডিতে সংগীতৰ উৎপত্তি সম্পৰ্কত এনেদৰে অভিমত ব্যক্ত কৰিছে—

দ্ৰু হিনেতয়দন্বিষ্টং প্ৰযুক্ত ভৰতেন।
মহাদেৱস্য পুৰতস্তন্মাৰ্গস্য ৱিমুক্তদম।।

দ্ৰুবিন অৰ্থাৎ ব্ৰহ্মাই গৱেষনা কৰি সংগীত উলিয়াইছে ভৰত মুনিয়ে মহাদেৱৰ সন্মুখত যাক প্ৰয়োগ কৰিছে যি মুক্তিদায়ক সেয়াই মাৰ্গী সংগীত। পৰৱৰ্তী সময়ত দামোদৰ পণ্ডিতে সংগীতৰ সপ্তস্বৰৰ উৎপত্তি সৰ্ম্পকত এনেদৰে মতপোষণ কৰিছে মুছাচৰাইৰ পৰা ষড়জ, চকোৱা চৰাইৰ পৰা ঋষভ, ছাগলীৰ পৰা গান্ধাৰ, কাউৰীৰ পৰা মধ্যম,

কুলি চৰাইৰ পৰা পঞ্চম, ভেকুলীৰ পৰা ধৈৱত আৰু হাতীৰ পৰা নিষাদ স্বৰৰ সৃষ্টি হয়।

এজন ফাৰ্চী পণ্ডিতৰ মতে পাহাৰৰ ওপৰত থকা মুছীকাৰ নামৰ চৰাই এটাৰ নাকৰ সাতটা বিন্ধাৰ পৰা সপ্তস্বৰৰ সৃষ্টি হয়। আন এজন ফাৰ্চী পণ্ডিতৰ মতে হজৰত মুছা নামৰ লোক এজনে এদিন পাহাৰৰ ওপৰত দৃশ্য অৱলোকন কৰি থাকোতে এটা দৈৱবাণী হয়। দৈৱবানীত এনেদৰে কোৱা হয় যে সত্যবাদী মুছা তুমি তোমাৰ লাঠীডালেৰে এই শিলটোৰ ওপৰত কোবোৱা। দৈৱবাণী অনুসৰণ কৰি মুছাই ওপৰত থকা শিলটোত লাঠীডালেৰে জোৰেৰে কোবাই দিয়াত শিলটো ভাঙি সাত টুকুৰা হৈ পৰে আৰু প্ৰত্যেক টুকুৰা শিলৰ পৰা বেলেগ বেলেগ পানীৰ সোত বৰলৈ ধৰে। এই জলস্ৰোতৰ পৰাই হজৰত মুছাই হেনো সা, ৰে, গা, মা, পা, ধা, নি এই সপ্তস্বৰৰ সৃষ্টি কৰে।

পাশ্চাত্য পণ্ডিত ফ্ৰয়ডৰ মতে সংগীতৰ উৎপত্তি এটা শিশুৰ দৰে মনোবিজ্ঞানৰ আধাৰত হৈছে। তেওঁৰ মতে শিশুৱে যিদৰে হঁহা, কন্দা, চিঞৰা আদি কাৰ্য্যবোৰ সমাধা কৰে ঠিক সেইদৰে সংগীতৰ প্ৰাদুৰ্ভাৱো মানৰ মনত স্বতস্ফুৰ্ত্তভাৱেই নিষ্পন্ন হয়। জেমছ লোঙ্কৰ মতে মানুহে প্ৰথমে কথা ক'বলৈ শিকে, তাৰপিছত চলন-ফুৰণ শিকে আৰু লাহে লাহে ক্ৰিয়াশীল হৈ স্বতঃস্ফুৰ্ত্তভাৱে সংগীত সাধনা কৰে।

সংগীতৰ উৎপত্তি যি ধৰণেই নহওক কিয় মানুহৰ লগত যে ইয়াৰ সম্পৰ্ক মধুৰ এই কথা কোনেও নুই কৰিব নোৱাৰে। মানৱীয় ভাৱধাৰাৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা কলাটোৱেই হৈছে সংগীত। সংগীত এবিধ মনোৰঞ্জনকাৰী কলা। সুমধুৰ ধ্বনিৰে সংগীতে আনি দিয়ে মানৱ মনত বিমল আনন্দ। সংগীত সাধনাই মানুহৰ মনৰ পৰা দুখ-বেদনা আঁতৰ কৰি মানুহক কৰি তোলে সুখী। ই মানৱ মনৰ পৰা অপবিত্ৰ ভাৱ আঁতৰাই মন প্ৰফুল্ল কৰে। লগতে দুঃচিন্তা আঁতৰ কৰি মনক সতেজ কৰি তোলে। নিত্য নিয়মিত সংগীত চৰ্চাই মানুহৰ স্বাস্থ্যৰো উন্নতি সাধন কৰে। সংগীত হৈছে এক প্ৰকাৰৰ সাহিত্য য'ত সমাৱেশ ঘটে বিভিন্ন ৰসৰ। সংগীতত আছে সুৰ, তাল আৰু লয়ৰ মূৰ্চ্ছনা। সংগীতৰ লগত কাব্য সম্বন্ধও অতি নিকট। আন কথাত ক'বলৈ হ'লে সুৰ, তাল, লয়যুক্ত কাব্য সাহিত্যই হ'ল সংগীত। সংগীতৰ লগত গণিত বিজ্ঞান, কাৰিকৰী বিদ্যা আদি বিষয়ৰো সম্বন্ধ আছে। সংগীত স্বাভাৱিকতে বৰ আমোদজনক। ধ্বনিৰ কম্পনৰ অনুপাতৰ লগত স্বৰৰ যি পৰিবৰ্তন হয়, সেই পৰিবৰ্তনে মানুহক সংগীত কলাৰ প্ৰতি অনুৰাগী কৰি তোলে। বিজ্ঞানী আইনষ্টাইনে হেনো এনে কাৰণতে ভায়োলিন বজাবলৈ লৈছিল। সংগীতে মানৱ মনত ভগবৎপ্ৰীতিৰ ভাৱ জাগ্ৰত কৰে। মহামহা ঋষিমুনিসকলে নাদ গুঞ্জন কৰি ঈশ্বৰক আৰাধনা কৰিছিল আৰু সংগীত মাধ্যমেৰে ঈশ্বৰৰ সান্নিধ্য লাভ কৰিছিল। সংগীত হেনো মানুহৰ চৰিত্ৰৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। এগৰাকী নিয়মিত সংগীত সাধকৰ চৰিত্ৰ সদায় নিখুঁত হৈ থাকে। সংগীত হৈছে হৃদয়স্পৰ্শী সাধনা। এই সাধনাৰ দ্বাৰা মানুহৰ দয়া, মমতা আদি আদায় কৰিব পাৰি। ই এনে সাধনা যাৰ দ্বাৰা পাশৱিক দানৱ প্ৰকৃতিৰ লোককো ব[illegible] কৰিব পাৰি। সংগীতৰ এনে মহিমা আছে যাৰ জৰিয়তে মানুহে কিছু কিছু অসাধ্যও সাধন কৰিব পাৰে।

সংগীতৰ লগত স্বাস্থ্য, ধৰ্ম, ক্ৰীড়া আদি মানুহৰ অত্যাৱশকীয় বিষয়ো সাঙোৰ খাই আছে। গীত, বাদ্য আৰু নৃত্যত মানৱ শৰীৰৰ অংগ চালন কাৰ্য্য সম্পন্ন হয়, যা[illegible] ফলত মানুহে নানান ধৰণৰ ৰোগৰ পৰা উপশম পাব পাৰে। নিয়মিত ৰূপে সংগীত চৰ্চা কৰিলে হাওঁফাওঁ আ[illegible] হৃৎপিণ্ডজনিত ৰোগৰ পৰা কিছুপৰিমাণে নিৰাময় পা[illegible] পাৰি। নিয়মিত ৰূপে বাদ্যযন্ত্ৰ বজালে শৰীৰৰ অং[illegible] প্ৰত্যংগত হেঁচা পৰি শিৰা সম্পৰ্কীয় ৰোগৰ পৰা অব্যাহ[illegible] পাব পাৰি। সংগীতৰ দ্বাৰা জনসাধাৰণক ধৰ্ম, নীতি-শি[illegible] আদি মানৱীয় গুণৰ প্ৰতি আকৃষ্ট কৰিব পাৰি। শংকৰদেৱ মাধৱদেৱ আদি গুৰুসকলে গীত, নাট, ভাওনা আদি মাধ্যমেৰে জনমানসত ধৰ্মীয় জাগৰণ আনিছে। মুঠৰ ওপৰত সংগীতৰ লগত যে মানুহৰ সম্বন্ধ অতি নিবিড় এই ক[illegible] অনস্বীকাৰ্য্য। ❖





# ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° শিয়ালী ৰামমৃত ৰঙ্গনাথন



শ্ৰীহীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
(গ্ৰন্থাগাৰিক সুৰেন দাস মহাবিদ্যালয়)

ড° শিয়ালী ৰামমৃত ৰঙ্গনাথনৰ জন্ম হয় ৯ আগষ্ট ১৯৯২ চনত তামিলনাডুৰ শিয়ালী নামৰ ঠাই এখনত। তেখেতে মাদ্ৰাজ খ্ৰীষ্টান কলেজৰ পৰা ১৯১৬ চনত গণিত বিষয়ত স্নাতকোত্ত ৰ ডিগ্ৰী লাভ কৰে আৰু ক্ৰমে মাংগালোৰ চৰকাৰী মহাবিদ্যালয়, প্ৰেছিডেন্সী কলেজ, মাদ্ৰাজ আদি শিক্ষানুষ্ঠানত অংকৰ অধ্যাপক হিচাপে কাম কৰে। ১৯২৪ চনত তেখেতে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক হিচাপে নিযুক্তি লাভ কৰে। সেই সময়ত গ্ৰন্থাগৰিক বিজ্ঞানৰ কোনো আনুষ্ঠানিক শিক্ষা ভাৰতত নাছিল আৰু গ্ৰন্থাগাৰ সমূহো সিমান উন্নত মানৰ নাছিল। সেয়েহে তেখেতে ইউনিভাৰ্চিটি অৱ লণ্ডন স্কুল অৱ লাইব্ৰেৰীয়ানশ্বিপৰ পৰা গ্ৰন্থাগাৰ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰে। তেখেতে আনুষ্ঠানিক শিক্ষা শেষ কৰি আহি মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰটো আধুনিক আৰু বিজ্ঞান সন্মত ভাৱে সজোৱাত মনপুটি লাগি যায়। ড° এচ আৰ ৰঙ্গনাথন ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃস্বৰূপ। তেখেতে গ্ৰন্থাগাৰ বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত বিপুল মৌলিক অবদানেৰে ভাৰতৰ গ্ৰন্থাগাৰ আন্দোলন সৃষ্টিত অনবদ্য অৰিহণা যোগাইছে। তেখেতৰ অবদান আৰু প্ৰচেষ্টাৰ ফলতে গ্ৰন্থাগাৰ বিজ্ঞানৰ বিশ্ব মানচিত্ৰত ভাৰতে বিশেষ স্থান লাভ কৰিছে।

তেখেতে ১৯৩১ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰিক হিচাপে কাম কৰি থকা কালতে গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি (Five Laws & Library Science) প্ৰণয়ন কৰিছিল।

১) গ্ৰন্থ ব্যৱহাৰৰ কাৰণে (Books are for use)
২) প্ৰতিজন পাঠকৰ কাৰণে গ্ৰন্থ (Every reder his/her book)
৩) প্ৰতিখন গ্ৰন্থৰ কাৰণে পাঠক (Every book its reader)
৪) পাঠকৰ সময় বচোৱা (Save the time of reader)
৫) গ্ৰন্থাগাৰ এক বৰ্ধনশীল জীৱ[অনুষ্ঠান] (Library is a growing organism)

গোটেই বিশ্বৰ গ্ৰন্থাগাৰিক সকলে এই পঞ্চবিধিৰ অন্তৰ্নিহিত উদ্দেশ্য আগত ৰাখিয়েই গ্ৰন্থাগাৰ বিলাক পৰিচালনা কৰিবলৈ প্ৰয়াস কৰে।

তেখেতে ১৯৩৩ চনত ক'লন শ্ৰেণীবিভাজন (Colon Classification) নামৰ এটা নতুন ধৰণে কিতাপ, আলোচনী আৰু পঠন সামগ্ৰী বিলাক শ্ৰেণী বিভাজন কৰাৰ পদ্ধতি উলিয়াইছিল। এই শ্ৰেণী বিভাজনত নতুন আৰু বিশেষ ধৰণৰ বিষয় সমূহ সামৰি ল'ব পৰা ব্যৱস্থা আছিল।

ড° ৰঙ্গনাথনে ১৯৩৪ চনত শ্ৰেণীবিভাজিত গ্ৰন্থ তালিকা (Classified) নামৰ নতুন কোড এটা উলিয়াইছিল। এই কোডৰ দ্বাৰা গ্ৰন্থ বা গ্ৰন্থতালিকা সজালে গ্ৰন্থাগাৰৰ পৰা কিতাপ বাছি উলিওৱাত অতি সহজ হয়।

ড° ৰঙ্গনাথনে ১৯৪৫ চনত বেনাৰস হিন্দু

বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য্য সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ আহ্বান ক্ৰমে সেই বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগৰিক পদ অলংকৃত কৰিছিল। ইতিমধ্যে তেখেতেদিল্লী বিশ্ববিদ্যালয়ৰ অনুৰোধ ক্ৰমে তাত অবৈতনিক অধ্যাপক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেতিয়াই ১৯৪৭ চনত তাত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিছিল। তেখেতে ১৯৫৫ চনত দিল্লী বিশ্ববিদ্যালয় ত্যাগ কৰি ছুইজাৰলেণ্ডৰ জুৰিখ চহৰলৈ গৈছিল আৰু তাত গৱেষণা আৰু লিখা মিলাত লাগি গৈছিল।

ড° ৰঙ্গনাথনে ১৯২৯ চনতে গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ৰ ছাৰ্টিফিকেট পাঠ্যক্ৰম মাদ্ৰাজ গ্ৰন্থাগাৰ সংস্থাৰ লগত লগ লাগি আৰম্ভনি কৰিছিল আৰু সেই পাঠ্যক্ৰমকে মাদ্ৰাজ বিশ্ববিদ্যালয়ে ১৯৩১ চনত গ্ৰহণ কৰিছিল। পিচত তাক স্নাতকোত্তৰ যোগ্যতা প্ৰমানপত্ৰ পাঠ্যক্ৰমলৈ (Post Graduate Diploma Course) উন্নিত কৰা হৈছিল। তেখেতে প্ৰথমে দিল্লী বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীৰ লগতে গৱেষণাৰ সুবিধাও প্ৰদান কৰে। ১৯৭৭ চনত এম্‌ফিলৰ পাঠ্যক্ৰমো তেখেতেই আৰম্ভণি কৰিছিল।

ড° ৰঙ্গনাথনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ গ্ৰন্থাগাৰ সমিতি আৰু গ্ৰন্থাগাৰ বিজ্ঞান পুনৰীক্ষণ সমিতিৰ মুৰব্বী হিচাপে কাম কৰিছিল। তেখেতে ৰাজহুৱা গ্ৰন্থাগাৰ আইনৰ (Public Library Legislation) আৰ্হি বনাই বিভিন্ন প্ৰদেশৰ নিজা নিজা সমিতিবোৰলৈ পঠাই দিছিল আৰু তাৰ ভিতৰতে প্ৰথমে তামিলনাডু (১৯৪৮ চনত) কে ধৰি বিভিন্ন প্ৰদেশে ইয়াক আইনলৈ পৰিণত কৰিছিল। তেখেতে অসমলৈও আহিছিল আৰু এখন ৰাজহুৱা গ্ৰন্থাগাৰ আইনৰ আৰ্হি বনাই অসম গ্ৰন্থাগাৰ সংস্থাৰ হাতত অৰ্পণ কৰিছিল। এই আইনৰ আৰ্হিখনকে সামান্য সালসলনি কৰি অসম চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল। কিন্তু দুখৰ বিষয় যে অসমত আজিলৈকে ইয়াক চৰকাৰে গ্ৰহণ নকৰিলে।

ড° ৰঙ্গনাথনৰ বিশ্ব গ্ৰন্থাগাৰ বিজ্ঞানৰ সাহিত্যলৈ অলেখ অৱদান আছে। প্ৰায় ১৫০০ মান উচ্চমানৰ প্ৰৱন্ধৰ উপৰিও লেখতল'বলগীয়া কৰ্মৰাজিসমূহৰ ভিতৰত (ক) গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি (খ) ক'লন ক্লাচিফিকেচন (গ) ক্লাচিফাইড কেটেলগ কোড (ঘ) গ্ৰন্থাগাৰ বিধিৰ আৰ্হি (ঙ) গ্ৰন্থাগাৰ প্ৰশাসন (চ) Prolegomena to Library Classification (1944) (ছ) গ্ৰন্থাগাৰৰ হাতপুথি (জ) গ্ৰন্থাগাৰৰ গ্ৰন্থ বাচনি (ঝ) সকলোৰে বাবে গ্ৰন্থাগাৰ সেৱা ইত্যাদি ইত্যাদি।

ভাৰত চৰকাৰ আৰু বিশ্বৰ বিভিন্ন দেশে ড° ৰঙ্গনাথক বহুত সন্মান আৰু উপাধিৰে অলংকৃতও কৰিছিল। ১৯৩৫ চনত ভাৰত চৰকাৰৰ পৰা ৰাও চাহেব উপাধি দিয়া হৈছিল। ১৯৫৭ চনত পদ্মশ্ৰী উপাধি প্ৰদান কৰা হৈছিল। ১৯৬৪ চনত পিটট্‌বাৰ্গ বিশ্ববিদ্যালয়ে (University of Pittsburgh, USA) ডিলিট (Honorary D.Litt) উপাধি প্ৰদান কৰিছিল। তেখেতক লণ্ডন গ্ৰন্থাগাৰ সংস্থা (Library Association, London)ৰ ফালৰ পৰা অবৈতনিক উপ-সভাপতি পতা হৈছিল।

ড° ৰঙ্গনাথন এজন কৰ্মযোগী আৰু বিশেষ ব্যক্তিত্বৰ মানুহ আছিল। তেখেত বৰ ধাৰ্মিক আৰু কৰ্তব্যপৰায়ণ মানুহ আছিল। মাদ্ৰাজ বিশ্ব বিদ্যালয়ৰ গ্ৰন্থাগাৰিক হৈ থকা কালত গ্ৰন্থাগাৰৰ এপাত ছাবি সদায় হাতত ৰাখিছিল কাৰণ কেতিয়াবা কোনেও গৈ নাপাওঁতেই তেখেতে নিজ কৰ্মক্ষেত্ৰ পাইছিল আৰু নিজে তলা খুলি কামত লাগি গৈছিল। কেতিয়াবা আকৌ বহু ৰাতিলৈকে কাম কৰি নিজে তলা বন্ধ কৰিব লগা হৈছিল। চকিদাৰটোৱে অৱশেষ তেখেতৰ লগত বহুত কষ্ট কৰিব লগা হৈছিল। তেখেতে প্ৰায় গোটেই দিনটোৱে গ্ৰন্থাগাৰত কটাইছিল আৰু ঘৰৰ দায়িত্বও পৰিবাৰৰ হাতত অৰ্পণ কৰিছিল। তেখেতে অনাহকতে কেতিয়াও চুটি লোৱা নাছিল আনকি নিজৰ একমাত্ৰ ল'ৰাৰ বিয়াটো মাত্ৰ এদিনহে চুটি লৈছিল হেনো।

ড° ৰঙ্গনাথনৰ ১৯৭২ চনত মৃত্যু হৈছিল আৰু গোটেই বিশ্বই এজন মহান গ্ৰন্থাগাৰ প্ৰেমী হেৰুৱাব লগীয়া হৈছিল। প্ৰত্যেক বছৰে ১২ আগষ্টৰ দিনটো (জন্ম তাৰিখ হিচাপে ধৰা হয়) গোটেই ভাৰতবৰ্ষৰ গ্ৰন্থাগৰিক সকলে ৰাষ্ট্ৰীয় গ্ৰন্থাগৰিক দিৱস হিচাপে উদ্‌যাপন কৰি আহিছে লগতে তেখেতৰ স্মৃতি চিৰযুগমীয়া কৰাৰ প্ৰয়াস কৰি আহিছে।

ড° ৰঙ্গনাথন বৰ মিতব্যয়ী মানুহ আছিল। জীৱনৰ সমস্ত আয় জমা কৰি তেখেতে পৰিবাৰৰ নামত এটা ন্যাস (Sarada Ranganathan Endowment Trust) খুলিছিল। এই ন্যাস গ্ৰন্থাগাৰ বিজ্ঞানৰ গৱেষণাৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। কিছুমান ছাত্ৰ-ছাত্ৰীক এই ন্যাসেৰে জলপানি দিয়াৰ ব্যৱস্থাও কৰা হৈছিল।❖





# লোকমান্য তিলক আৰু গীতা ৰহস্য



শ্ৰীসবিতা কলিতা
(দৰ্শন বিভাগ)

১৮৪৬ চনৰ ২৩ জুলাই তাৰিখে ভাৰতবৰ্ষৰ পশ্চিম উপকূলৰ ৰত্নগিৰি নামে ঠাইত লোকমান্য তিলকৰ জন্ম হয়। তেওঁৰ সম্পূৰ্ণ নাম বাল গংগাধৰ তিলক। তেওঁৰ পিতৃ আছিল শিক্ষক সেয়েহে হয়তো পিতৃৰ সংসৰ্গত থকাৰ পৰাই তিলকৰ শিক্ষাৰ প্ৰতি অনুৰাগ জন্মিছিল। তথাপিও তেওঁক আদৰ্শ ছাত্ৰ বুলি কব নোৱাৰি। পঢ়া-শুনা নাইবা শিক্ষাৰ সন্দৰ্ভত তেওঁ কোনো পাঠ্যপুথিৰ বাধ্যবাধকতা মানি নচলি কেৱল সাৰ অংশহে গ্ৰহণ কৰিছিল । শিক্ষা জীৱনৰ পৰাই তেওঁ তৰ্কত অংশগ্ৰহণ কৰি আনন্দ পাইছিল আৰু সেই কাৰণে তাৰ্কিক পদ্ধতিত বিশেষ নিপুণতা আয়ত্ব কৰিব পাৰিছিল।

ইংৰাজ চৰকাৰৰ শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে বাল গংগাধৰ তিলকে যুঁজ দিছিল আৰু ইয়াৰ পৰিণতিতে তেওঁ বহুকেইবাৰ কাৰাগাৰলৈ যাব লগাত পৰিছিল। কাৰাগাৰৰ চাৰিবেৰৰ মাজত সুদীৰ্ঘ কালৰ কাৰণে আবদ্ধ হৈ থাকিবলগীয়া হোৱাতো তেওঁৰ কোনো অনুতাপ হোৱা নাছিল, বৰং তেওঁ কৈছিল যে তেওঁ কেৱল নিজৰ বা পৰিয়ালৰ কাৰণে জীয়াই থকা নাছিল,দেশবাসীৰ হিতৰ কাৰণে তেওঁ জীৱন উছৰ্গা কৰিছিল। তেওঁ কাৰাগাৰৰ নিৰৱ পৰিস্থিতিত কিতাপ পঢ়িবলৈ আৰু চিন্তা কৰিবলৈ লৈছিল। সেই সময়তে তেওঁ বহুত কিতাপ পঢ়িছিল আৰু ভাগবত গীতাৰ যথাৰ্থ অৰ্থ আৰু বাণী সম্পৰ্কে চিন্তা কৰিছিল। সকলো প্ৰকাৰৰ কিতাপে তেওঁক আনন্দ দিলেও দৰ্শনৰ ওপৰতহে তেওঁৰ অধিক আগ্ৰহ দেখা গৈছিল। কাৰাগাৰৰ কোঠালিত তেওঁ কান্ট,হেগেল, ডাৰউইন, হিউম, ৰুচো, ভল্টিয়াৰ, মেক্সমূলাৰৰ গ্ৰন্থ অধ্যয়ণ কৰিছিল। অবিৰাম অধ্যয়ণ আৰু চিন্তাৰ ফলপ্ৰসূ পৰিণাম হিচাপে মাত্ৰ পাঁচ মাহৰ ভিতৰত তেওঁ এখন অমূল্য গ্ৰন্থ লিখি উলিয়াইছিল আৰু সেইখনেই হ'ল 'গীতা-ৰহস্য'। গীতা-ৰহস্য লোকমান্য তিলকৰ দৰ্শনৰ অমূল্য অৱদান।

তিলকে সৰুতে শুনিছিল যে ভগবত গীতাত হিন্দু ধৰ্মৰ সকলো সূত্ৰ আৰু দৰ্শন অৰ্ন্তভূক্ত কৰা হৈছে। সেইকাৰণে তেওঁ ভাবিছিল যে মনুষ্যত্বৰ পূৰ্ণতা প্ৰাপ্তিৰ বিভিন্ন প্ৰশ্নৰ

উত্তৰৰ বাবে ভগবদ্ গীতা নিশ্চয়কৈ অধ্যয়ণ কৰিব লাগিব। মহাভাৰতৰ কুৰুক্ষেত্ৰ ৰণৰ আৰম্ভণিতে মহৰ্ষি ব্যাসদেৱ ৰচিত মদ্‌ভগবদ্ গীতাৰ অৱতাৰণা কৰা হয়। পাৰ্থিৱ জীৱনৰ অজ্ঞতাৰ পৰা মানৱক উদ্ধাৰ কৰাই গীতাৰ উদ্দেশ্য। কুৰুক্ষেত্ৰ ৰণত যেতিয়া সমুখ সমৰত অৰ্জুনে তেওঁৰ আত্মীয়, গুৰু নাইবা বন্ধুক দেখা পাইছিল তেতিয়া তেওঁৰ দুচকু বিষাদৰ চকুপানীৰে ভৰি পৰিছিল। তেওঁ যদিও জানিছিল যে ক্ষত্ৰিয় হিচাপে যুদ্ধ কৰা তেওঁৰ কৰ্তব্য তথাপি মনৰ দুৰ্বলতাই কৰ্তব্য পালনত বাধা দিছিল। তেতিয়াই ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ মাধ্যমেৰে সমগ্ৰ মানৱ জাতিক তেওঁলোকৰ কৰ্তব্য সম্পৰ্কে বুজাই দিছিল।

ভগবদ্ গীতাৰ মুখ্য ভাগ তিনিটা কৰ্মযোগ, জ্ঞানযোগ আৰু ভক্তিযোগ। ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ পৰম বন্ধু অৰ্জুনক শোক আৰু বিপথগামীতাৰ পৰা উদ্ধাৰ কৰিবলৈ আত্মাৰ স্বৰূপ আৰু মানৱৰ কৰ্তব্য সম্পৰ্কে শিক্ষা দিছিল। তিলকে কৈছে যে গীতাৰ প্ৰণেতাই নিশ্চয় এটা অৰ্থ আৰু উদ্দেশ্যলৈ গীতা প্ৰণয়ন কৰিছিল। তেওঁৰ মতে গীতাই কৰ্ম অনুমোদন কৰিছিল। জ্ঞানৰ পথেৰে পৰম ঈশ্বৰৰ লগত মিলিত হোৱাত সক্ষম হ'লেও সেই সিদ্ধপুৰুষে কৰ্ম কৰিয়ে থাকিব লাগে। পৰিণামৰ প্ৰতি নিৰাসক্ত কৰ্মৰত যোগীক কৰ্মই বান্ধি ৰাখিব নোৱাৰে। তিলকৰ মতে এয়াই গীতাৰ শিক্ষা। কৰ্মফলৰ প্ৰতি কোনো আসক্তি নৰখাকৈ কেৱল কৰ্তব্য বুলি ভাবি লৈ সততে কামবিলাক কৰি যাব লাগে। যিজনে আসক্তি নোহোৱাকৈ কেৱল কৰ্তব্য সমাধা কৰে তেৱেঁই পৰামৰ্শ লাভ কৰে। তিলকে কৈছে যে, জ্ঞান প্ৰাপ্তিৰ পিছতো সন্যাসমাৰ্গ অৱলম্বন নকৰাকৈ কৰ্মযোগ কৰাই শ্ৰেষ্ঠ এয়ে গীতাৰ স্থিৰ সিদ্ধান্ত। সন্যাসমাৰ্গ সম্পৰ্কে গীতাত কোনো অনাদৰ দেখা নাযায়। বৰং সন্ন্যাস আৰু কৰ্মযোগ এই দুয়োটা মোক্ষদৃষ্টিত সমানে মূল্যবান।

লোকমান্যই কৈছে যে কৰ্মযোগৰ দৃষ্টান্ত অন্যান্য শাস্ত্ৰতো পোৱা যায়। স্বয়ং ব্ৰহ্মদেৱে কৰ্ম কৰিবলৈ প্ৰবৃত্ত হৈয়েই সৃষ্টিৰ আৰম্ভ কৰিলে। ব্ৰহ্মদেৱৰ পৰাই মৰীচি আদি সাত মানস পুত্ৰৰ সৃষ্টি হৈ সন্ন্যাস গ্ৰহণ নকৰি সৃষ্টিক্ৰম চলাই ৰাখিবৰ কাৰণে আমৰণ প্ৰবৃত্তি মাৰ্গেই বাচি ল'লে। কৰ্ম মায়া জগত হ'লেও কোনো অজ্ঞাত কাৰণত পৰমেশ্বৰে সৃষ্টি কৰিছে। সেই কৰ্ম পৰমেশ্বৰৰ অধীন কাৰণে তাক পৰিহাৰ কৰা মানুহৰ সাধ্য নাই। কোনো মানুহেই কেতিয়াবা কিবা নহয় কিবা এটা কাম নকৰাকৈ এটা ক্ষণও থাকবি নোৱাৰে। সকলো মানুহেই জড় প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা নিজ নিজ গুণৰ প্ৰভাৱতে কামত প্ৰবৃত্ত হ'বলৈ অসহায় হৈ বাধ্য হয়। আনকি সূৰ্য, চন্দ্ৰ আদিয়েও নিৰন্তৰভাৱে নিজ নিজ কৰ্ম কৰিয়ে থাকে। গতিকে ক'ব পাৰি যে কৰ্মই জগত আৰু জগতেই কৰ্ম। জগতত কৰ্মৰ বিৰাম নাই। তিলকৰমতে মানুহ জ্ঞানী হ'লে তেওঁৰ সকলো প্ৰকাৰৰ ইচ্ছা বা কামনা বিলুপ্ত হোৱা উচিত বুলি গীতাই কেতিয়াও কোৱা নাই। সেয়েহে সকলো প্ৰকাৰ বাসনা পৰিহাৰ নকৰাকৈ জ্ঞানীয়ে কেৱল আসক্তিবাদ দি কাম কৰিব এয়ে গীতাৰ সিদ্ধান্ত। বিশেষকৈ বাসনাৰ পৰা মুক্ত হ'লেও সমস্ত কাৰ্যৰ পৰা মুক্ত হ'ব নোৱাৰি। বাসনা থাকক বা নাথাকক উশাহ-নিশাহ আদি কৰ্ম নিজে চলি থাকে। বাসনাৰ পৰা মুক্ত বুলি কোনো জ্ঞানী পুৰুষে প্ৰাণ বিসৰ্জন নিদিয়ে। এয়ে গীতাৰ কৰ্মযোগৰ সিদ্ধান্ত।❖










# আদম গুৰু মাঝাৰ শ্বৰিফ'

চহিদুল ইছলাম
স্নাতক ষষ্ঠ ষান্মাসিক
(আলোচনী সম্পাদক)

আদম গুৰু মাঝাৰ শ্বৰীফ হাজো কলিতাকুছিৰ মাজ মজিয়াতে অৱস্থিত। ভিন্ন ধৰ্ম, জাতি, বৰ্ণ, সম্প্ৰদায়ৰে পৰম্পৰাগত কৃষ্টি সংস্কৃতিৰে পৰিপূৰ্ণ হাজো। ঐতিহাসিক হাজোৰ বিভিন্ন ধৰ্মীয় তীৰ্থ স্থানসমূহে যিদৰে জনপ্ৰিয়তা আৰু গুৰুত্ব লাভ কৰি আহিছে সেইসকলৰ ভিতৰত কলিতাকুছিৰ আদাম গুৰুৰ মাঝাৰ শ্বৰীফো অন্যতম। এই মাঝাৰ শ্বৰীফত ব'হাগ মাহৰ তিনি তাৰিখে উৰুচ পতা হয় আৰু এই উৰুচত বিভিন্ন ধৰ্মৰ তীৰ্থ যাত্ৰীয়ে দূৰ দূৰণিৰ পৰা আহি কলিতাকুছি সমাজৰ লগত জড়িত হয়। এই তীৰ্থ যাত্ৰী সকলে বিশ্বাস কৰে যে এই মাঝাৰত দোৱা প্ৰাৰ্থনা কৰিলে হেনো মনৰ আশা পূৰণ হয়, বেমাৰ-আজাৰৰ পৰা মুক্তি পায় আৰু বিভিন্ন সমস্যাৰ অন্ত হয়। এই মাঝাৰ শ্বৰীফ স্থাপিত হোৱাৰ বৰ্ণনা এনে দৰে যায়।

আজিৰ পৰা প্ৰায় ২০০ বছৰ আগৰ কথা। এখন গাঁওত বহুতো কলিতা, বামুণ, গোঁসাই আৰু ইছলাম ধৰ্মৰ মানুহ বসবাস কৰিছিল। সেই গাঁওখনত ইছলাম ধৰ্মৰ মানুহ

নিচেই কম আছিল মাত্ৰ ৩-৪ ঘৰ মান বুলি ক'ব পাৰি আৰু কলিতা মানুহৰ সংখ্যা বেছি আছিল বাবে গাঁওখনৰ নাম কলিতাকুছি বুলি নামকৰণ কৰিছিল। এসময়ত সেই গাঁওখনত এটা ভয়ানক মহামাৰী বেমাৰ দেখা দিলে। য'ত গাঁওখনৰ প্ৰায় আধা মানুহৰ মৃত্যু হৈছিল। কিন্তু তাৰে বামুণ পৰিয়াল এটাৰ মাত্ৰ তিনি বছৰীয়া শিশু এটা জীয়াই আছিল। সেই শিশুটোক আদৰি ল'বলৈ কোনো এজন মানুহে আগবাঢ়ি অহা নাছিল কিন্তু তাৰে এঘৰ ইছলাম ধৰ্মৰ মানুহে শিশুটোৰ দুখ-বেদনা দেখি তেওঁক আদৰি ল'লে আৰু শিশুটোৰ নাম নাদিৰ শ্বাহ বুলি নামকৰণ কৰিলে। শিশুটিয়ে পৰিয়ালটোৰ ৰীতি-নীতিসমূহ মানি চলিব ধৰিলে আৰু তাকে দেখি অন্য ধৰ্মৰ মানুহবোৰে শিশুটোক নিন্দা কৰিব ধৰিলে।

লাহে লাহে শিশুটি ডাঙৰ-দীঘল হৈ আহিল কিন্তু যিটো ইছলাম ধৰ্মৰ পৰিয়ালত শিশুটো ডাঙৰ-দীঘল হৈ আহিছিল সেই পৰিয়ালটো বৰ দুখীয়া আছিল। সেইবাবে পৰিয়ালটোৱে গৰু-ছাগলী পোহপাল কৰি জীৱিকা-নিৰ্বাহ কৰিছিল। এই গৰু-ছাগলীবোৰ সেই ল'ৰাজনক লগ-সমনীয়াৰ লগত চৰাবলৈ দিছিল। কিন্তু লগৰবোৰে গৰু-ছাগলীবোৰ মুকলি ঘাঁহনিত চৰাইছিল আৰু এই ল'ৰাজনে নিজৰ গৰু-ছাগলীবোৰ দলনিৰ মাজত চৰাবলৈ লৈ গৈছিল। সেই দলনিবোৰত বহুতো বনৰীয়া জীৱ-জন্তু আছিল তাৰ ভিতৰত বাঘ, ভালুক, সাপ ইত্যাদি। তাত কিছুমান আচৰিত কথা হৈছিল বাঘ, ভালুকে গৰু-ছাগলীবোৰ নাখাইছিল অথচ বাঘ-ভালুকে গৰু-ছাগলীবোৰ চৰাইছিল আৰু সেই শিশুটিয়ে শুই আছিল। শুই থাকিলেও শিশুটোক ৰ'দৰ তাপত ছাঁ দিবলৈ সাপবোৰে গাৰ ওপৰত ছাঁ কৰি ৰাখিছিল। সেই দৃশ্য তেওঁৰ বন্ধুবোৰে দেখি আচৰিত হৈ গাঁওৰ মানুহবোৰক কৈছিল। তেতিয়াৰ পৰা তেওঁৰ গুণা-গুণবোৰ ফুটি উঠে আৰু তেওঁক মহাপুৰুষ বুলি নামকৰণ কৰে। তেওঁক উভয় ধৰ্মৰ মানুহে আদম গুৰু বুলি নাম দিছিল। কিন্তু তেওঁৰ আচল নাম নাদিৰ শ্বাহ। মানুহবোৰৰ বেমাৰ-আজাৰ হ'লে তেওঁ অলপ জৰা-ফুকা কৰিলে ভাল পাইছিল আৰু সেই গাঁৱখনত কোনো দিনে ডাঙৰ-বেমাৰ হোৱা নাছিল। তেওঁৰ তিনিজনী পত্নী আছিল। প্ৰথমজনী ইছলাম ধৰ্মৰ, দ্বিতীয়জনী ব্ৰাহ্মণ জাতিৰ আৰু তৃতীয়জনী কলিতা জাতিৰ ছোৱালী আছিল। তেওঁক কিছুমান মানুহে পৰীক্ষা কৰিছিল। তেওঁ সেই পৰীক্ষাসমূহ পাছ কৰিছিল। তেওঁৰ কিছুমান আচৰিত শক্তি আছিল আৰু তেওঁৰ সেই শক্তিৰ প্ৰমাণ পাই বহুত কলিতা, বামুণ জাতিৰ মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁৰ বয়স প্ৰায় ৯০ বছৰ মান হৈছিল। এদিন তেওঁ সমাজৰ ভক্তসকলক মাতি ধৰ্মৰ কিছু কথা কৈছিল আৰু সেইবোৰ তেওঁলোকক মানি চলিবলৈ কৈছিল। তেওঁ শেষ সময়ত এটা কথা কৈছিল যে তেওঁ সাত দিন ধ্যান কৰিব আৰু তাত কোনেও তেওঁক চাবলৈ নাযাব। কিন্তু এজন অবুজ জ্ঞান নোহোৱা মানুহে চাৰি দিন মান হোৱাৰ পিছত চাবলৈ গৈছিল আৰু পিছত চাই দেখে যে গুৰু অদৃশ্য হৈছে। সেই দিনটো অসমীয়া ব'হাগ মাহৰ শেষৰ দিন আছিল। পিছত এজন মানুহক সপোনত দেখুৱাই যে তেওঁক চাবলৈ বাধা দিয়াৰ পিছতো চাইছিল গতিকে আল্লাহে (ভগৱানে) তেওঁক অদৃশ্য কৰি দিছে।

তেতিয়াৰে পৰা সেই দিনটো আজিও তেখেতৰ স্মৃতিত পালন কৰি অহা হৈছে।❖









## সমাজৰ অগ্ৰগতিত

# নাৰীৰ ভূমিকা

জানমনি তালুকদাৰ
(বি.এ.২ য় ষান্মাসিক)

" এগৰাকী মাতৃ এশজন শিক্ষকৰ সমান"
— গান্ধীজী

নাৰী শক্তিৰ আধাৰ। বিশ্বৰ সকলো উন্নতিৰ মূলতে নাৰী বুলি কলে ভুল কোৱা নহ'ব। সমাজৰ উন্নতিৰ পথত নাৰীৰ ভূমিকা অপৰিসীম। নাৰীক নানা নামেৰে বিভূষিত কৰিব পাৰি। মমতাময়ী,ত্যাগময়ী,শক্তিদায়িনী,দুষ্টবিনাশিনী। মাতৃৰূপে নাৰীয়ে যথেষ্ট সুনাম অৰ্জন কৰে। নিজৰ সন্তানৰ সপোনক নিজৰ সপোন মানি লৈ এগৰাকী নাৰীয়ে যিখিনি ত্যাগ কৰে সেইখিনি আন কোনো ব্যক্তিৰে পক্ষে সম্ভৱ নহয়। টোপ টোপ পানীৰে নৈ বোৱাব পাৰি যেনেকৈ ঠিক তেনেকৈ এগৰাকী শিক্ষিতা নাৰীয়েও অলপ হ'লেও এখন শিক্ষিত সমাজ গঠন কৰাত ভূমিকা গ্ৰহণ কৰে। ভাৰতৰ স্বাধীনতাৰ প্ৰাককাললৈ লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ত নাৰীয়ে শিক্ষা লাভ কৰাতো সপোনৰো বাহিৰত আছিল। বৰ্তমান যদিও নাৰীৰ বাবে শিক্ষাৰ লগতে অন্যান্য সুবিধা সমূহ লবাৰ লগতে সমানে প্ৰদান কৰা হৈছে , তথাপিও কিছুমান পুৰণি চিন্তাধাৰাকে সাবতি থকা মানুহৰ বাবে নাৰীৰ শিক্ষা মূল্যহীন। এনেধৰণৰ লোকৰ বাবেই আজি কিছুমান ঠাইত নাৰী শিক্ষাৰ লগতে কিছুমান সামাজিক কামৰ পৰাও বঞ্চিত। কৌশৰৰ মাদকতা শেষ হোৱাৰ আগতে ছোৱালী বিয়া দিয়া হয় আৰু পাটিগাভৰুতে বিধবা হোৱাৰ দোষ দিয়া হয় নাৰীগৰাকীকে লগে লগে তেওঁলোকৰ মাজৰ পৰা হেৰাই যায় এক সুন্দৰ ৰঙীণ সপোনৰ আশা। পুনৰ বিবাহপাশত আবদ্ধ হোৱাতো যেন এক দোষহে ।

বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ যুগতো মানুহৰ মনৰ সংস্কাৰ নহ'ল। বৰ্তমানো ভাৰতৰ চুকে কোনে পাঞ্জাৱ হাৰিয়ানা আদিৰ দৰে ৰাজ্যত কন্যা শিশু অথবা কন্যা শিশুৰ ভ্ৰূণ হত্যাৰ দৰে দুৰ্দান্ত অপৰাধ সমূহত লিপ্ত হৈ পৰাৰ ফলত এনে ৰাজ্যত নাৰীৰ সংখ্যা হ্ৰাস পাইছে। ফলত নাৰীৰ শিক্ষাৰ হাৰ কমি গৈছে এনেবোৰ ৰাজ্যত নাৰী এতিয়াও মূল্যহীন। নাৰীৰ মূল্য কেৱল ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ।

বৰ্তমান যুগত প্ৰত্যেক নাৰীয়ে শিক্ষিতা হোৱাতো অত্যন্তই প্ৰয়োজন। নাৰীগৰাকী শিক্ষিতা হ'লেহে তেওঁ সন্তান, পৰিয়ালৰ লগতে সমাজখনকো সু-শিক্ষা দিব পাৰে। নাৰী শিক্ষাৰ ওপৰতেই এখন সমাজত প্ৰগতি আৰু বিকাশ নিৰ্ভৰ কৰে। নাৰীসকলেও এইক্ষেত্ৰত আগবাঢ়ি অহাতো প্ৰয়োজনীয়। তেওঁলোকে আওঁপুৰণি বাধাসমূহ পাৰ কৰি নিজৰ ভাগ্য নিজ হাতে লিখিবলৈ আগবাঢ়ি অহাটো প্ৰয়োজনীয়। বৰ্তমান চৰকাৰেও অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে নাৰীলৈ বহুখিনি সুবিধা আগবঢ়াইছে। যিহেতু এই শিক্ষা ব্যৱস্থাত কোনো বয়স সীমা নাই,সেয়ে এই শিক্ষা ব্যৱস্থাৰ দ্বাৰাও নাৰীয়ে নিজৰ শিক্ষা সম্পূৰ্ণ কৰিব পাৰে। শিক্ষিতা নাৰী এগৰাকীয়ে সমাজত সু-পৰিবেশ আৰু শান্তি-শৃংখলা অটুত ৰখাত সহায় কৰে। আমাৰ দেশখন যদিও পিতৃপ্ৰধান দেশ তথাপি স্ত্ৰীসকল পিছপৰি থকা নাই। মহাত্মাই এযাৰ কথা কৈছিল —

" পুৰুষসকলে নাৰীক সদায় অৱলা বুলি অভিহিত কৰি অহাতো সমীচীন নহয় ,দৈহিক গঠনত পুৰুষতকৈ বেলেগ হলেও নাৰী অফুৰন্ত শক্তিৰ আধাৰ।"

নেপোলিয়ানে কৈছিল —

"মোক এগৰাকী ভাল মাতৃ দিয়া , মই তোমালোকক এখন ভাল দেশ দিম।"



# গান্ধীজীৰ জীৱনদৰ্শন

## এক চমু অৱলোকন...

ড° মীনা দেৱী
মুৰব্বী অধ্যাপিকা
অৰ্থনীতি বিভাগ

মানৱ সভ্যতাৰ ক্ৰমবিকাশে উন্নয়নৰ এক অন্তহীন গতিপথৰ সৃষ্টি কৰিছে। উন্নয়নৰ শীৰ্যত উপনীত হোৱাৰ আকাংক্ষাই মানৱজাতিক এক গভীৰ অনিশ্চয়তা তথা সংশয়ৰ গৰাহলৈ লৈ গৈ আছে। ভোগ সৰ্ব্বস্ব বৰ্তমানৰ বিশ্ববাসীয়ে আজি ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰাকৃতিক পৰিৱেশ আদি সকলো ক্ষেত্ৰতে কমবেছি পৰিমাণে প্ৰতিকূলতাৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। বিভিন্ন ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰতিকূল পৰিস্থিতিৰ লগত মোকামিলা কৰি মানুহে এক অসুখী জীৱন অতিবাহিত কৰিবলৈ আৰম্ভ কৰিছে, পিছে এইটোও সত্য যে অসুখী জীৱন প্ৰক্ৰিয়া সামগ্ৰিক উন্নয়নৰ পৰিপন্থী। বিশ্ববাসীয়ে আজি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে মানুহৰ বিবেচনাবৰ্জিত কৰ্মৰাজিয়ে দৰাচলতে এনেকুৱা নঞৰ্থক পৰিস্থিতিৰ বাবে জগৰীয়া। সুখ-স্বাচ্ছন্দ্য, ভোগ-বিলাসৰ লালসাই বিশ্ববাসীৰ সকলো ধৰণৰ অশান্তি অসূয়াৰ মূল বুলি ক'ব পৰা যায়। কিন্তু ভাৰতবাসীৰ বাবে গৌৰৱৰ কথা যে এনেকুৱা হতাশাজনক পৰিস্থিতিৰ সময়তো জাতিৰ পিতা, মহামানৱ মহাত্মাগান্ধীৰ জীৱন দৰ্শন অনুকৰণীয় তথা আদৰণীয় হৈ থাকিবলৈ সক্ষম হৈছে। অনিস্বয়তা বা সংশয়ৰ পৰা সকাহ পোৱাত গান্ধীজী জীৱন দৰ্শনে তথা তেখেতৰ সত্য আৰু অহিংসাৰ মূল মন্ত্ৰৰ প্ৰত্যক্ষ তথা পৰোক্ষ প্ৰভাৱ সকলোৱে স্বীকাৰ কৰিবই লাগিব।

মহাত্মা গান্ধীক কেৱল এগৰাকী ৰাজনীতিবিদ, দাৰ্শনিক, সমাজবিজ্ঞানী, অৰ্থনীতিবিদ বা পৰিৱেশবিদ বুলি ক'ব পৰা নাযায়। তেখেত হৈছে এগৰাকী মানৱতাবাদী পুৰুষ। মানুহৰ মাজত নিহিত হৈ থকা অফুৰন্ত সম্ভাৱনাক বিকশিত কৰি তুলি প্ৰকৃতাৰ্থত সকলো ব্যক্তিকে একোগৰাকী 'পূৰ্ণমানৱ' হিচাপে প্ৰতিষ্ঠা কৰাই আছিল গান্ধীজীৰ সমগ্ৰ জীৱনৰ ধ্যান ধাৰণৰ প্ৰধান লক্ষ্য। মানৱ জাতিৰ জীৱন পৰিক্ৰমাক আংশিক হিচবে বিশ্লেষণ কৰাতকৈ সামূহিক তথা সামগ্ৰিক কল্যাণৰ ওপৰতহে তেখেতে অধিক গুৰুত্ব দিছিল। সেয়েহে তেখেতৰ চিন্তাধাৰাত অৰ্থনৈতিক, ৰাজনৈতিক, সমাজনীতি, পৰিবেশ আদি সকলোৰে সমহাৰ ঘটা বুলি ক'ব পাৰি। তেখেতৰ ভাৱাদৰ্শনত বিভিন্ন ব্যক্তিৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেখেতে টলষ্টয়ৰ পৰা সমতা, সৰলতা আৰু সংযমশীলতাৰ ভাব গ্ৰহণ কৰিছিল। ৰাস্কিনৰ সৰ্ব্বোদয় গ্ৰন্থৰ দ্বাৰা তেখেতৰ লেখনি প্ৰভাবিত হোৱা দেখা যায়। সেইদৰে গীতা, উপনিষদৰ প্ৰভাৱো সুন্দৰভাৱে তেখেতৰ জীৱন দৰ্শনৰ পৰিস্ফুট হৈছে। গান্ধীজীয়ে কেতবোৰ বিশেষ সামাজিক ব্যাধিৰ কথা উল্লেখ কৰিছে তেখেতৰ জীৱনদৰ্শনৰ মাজেৰে। সেইবোৰ হৈছে-

Politics without Principle, Wealth without Work, Pleasure without conscience, knowledge without morality, science without humanity, worship without sacrifice ইত্যাদি। তেখেতৰ মতে অহিংসা আৰু সত্যবাদিতাই এই ব্যাধিবোৰৰ পৰা





পৰিত্ৰাণ পোৱাৰ প্ৰধান উপায়। এই সামাজিক ব্যাধিবোৰেই সাৰ্বজনীন সুখ-শান্তিৰ প্ৰাপ্তিৰ অন্তৰায়। সাৰ্বজনীন সুখ অবিহনে সামগ্ৰিক উন্নয়নৰ ধাৰণা অলীক কল্পনা মাথোন।

গান্ধীজীৰ কোনো স্বতন্ত্ৰ অৰ্থনৈতিক মতাদৰ্শ আছিল বুলি ক'ব পৰা নাযায়। তেখেতে কোনো অৰ্থনৈতিক তত্ত্ব উদ্ভাৱন কৰা নাই। নাইবা পুথিও ৰচনা কৰা নাই, পিছে গান্ধীজীৰ সকলো বিষয়তে অৰ্থনৈতিক বিচাৰ-বিবেচনাই যথোচিত গুৰুত্ব পাইছিল। গান্ধীজীৰ অৰ্থনৈতিক ভাৱৰ মূল বিষয় বস্তু হৈছে সমগ্ৰমানৱ। ই অৰ্থনৈতিক মানৱ বা মানৱৰ ৰাজনৈতিক দিশ অকলে সামৰি লোৱা নাই। তেখেতৰ মতে জনসাধাৰণেই হৈছে দেশৰ মুখ্য সম্পদ। তেখেতৰ মতে সেইখন ৰাষ্ট্ৰই চহকী, উন্নত ৰাষ্ট্ৰ, য'ত সৰহ সংখ্যক লোকে সুখে-সন্তোষে জীৱন নিৰ্ব্বাহ কৰিবলৈ সক্ষম। আনহাতে যিজন ব্যক্তিয়ে নিজৰ প্ৰয়োজনীয়খিনি লাভ কৰাৰ পিছত অৱশিষ্ট সময় আৰু সম্পদ আনৰ কাৰণে ব্যয় কৰিব পাৰে, তেওঁৱেই প্ৰকৃত সুখী সন্তোষী লোক। তেখেতৰ এনে ভাৱনাক নিঃসন্দেহে আধুনিক কল্যাণ অৰ্থনীতিৰ লগত ৰিজাব পাৰি। সেয়েহে তেখেতৰ চিন্তাচৰ্চাৰ প্ৰাসংগিকতা অলপো হ্ৰাস পোৱা নাই। এইয়া সৰল উপলব্ধিৰ কথা যে গান্ধীজীৰ অৰ্থনৈতিক চিন্তাধাৰা পশ্চিমীয়া ভোগ সৰ্বস্ব বস্তুবাদী অপচয় সংস্কৃতিৰ বিৰুদ্ধে এক প্ৰত্যহ্বান স্বৰূপ। তেখেতে সমাজৰ প্ৰতিগৰাকী ব্যক্তিক স্পৰ্শ কৰিব পৰা অৰ্থাৎ সৰ্বোদয় স্বাৱলম্বী অৰ্থনীতিৰ স্পষ্ট পোষকতা কৰিছিল। তেখেতে সেয়েহে বৃহৎ শিল্পৰ পৰিবৰ্ত্তে ক্ষুদ্ৰ তথা ঘৰুৱা শিল্পউদ্যোগৰ ওপৰতহে প্ৰাধান্য দিছিল। ক্ষুদ্ৰ তথা ঘৰুৱা উদ্যোগেহে অধিক মানুহক কৰ্মসংস্থাপন প্ৰদান কৰি স্বাৱলম্বী হোৱাত সমল যোগাব পাৰে। গান্ধীজীৰ সৰ্বোদয় ধাৰণাই বিশ্বশান্তিৰ পথ সুগম কৰিব পাৰে বুলি ভবাৰ যথেষ্ট অৱকাশ আছে। ক্ষুদ্ৰ তথা ঘৰুৱা উদ্যোগ প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাতো সহায়ক হ'ব বুলি তেখেতে বিশ্বাস কৰে। তেখেতৰ অৰ্থনৈতিক স্থায়িত্বৰ অৰ্থনীতি হিচাপেও ব্যাখ্যা কৰা দেখা যায়। ক্ষুদ্ৰ তথা ঘৰুৱা উদ্যোগ প্ৰাকৃতিক পুনৰ নৱীকৰণযোগ্য সম্পদৰ ব্যৱহাৰ সীমিত কৰি মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰাই মানুহৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হ'ব পাৰে। তেখেতৰ সৰলতাৰ নীতিয়ে ভোগৰ সীমিত কৰণৰ ইংগিত বহন কৰিছে। তেখেতে কৈছে প্ৰকৃতিয়ে মানুহক অকুণ্ঠভাৱে সম্পদ দিছে, পিছে সিবিলাকৰ দ্বাৰা আমি আমাৰ অকল প্ৰয়োজনহে পূৰাব লাগে। আমাৰ লোভ পৰিপূৰ্ণ কৰিবলৈ প্ৰকৃতি সমৰ্থ নহয়। সেয়েহে অপচয় ৰোধ কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰাকৃতিক ভড়াল টনকিয়াল কৰি ৰখা আমাৰ প্ৰত্যেকৰে মৌলিক কৰ্তব্য। মানুহে জীয়াই থকাৰ বাবেহে ভোগ কৰিব লাগে। ভোগৰ বাবে জীয়াই থাকিব নালাগে। গান্ধীজীয়ে মানুহক কাৰ্মোদ্যমী হ'বলৈ আহ্বান জনাইছে নাইবা শ্ৰমৰ মৰ্য্যদা উপলব্ধি কৰিবলৈ আহ্বান জনাইছে। তেখেতে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেয়েহে তেখেতৰ চিন্তাধাৰাত ভোগ বিলাসৰ স্থান নাই। তেখেতৰ মতে সহজ-সৰল জীৱন-যাপন কৰি উপযুক্ত চিন্তাচৰ্চাৰে মানসিক পৰিতৃপ্তি ল'ব পৰাতেই মানৱ জীৱনৰ সাফল্য। তেখেতৰ ভাৱনাত স্বদেশপ্ৰেম অতি স্পষ্ট। স্বদেশপ্ৰেম আৰু শ্ৰমৰ মৰ্য্যাদা উপলব্ধি কৰা জাতিয়ে বা দেশে উন্নয়নৰ পথত কেতিয়াও বাধা প্ৰাপ্ত নহয় বুলি তেখেতে বিশ্বাস কৰিছিল।

ঠোৰতে ক'বলৈ হলে গান্ধীজীৰ চিন্তাধাৰা প্ৰধানকৈ চাৰিটা নীতিৰ দ্বাৰা নিয়ন্ত্ৰিত। সিবিলাক হ'ল- সত্যবাদিতা, অহিংসা, সৰলতা আৰু শ্ৰমমৰ্য্যাদা। বৰ্ত্তমান সময়ৰ মানৱ জাতিয়ে সন্মুখীন হোৱা প্ৰায় সকলো আৰ্থসামাজিক নাইবা পৰিৱেশিক সমস্যা এই নীতি কেইটাৰ অৱলম্বনৰ মাজেৰে লাঘৱ কৰিব পৰা যায়। গান্ধীজীৰ ধ্যান-ধাৰণাৰ পৃষ্ঠভূমি ভাৰতবৰ্ষ হলেও তেখেতৰ চিন্তাচৰ্চাই বিশ্বৰ প্ৰতিগৰাকী নাগৰিকৰ সামগ্ৰিক কল্যাণৰ পোষকতা কৰিব পাৰে বুলি ধাৰণা কৰা যায়। সেয়েহে তেখেতৰ ভাৱাদৰ্শৰ আদৰ সন্মান বৰ্তমানৰ সময়তো সমানে অটুট আছে। ভৱিষ্যতৰ বাবে তেখেতৰ চিন্তা-ভাৱনা অনুকৰনীয় হৈ থাকিব।

# যোগ ব্যায়াম

## •চৰ্চা আৰু জীৱন•

আবুল হুছেইন
প্ৰৱক্তা, ইতিহাস বিভাগ

বৰ্তমান বিশ্ব যান্ত্ৰিক সভ্যতাৰ ধাৰক হৈ পৰিছে। যান্ত্ৰিক সভ্যতাৰ অগ্ৰগতিৰ লগে লগে আমাৰ দৈনন্দিন দৈহিক ও শাৰীৰিক পৰিশ্ৰমৰ পৰিমাণ কমি আহিছে। মানুহৰ অসৎ প্ৰবৃত্তিৰ কাৰণে ভেজালৰ সৃষ্টি হৈছে। যান্ত্ৰিক সভ্যতাৰ প্ৰসাৰৰ ফলত মুক্ত বায়ু, নিৰ্মল পানী আদিৰ অভাৱ হ'ব ধৰিছে। চহৰৰ পৰিৱেশ হৈছে ক্লেদাক্ত। ফলস্বৰূপে আমি নানা ধৰণৰ বেমাৰৰ দ্বাৰা আক্ৰান্ত হ'ব ধৰিছো। আমাৰ ভাৰতীয় ঋষি-মুনিসকলে কৈছিল- 'শৰীৰমাদ্যং খলু ধৰ্ম সাধনম।' আজিকালি আমি এইয়া উপলব্ধি কৰিব নোৱাৰো। কিন্তু আমি সকলোৱে সুস্থ শৰীৰ, সুস্থ মন আৰু কৰ্মময় জীৱন বিচাৰোঁ। সুন্দৰ আৰু কৰ্মময় জীৱনৰ বাবে যোগ-ব্যায়াম অপৰিহাৰ্য্য।

ভাৰতীয় ঋষি-মুনিসকলে যোগ-ব্যায়ামৰ অনুশীলন
কৰি প্ৰচণ্ড ইচ্ছাশক্তি, দীঘলীয়া যৌৱন আৰু দীৰ্ঘ জীৱনৰ
অধিকাৰী হ'বলৈ সক্ষম হৈছিল। আজিও পৃথিৱীৰ মানুহৰ
মনত সেইবিলাকে বিস্ময় সৃষ্টি কৰে। ফলস্বৰূপে
পশ্চিমীয়া দেশ বিলাকত আজিকালি যোগ-ব্যায়ামৰ
প্ৰচলন হ'বলৈ ধৰিছে। আজিৰ এই বিজ্ঞানৰ যুগতো মানুহে
যোগ-ব্যায়ামৰ অভ্যাস কৰিবলৈ আগবাঢ়ি আহিছে
যোগ-ব্যায়ামৰ দ্বাৰা ইচ্ছাশক্তিক সুনিয়ন্ত্ৰিত আৰু জয় কৰি
দেহক শক্তিশালী আৰু স্বাস্থ্যবান কৰিব পাৰি। সুস্থ দেহ
আৰু সুস্থমনৰ অধিকাৰী মানুহেহে এখন সুস্থ দেশ গ
তুলিব পাৰে। পৃথিৱীৰ সকলো উন্নত দেশবোৰত যোগ
ব্যায়াম অভ্যাসৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি হৈছে। আম
দেশ ভাৰতবৰ্ষতো যোগ-ব্যায়ামৰ প্ৰসাৰ ক্ৰমাত বাঢ়িবলৈ
ধৰিছে। সেয়েহে সুস্থ-সবল নাগৰিক হিচাপে চিনা
দিবলৈ সচেষ্ট মানুহক যোগ-ব্যায়ামৰ অতিকৈ প্ৰয়োজন

সংস্কৃত 'যুক্ত' ধাতুৰ পৰা 'যোগ' শব্দটোৰ উৎপ
হৈছে। ইয়াৰ বহুত অৰ্থ পোৱা যায়। 'যোগ' শব্দ
বুৎপত্তিগত অৰ্থ হ'ল— মুক্ত কৰা, বন্ধন কৰা বা উথি
কৰা। আন অৰ্থ হ'ল— মিলিত কৰা বা মিলিত হোৱা
জীৱাত্মাৰ লগত পৰমাত্মাৰ যোগ বা মিলনৰ যোগ
ভাৰতীয় দৰ্শন মতে সকলোৰে মূল হ'ল 'পৰমাত্মা' আ
মানুহ হ'ল পৰমাত্মাৰেই অংশ 'জীৱাত্মা'। যোগ সাধন
দ্বাৰাই জীৱাত্মাই পৰমাত্মাৰ লগত মিলি যাব পাৰে।

ভগৱত গীতাৰ ষষ্ঠ অধ্যায়ত যোগ প্ৰসংগত শ্ৰীকৃষ্ণ
অৰ্জুনক কৈছে, দুঃখ কষ্টৰ পৰা মুক্ত হোৱাটোৱেই যোগ
আচল অৰ্থ। স্বামী বিবেকানন্দই কৈছে- আত্মানং বি
অৰ্থাৎ নিজকে জানা। ৰাজযোগে সম্পূৰ্ণ গুৰুত্ব আৰো
কৰিছে নিজকে জনাৰ ওপৰত। মহামুনি পতঞ্জলি
তেওঁৰ 'যোগ সূত্ৰ'ত লিখিছে- যোগেশ্চিত্তবৃত্তি নিৰোধ
চিত্তক নানাবিধ বৃত্তি অৰ্থাৎ আকাৰ আৰু পৰিনাম গ্ৰ
কৰিবলৈ নিদিয়াটোৱেই হৈছে যোগ। কঠোপনিষদত যে
সম্পৰ্কে কোৱা হৈছে- অনুভূতি যেতিয়া অচঞ্চল, শা
মন যেতিয়া স্থিৰ আৰু অনয় তেতিয়া কোৱা হয়
জ্ঞানীয়ে তেওঁৰ সৰ্বোচ্চ অৱস্থা গৈ পাইছে। এনেকুৱা





অনুভূতি আৰু বিবেকৰ দৃঢ় নিয়ন্ত্ৰনেই হ'ল যোগ আৰু যিয়ে এইয়া হ'ব পাৰে তেওঁৱেই মোহমুক্ত তেওঁৱেই যোগী।

মহামুনি পতঞ্জলিয়ে মনক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ নিৰ্দেশ দিছে। মনেই হ'ল অনুভূতিৰ কেন্দ্ৰ। যিজনে মনক জয় কৰিব পাৰিছে, তেৱেঁই হ'ল শ্ৰেষ্ঠ মানৱ। কিয়নো তেওঁ নিজকে নিয়ন্ত্ৰিত কৰিব পাৰিছে। মহাশক্তিৰ লগত সমন্বয় ঘটাবলৈ সক্ষম হৈছে। তেৱেঁই হ'ল- ৰাজযোগী। সেয়েহে ৰাজযোগ অভ্যাসৰ আৱশ্যকতা আছে। দৈহিক সুস্থতা আৰু নিয়মানুৱৰ্ত্তিতা নাথাকিলে আধ্যাত্মিক উন্নতি সম্ভৱ নহয়। মানুহৰ জীৱনত আধ্যাত্মিক উন্নতিৰ বাবে দেহক সুস্থ শক্তিশালী আৰু নিৰোগী কৰি ৰাখিবলৈ যোগ আসন অভাস কৰিব লাগে। যোগ অভ্যাসৰ দ্বাৰা স্বাস্থ্যবান দেহৰ অধিকাৰী হৈ মনক শান্ত আৰু একাগ্ৰ কৰাৰ প্ৰয়োজন আছে। যোগ অভ্যাস কৰি দেহ, সুস্থ আৰু সবল কৰি ৰাখিব পালি বেমাৰ মুক্ত হৈ জৰা আৰু অকাল মৃত্যুৰ পৰা ৰক্ষা পাব পৰা যাব। লগতে জীৱন আনন্দময় হৈ ৰ'ব।

অতি সাধাৰণ অৰ্থত বিচাৰ কৰিলে দেখা যায় যে যোগ মানে হ'ল- যোগ অৰ্থাৎ '+' এই দিশেৰে বিচাৰ কৰিলে দেখা যায় যে ভাৰতীয় দৰ্শনমতে আমি সকলো পৰম ব্ৰহ্মাৰ সন্তান। সকলো জীৱৰ মাজতে সেই ব্ৰহ্ম শক্তি নিহিত হৈ আছে আৰু সকলো সেই ব্ৰহ্মাৰ অংশ। আমি সেই ব্ৰহ্মাৰ পৰা বিয়োগ হৈ অহা শক্তি যি শক্তিয়ে মায়াৰ অন্ধকাৰত পৰি মূল শক্তিৰ লগত সম্পৰ্ক বা সংযোগ হেৰুৱাই পেলাইছো। আমাক পুনৰ সেই শক্তিৰ লগত যোগ কৰাই হ'ল- যোগ। এই কথাখিনি আৰু অলপ বহলভাৱে বিচাৰ কৰিলে দেখা যায় যে মানৱ জীৱনৰ মহত্তম লক্ষ্য আৰু উদ্দেশ্যৰ পৰা আমি বিচ্যুত। আমি এনেদৰে বিচ্যুত হৈ পৰাৰ কাৰনবোৰ বিচাৰ কৰিলে দেখা যায় যে আমাৰ অহংকাৰ, ধন-সম্পদৰ প্ৰতি লোভ আদিয়েই আমাক ক্ৰমে অন্ধ কৰি পেলাইছে। স্বাভাৱিকতেই মানুহ নামি আহিছে ইতৰ শ্ৰেণীলৈ বা তাতকৈয়ো তলৰ শ্ৰেণীলৈ। গতিকে এই বিচ্যুতিৰ পৰা মানৱ সমাজক উদ্ধাৰ কৰি জীৱনৰ মহত্তম লক্ষ্য আৰু উদ্দেশ্যৰ লগত সংযোগ কৰাই হ'ল- যোগ।

যোগ বা যোগী বুলিলে এতিয়াও আমাৰ বৰ্তমান সমাজত এক সঠিক ধাৰণা নাই। যোগাভ্যাস মানেই এক কঠোৰ সাধনা, গৃহত্যাগীসকলৰ বাবেহে এই পথ এনে পথত থকা সকলে আয় উপাৰ্জনত মন দিব নোৱাৰে, এই সকলৰ জীৱনৰ অৰ্থ মাত্ৰ ঈশ্বৰৰ সন্ধান ইত্যাদি ধাৰণাসমূহে এতিয়াও আমাৰ সমাজত বাহ লৈ আছে। ইয়াৰ বাহিৰেও যে যোগ-ব্যায়াম সাধাৰণ জীৱনকো মহীয়ান কৰিব পাৰে, সেই ধাৰণা আমাৰ নাই। নিশ্চিতভাৱে ক'ব পাৰি যে যোগ হ'ল এক মাধ্যম বা কঠোৰ সাধনা। কিন্তু যিসকলে সাধনা নিবিচাৰে তেওঁলোকৰ বাবে যোগ হ'ল এক পৰিশীলিত জীৱন প্ৰণালী। সেই সত্যৰ উপলব্ধি আজিও আমাৰ পৰা বহু দূৰত আছে।

আজিলৈকে যিসকল ভাৰতীয়ই পাশ্চাত্য জগতত নিজৰ এখন মজবুত আসন তৈয়াৰ কৰিবলৈ সক্ষম হৈছে, তেওঁলোকে ভাৰতীয় সংস্কৃতি ভাৰতীয় দৰ্শন আৰু ভাৰতীয় আদৰ্শৰ শিক্ষা বহন কৰি আহিছে। লগতে নিজৰ দেশ আৰু স্বজাতিক মহীয়ান কৰিছে। গান্ধীজীৰ পৰা স্বামী বিবেকানন্দলৈকে সকলোৱে পৃথিৱীখনক দিছে এক অনাবিল শান্তি, ভাতৃত্ব, অহিংসা বাণী, ত্যাগৰ মন্ত্ৰ আৰু শৃংখলাৱদ্ধ সমূহীয়া জীৱনৰ আৰ্হি। এই জীৱন বৈৰাগ্যৰে ভৰা জীৱন নহয়, জীৱন হৈছে সকলো প্ৰাচুৰ্যৰে ভৰা এক সংস্কৃত জীৱন। লোভ-লালসাত অন্ধ হৈ ই বোকাত পোত খোৱা নাই। তাতেই ইয়াৰ মহত্ব। ভাৰতবৰ্ষৰ এই শিক্ষা কিমান মহান আছিল তাক অনুভৱ কৰাৰ বাবে উপনিষদত ব্ৰহ্মচৰ্য্যৰপৰা গাৰ্হস্থ্য অভিমুখে যাব খোজা শিষ্যসকলৰ সমাবৰ্তনৰ ভাষণত গুৰুৱে দিয়া কেইটামান পৰামৰ্শ বা উপদেশ অতিকৈ প্ৰণিধানযোগ্য।

'সত্য কৰা, ধৰ্ম-আচৰণ কৰিবা। দৈনন্দিন অধ্যয়নৰ পৰা বিচ্যুত নহ'বা, আচাৰ্য্যক অভীষ্ট দক্ষিণা দি গৃহস্থাশ্ৰমত প্ৰৱেশ কৰি বংশৰ ধাৰা অক্ষুন্ন ৰাখিবা। সত্যৰ পৰা বিচ্যুত নহ'বা। ধৰ্ম অৰ্থাৎ কল্যাণময় পথৰ পৰা বিচ্যুত নহ'বা। নিজৰ মংগলৰ বাবে কৰণীয় কামৰ পৰা আতৰি



নাথাকিবা। ধন-সম্পত্তি সংগ্ৰহৰ দৰে মংগলজনক কাৰ্য্য কৰিবা কিন্তু ধৰ্মপথৰ পৰা বিচ্যুত নহ'বা। অধ্যয়ন আৰু অধ্যাপনা দুয়োটা অপ্ৰমাদী হৈ চলাই যাবা। পিতৃ-মাতৃ, আচাৰ্য্যক দেৱতাৰ দৰে মানিবা। অনিন্দনীয় কৰ্ম কৰিবা। ডাঙৰৰ ভাল আচৰণবোৰ গ্ৰহণ কৰিবা, বেয়াবোৰ পৰিহাৰ কৰিবা। সৰুক মৰম আৰু চেনেহ কৰিবা।' ইত্যাদি। উপনিষদে অন্ন বৃত্তিৰ বাবে কাম কৰিবলৈ পৰামৰ্শ দিছে। গীতাত কৰ্মৰ মাজতে ব্ৰহ্ম নিহিত হৈ আছে বুলি কৈছে। ভাৰতীয় আদৰ্শ কৰ্মবিমুখ সন্যাস নহয়, বৰং কৰ্মময় পৰিশীলিত জীৱনহে। অৰ্থ সম্পদ বা ভোগ ইয়াৰ পৰিপন্থী নহয়, কিন্তু সকলোৰে ওপৰত হ'ল-সমাজ আৰু মানুহৰ কল্যাণ। সেয়েহে কল্যাণময় কৰ্মকে ধৰ্ম বুলি আমাৰ ভাৰতীয় সংস্কৃতিয়ে ঠাৱৰ কৰিছে। এই দিশ সমূহৰ প্ৰতি লক্ষ্য ৰাখিলে আমি সঁচা অৰ্থত এখন সুন্দৰ মানুহৰ সমাজ গঢ়িব পাৰিম।

এই যাত্ৰাৰ এক উল্লেখনীয় সোপান হ'ল- যোগ চৰ্চা। যোগে মানুহক এক সুস্থ শৰীৰ আৰু সুস্থ মন দিয়াৰ লগতে মানুহক এক ভাৰসাম্যশীল জীৱনৰ বাবে প্ৰস্তুত কৰি তোলে। দীৰ্ঘ জীৱন আৰু যৌৱন জীয়াই ৰখাৰ ক্ষেত্ৰত যোগ-অভ্যাস এক গুৰুত্বপূৰ্ণ আৰু অভূতপূৰ্ব বৰঙণি আগবঢ়াব বুলি আমাৰ দৃঢ় বিশ্বাস। যোগচৰ্চা বুলিলে সাধাৰণতে কেইটামান আসনৰ সমষ্টি বুলিয়েই আমাৰ ধাৰণা হয়। কিন্তু আচলতে যোগ এক বিশাল প্ৰক্ৰিয়া সাতোটা স্তৰৰ অভ্যাসৰ মাজেৰেহে এই প্ৰক্ৰিয়াই অগ্ৰগতি লাভ কৰিব পাৰে। উচ্চ স্তৰৰ সাধনাৰ বাবে এই সকলোবোৰ অভ্যাস অপৰিহাৰ্য্য। অৱশ্যে আমি বৰ্তমান উচ্চস্তৰৰ সাধনাৰ পৰিবৰ্তে শৰীৰৰ সুস্থতা আৰু মানসিক প্ৰশান্তি দিশটোহে অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

যোগ-ব্যায়াম নিয়মীয়াকৈ অভ্যাস কৰিব পাৰিলে সুস্থ দেহ আৰু মন লৈ এইখন পৃথিৱীত দীৰ্ঘদিন জীয়াই থাকিব পাৰি। যোগাসন অভ্যাস কৰি দেহক সুস্থ সবল কৰি ৰাখিব পাৰিলে বিভিন্ন ধৰণৰ বেমাৰ-আজাৰৰ পৰা মুক্ত হৈ জৰা আৰু অকাল মৃত্যুৰ পৰা ৰক্ষা পাব পৰা যাব আৰু জীৱনটো আনন্দপূৰ্ণ হৈ উঠিব।

যোগাভ্যাসৰ প্ৰথম কথা হ'ল মানসিক প্ৰস্তুতি যোগাসনক জীৱনৰ এক অংগ হিচাপে গন্য কৰা উচিত নিয়মানুৱৰ্ত্তিতা হ'ল যোগাসনৰ মূল কথা। যোগাসনৰ বাবে উপযুক্ত সময় হ'ল ৰাতিপূৱা ৪ বজাৰ পৰা ৬ বজাৰ ভিতৰত। এই সময়ছোৱাক প্ৰাচীন ঋষিমুনিসকলে ব্ৰহ্মমুহূৰ্ত বুলি আখ্যয়িত কৰিছে। যোগাসনৰ বাবে মুক্ত বতাহৰ চলাচল স্থানহে নিৰ্বাচন কৰিব লাগে। পাতল ঢিলা কাপোৰ পিন্ধা উচিত। যোগাসনে খাদ্যৰ ওপৰত কোনো নিষেধাজ্ঞা প্ৰয়োগ কৰা নাই। কিন্তু উচ্চ স্তৰৰ যোগাসন অভ্যাসৰ বাবে নিৰামিষ আহাৰ নিতান্তই প্ৰয়োজনীয়। সকলো খাদ্যই গ্ৰহণযোগ্য যদিও কেঁচা ফলমূল, শাক পাচলি আদিত অধিক গুৰত্ব দিয়া উচিত। সাধাৰণতে পেটৰ এক অংশ আহাৰ আৰু এক তৃতীয়াংশ পানী গ্ৰহণ কৰি বাকী অংশ খালী ৰখা আটাইতকৈ উত্তম ব্যৱস্থা।





# ধূমপানৰ অপকাৰিতা



## আৰু আজিৰ ছাত্ৰ-ছাত্ৰী

চৈয়দা নাৰ্গিছ জাহান
(উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)

ধূমপান পোণ প্ৰথমে কোন দেশ বা কোণ মহাদেশত আৰম্ভ হৈছিল সেই কথা সঠিকভাৱে কোৱা টান কিন্তু কলম্বাছে যেতিয়া আমেৰিকা আৱিষ্কাৰ কৰিছিল সেই দেশৰ আদিম অধিবাসী সকলে ধূমপাণ কৰা দেখা পাইছিল। কলম্বাছৰ ভাষ্যৰ পৰা আমি অনুমান কৰিব পাৰো যে, আমেৰিকাই পোনপ্ৰথমে ধঁপাত খোৱা প্ৰথা আৰম্ভ কৰিছিল ,এবিধ গছৰ শুকান পাতৰ গুৰি কৰি পাইপত ভৰাই ধঁপাত খাইছিল । পৱিত্ৰ গ্ৰন্থ বাইবেলে সেই গছজোপাৰ ওচৰলৈ মানুহ যোৱাতো নিষিদ্ধ কৰিছিল। নিষিদ্ধ ঘোষিত গছজোপাৰ নাম আছিল ধঁপাত, বাধা কৰা বস্তুৰ প্ৰতি মানুহৰ আগ্ৰহ বেছি, সেই সূত্ৰে কলম্বাছৰ লগত যোৱা নাৱিকসকলে আমেৰিকাৰ পৰা নিজ দেশ ইউৰোপলৈ উভতি আহোতে আমেৰিকাবাসীয়ে ব্যৱহাৰ কৰা বিভিন্ন বস্তু লগত লৈ আহিছিল, তাৰ মাজৰে এজন নাৱিকে কোনেও গম নোপোৱাকৈ অলপ ধপাতো আনিছিল। নাৱিকজনে আমেৰিকাবাসীয়ে কেনেদৰে ধঁপাত সেৱন কৰিছিল সেই কথা তেওঁৰ বন্ধু-বান্ধৱসকলক দেখুওৱা অপৰাধত ৰাজ ৰোষত পৰিবলগীয়া হৈছিল, ইয়াৰ পিছৰ পৰা ইউৰোপত ধঁপাতৰ প্ৰচলন হয়।

আমাৰ ভাৰতবৰ্ষতো ধঁপাতৰ জন্ম দিছিল পৰ্তুগীজসকলে, ভাৰতবৰ্ষৰ মাটিত ধঁপাত খেতিৰ বাবে বৰ উত্তম মাটি বুলি পৰ্তুগীজসকলে কৈছিল। সেইবাবে ভাৰতৰ মানুহে ধঁপাতৰ খেতি কৰি নিজৰ মাটিত উৎপাদন কৰি ধঁপাত ভক্ত হ'ল। কিন্তু সৌভাগ্যক্ৰমে মোগল সম্ৰাট ছাহজাহানে ইয়াৰ প্ৰচলন বন্ধ কৰি দিছিল। ধঁপাত আমি সাধাৰণতে বিড়ি, চাধা,চিগাৰেট আৰু গুটখাজাতীয় বস্তুবোৰক জানো। এই আটাইবোৰ বস্তুৱেই আমাৰ শৰীৰৰ বাবে অতি অপকাৰী, কিয়নো ধপাতৰ ধোঁৱাত শৰীৰত কেঞ্চাৰ ৰোগৰ সৃষ্টি কৰিব পৰা 'চাক্লিক হাইড্ৰকাৰ্বন' থাকে। চিগাৰেটৰ ধোঁৱাত থকা কাৰ্বন-ডাই-অক্সাইড তেজে গ্ৰহণ কৰাৰ ফলত শৰীৰত অক্সিজেন কমি যায়। ইয়াৰ ফলত হাতৰ আঙুলিবোৰ কঁপা ৰোগ হয়। সেইবাবে অধিক পৰিমাণে ধূমপান কৰিলে শৰীৰ বিভিন্ন অংগত

মাৰাত্মক কেঞ্চাৰ ৰোগে দেখা দিব পাৰে। এইবোৰ বস্তুয়ে আমাৰ মগজুৰো বিস্তৰ ক্ষতি কৰে।

ধূমপানে আমাক ইমানবোৰ ক্ষতি কৰা সত্তেও ইয়াৰ প্ৰতি মানুহৰ আসক্তি দিনক দিনে বাঢ়ি গৈছে। বৰ্তমান সময়ত আমাৰ মাজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বেছি ভাগেই অতিকৈ ধূমপান প্ৰিয় হৈ পৰিছে। প্ৰায় কলেজীয়া জীৱনৰ আৰম্ভ হোৱাৰ পৰা ছাত্ৰ-ছাত্ৰী কিছুমানে মিঠা চুপাৰি বা তেনে ধৰণৰ বস্তু কিছুমান খায়। পিছলৈ তেওঁলোকে মিঠা চুপাৰিৰ সলনি বিমল, কমলা পাচন, ৰজনীগন্ধা, টপ ষ্টাৰ, শিখৰ বা তেনেধৰণৰ কিছুমান ধূমপান জাতীয় বস্তু খাবলৈ আৰম্ভ কৰে আৰু এনেদৰে হৈ পৰে ধূমপান প্ৰেমী, কিন্তু ইয়াৰ পৰা কি অপকাৰ হয়, এইবোৰ সেৱন কৰাৰ ফলত ভৱিষ্যতে কেনে ধৰণৰ ভয়ংকৰ পৰিণতি হ'ব পাৰে অন্ততঃ এবাৰ হ'লেও ভাবি চোৱাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমতে কমকৈ ধূমপান সেৱন কৰে আৰু বয়সৰ লগে লগে ধূমপানৰ প্ৰয়োগ অধিক পৰিমাণে বাঢ়ি যোৱা দেখা যায়। ফলত জীৱনৰ আৰম্ভণি কালচোৱাতে ছাত্ৰ-ছাত্ৰীসকলে মৃত্যুক আহ্বান জনায়। অৱশ্যে আজিকালি ধূমপানৰ পেকেটবোৰত বগাৰ মাজত কলা আখৰেৰে ইৰাজী আৰু হিন্দীত স্পষ্টকৈ লিখা থাকে—

Tabacco Causes Cansar



সেয়েহে আমি শিক্ষিত ছাত্ৰ-ছাত্ৰী হিচাপে এইখিনি পঢ়ি চোৱাটো আমাৰ কৰ্তব্য। যদি সকলো জানি বুজিও আমি এইবোৰ সেৱন কৰি থাকো তেন্তে আমাৰ ডাঙৰ ভুল হ'ব এই ভুলৰ বাবে দায়ী কোন হ'ব? নিশ্চয় আমি, নহয় নে? 'স্বাস্থ্যই পৰম ধন' গতিকে আমি সুন্দৰ স্বাস্থ্যৰ গৰাকী হ'বলৈ হ'লে, পৃথিৱীত শান্তিৰে জীয়াই থাকিবলৈ হ'লে এইবোৰ পৰা আঁতৰি থাকিব লাগিব। তেতিয়াহে আমি পঢ়ি শুনি ডাঙৰ-দীঘল হৈ নিজকে একোজন মহান ব্যক্তি হোৱাৰ সপোন দেখিব পাৰিম।

আচলতে দেখা যায় যে যিকোনো এটা বেয়া অভ্যাস আয়ত্ব কৰি লোৱাটো অতি সহজ কিন্তু এৰি দিয়াটো কঠিন। যদি আমি আমাৰ জ্ঞানৰ চকু মেল খুৱাই সুস্থভাৱে জীয়াই থাকিব বিচাৰো তেতিয়া হ'লে বেয়া গুণবোৰ যেনেদৰে সহজতে আয়ত্ব কৰো ঠিক তেনেদৰে ত্যাগ কৰিব পাৰিব লাগিব। আমি ছাত্ৰ-ছাত্ৰীসকলৰ বাহিৰেও আমাৰ গাঁৱে ভূঁঞে থকা নিবনুৱা ডেকা ল'ৰাসকলকে ধূমপানৰ প্ৰতি অতি আগ্ৰহী দেখা যায়। আমি ছাত্ৰ-ছাত্ৰীসকলে ধূমপান সেৱন নকৰি ধূমপানৰ অপকাৰৰ বিষয়ে জনগণক সজাগ কৰি দিয়াটো অতিকৈ প্ৰয়োজন। ধূমপানে অকল মানুহৰ টকাই কাঢ়ি লৈ নাযায় লৈ যাব পাৰে আমাৰ অমূল্য জীৱনো। সেইবাবে আমি সকলোৱে বাগিয়াল বস্তুবোৰৰ পৰা আঁতৰি সুন্দৰ সমাজ এখন গঢ়িম বুলি শপত লওঁ আহক।

জীৱনক ভাল পোৱানে? তেনেহ'লে সময়ৰ অপব্যয় নকৰিবা কাৰণ জীৱন সেই বস্তুটোৰে গঢ়া।
— বেঞ্জামিন ফ্ৰেংকলিন

সংগ্ৰহ ঃ মইনুল হক





# গোলকীয় উষ্ণতা প্ৰদূষণ আৰু পৰিৱেশ সংৰক্ষণ

চুৰেল আলী আহমেদ
স্নাতক ৩য় ষান্মাষিক

পৰিৱেশ শব্দটোৰ পৰিসৰ অতি বহল। পৰিৱেশে জড়জগত, জীৱজগত, বতৰ, তাপ, পোহৰ, শব্দ আদিৰ উপৰিও মানুহৰ কাম-কাজকো সামৰি লয়। সেয়েহে ইয়াৰ প্ৰদূষণ, সংৰক্ষণ আৰু অধ্যয়নৰো কোনো নিৰ্দিষ্ট সময়সীমা আৰু পৰিসীমা নাই জ্ঞান অৰ্জনৰ প্ৰথমাৱস্থাৰ পৰা বৃদ্ধাৱস্থানলৈ প্ৰত্যেকজন ব্যক্তিৰ পৰিৱেশৰ ওপৰত থাকে এৰাব নোৱাৰা এক নৈতিক দায়িত্ব আৰু কৰ্তব্য। আমি বসবাস কৰা পৃথিৱী নামৰ গ্ৰহটো এতিয়া প্ৰদূষণৰ গৰাহত প্ৰকৃতিৰ মূল উপাদান মাটি, পানী আৰু বায়ু সকলোতে প্ৰদূষণৰ মাত্ৰা বৃদ্ধি হৈ আহিছে। পৃথিৱীৰ উষ্ণতা বৃদ্ধি পাইছে। পৰ্বতৰ শিখৰত মেৰু প্ৰদেশত ব্যাপক হাৰত বৰফ গলিবলৈ আৰম্ভ কৰিছে। অনা বৃষ্টি, অতিবৃষ্টি, ধুমুহা, বানপানী আদি প্ৰকৃতিৰ দুৰ্যোগ লগতে নানা ধৰণৰ ৰোগৰ প্ৰকোপ বৃদ্ধি পাইছে। সমুদ্ জলপৃষ্ঠ ওফন্দি উঠিছে আৰু তলিত আৱৰ্জনা জমা হৈ গৈ আছে। পৃথিৱীৰ ভূতাত্বিক গঠন পৰ্বত, নদী, অৰণ্য, সাগৰ, মৰুভূমি, আদ্ৰভূমি ইত্যাদি বৈচিত্ৰময় প্ৰাকৃতিক পৰিৱেশতহে জীৱৰ উৎপত্তি, বিকাশ, বংশবৃদ্ধি আৰু বৰ্ত্তি থকাৰ পৰিৱেশ সৃষ্টি হয়। সূৰ্যৰ ৰশ্মি, মধ্যাকৰ্ষণ শক্তি, জল, স্থল, বায়ু আদি উপাদান অবিহনে জীৱন ধাৰণ সম্ভৱ নহয়। অনুকুল পৰিস্থিতি তন্ত্ৰতহে বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী জীয়াই থকাটো সম্ভৱ হৈছে। প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰত নিৰ্ভৰ কৰি একোটা ভূ-খণ্ডৰ জৈৱ বৈচিত্ৰ্যৰ স্বকীয়তা দৃষ্টি গোচৰ হয়। এই ভিন্ন পৰিৱেশত প্ৰকৃতিৰ বিভিন্ন জীৱ জীয়াই থাকে। উদাহৰণস্বৰূপে মেৰু প্ৰদেশৰ মেৰু ভালুক আৰু মৰুভূমি অঞ্চলৰ উট এই দুটা প্ৰাণী ভিন্ন পৰিৱেশ তন্ত্ৰী প্ৰাণী।

জল, স্থল, বায়ু আৰু শব্দ প্ৰদূষণে পৃথিৱীৰ পৰিৱেশ দ্ৰুত গতিত সলনি কৰিছে। ইয়াৰ ফলত পৃথিৱীৰ গোলকীয় উষ্ণতা বৃদ্ধি পাইছে; বতৰৰ সঘনাই পৰিবৰ্তন হৈ পৰিৱেশৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি হৈছে। বৰ্ষা প্ৰধান মৌচুমী অঞ্চলত বৰষুণৰ পৰিমাণ হ্ৰাস পাইছে। আনহাতে মৰুভূমি অঞ্চলত প্ৰচুৰ পৰিমানে বৰষুণ হবলৈ ধৰিছে। এনেধৰণৰ প্ৰাকৃতিক বিসংগতিৰ কাৰণ হিচাপে পৰিৱেশ বিজ্ঞানীসকলে আধুনিক বিশ্বৰ শিল্পায়ন অৰণ্য ধ্বংস, যানবাহন, কাৰখানা, আৰু খেতি পথাৰত প্ৰয়োগ কৰা প্ৰচুৰ পৰিমাণৰ ৰাসায়নিক সাৰ কীটনাশক দ্ৰব্য,তৃণনাশক দ্ৰব্য আদিৰ ব্যৱহাৰ কাৰ্যক চিহ্নিত কৰিছে। এই বিলাক ঘটনাই প্ৰদূষণ



আৰু গোলকীয় উষ্ণতা বৃদ্ধি কৰা বুলি বিজ্ঞানী সকলে বিশ্লেষণ দাঙি ধৰিছে । প্রলয়ংকাৰী ভূমিকম্প, চুনামী, আগ্নেয়গিৰি আদি প্রাকৃতিক দুৰ্যোগ সমূহেও পৃথিৱীৰ ভৌতিক পৰিবৰ্তনৰ লগতে জল, স্থল আৰু বায়ুমণ্ডল প্রদূষিত কৰিছে। প্ৰতিযোগিতা মূলক শিল্পায়ন , পাৰমাণৱিক পৰীক্ষণ, বিস্ফোৰণ আদিৰ পৰা ওলোৱা ধোঁৱা আৰু ক্ষতিকাৰক ৰশ্মিয়েও পৰিবেশ প্রদূষণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্রত এক নেতিবাচক প্রভাৱ পেলাইছে। উদাহৰণস্বৰূপে জাপানৰ পাৰমাণৱিক বিস্ফোৰণ আৰু ভূপালৰ গেছ দুৰ্ঘটনাৰ কুফল এতিয়াও দেখিবলৈ পোৱা যায়। মৃত জন্তুৰ আবৰ্জনা, মুক্তখনি ,প্লাষ্টিক ব্যৱহাৰ , নগৰ কেন্দ্রিক সভ্যতাৰ জীৱন যাপন পদ্ধতি ব্যনহৃত নানা সামগ্রীৰ পেলনীয়া আৱৰ্জনা আৰু পৰিৱেশ সচেতনতাৰ অভাৱ আৰু দায়বদ্ধতা নোহোৱা মনোভাৱে নগৰাঞ্চল আৰু গাঁও অঞ্চলৰ এক কদৰ্য্যময় ঘৃণনীয় পৰিৱেশৰ সৃষ্টি কৰিছে। মানৱ সৃষ্ট এই প্রদূষণ প্রকৃতিয়ে সৃষ্টি কৰা প্রদূষণতকৈ অধিক ভয়ংকৰ হৈ



উঠিছে। বিগত শতিকাৰ শেষৰ ফালে পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্যতা হেৰুৱাই উদ্ভিদ আৰু প্ৰাণী জীয়াই থকাৰ ওপৰত নেতিবাচক প্রভাৱ পেলাইছে। গোলকীয় উত্তাপ বৃদ্ধি, অ'জন স্তৰৰ ক্ষতি সাধন আৰু বিবিধ প্রজাতিৰ জীৱৰ বিলুপ্তি ঘটনাই বিজ্ঞানী সকলক চিন্তিত কৰি তুলিছে। বৰফাবৃত অঞ্চলৰ পৰিৱেশত জীয়াই থকা বিভিন্ন প্রজাতিৰ জীৱলৈ বিপদ নামি আহিছে। বগা ভালুক, তিমিমাছ, ডলফিন, পেংগুইন, চীলমাছ আদি প্রজাতিৰ প্ৰাণী সমূহ বিপদ সংকুল অৱস্থাত জীয়াই থাকিব লগা হৈছে। পৰিবেশ প্রদূষণৰ ফলত গ্ৰীন হাউচ গেছ বৃদ্ধি আৰু ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মিৰ পৰা পৃথিৱীৰ প্ৰাণী আৰু উদ্ভিদক ৰক্ষা কৰা অ'জন স্তৰত ইতিমধ্যে ভালেমান ফুটা হৈছে। শিল্প উদ্যোগৰ পৰা নিৰ্গত আৱৰ্জনা আধুনিক যান-বাহনৰ ধোৱা-ধূলি আৰু শব্দ প্রদূষণেও বায়ুমণ্ডল জীৱনযাত্রাত নানা প্রকাৰে ক্ষতিসাধন কৰিছে। বায়ুমণ্ডলৰ বিভিন্ন গেছীয় পদাৰ্থ যেনে- কাৰ্বন-ডাই-অক্সাইড ($CO_2$) মিথেন($CH_4$)নাইট্রজেন($N_2O$) ছালফাৰ-ডাই অক্সাইড($SO_2$) আদিৰ পৰিমান বৃদ্ধি পাইছে। আৰ্ছেনিক,সীহ আদি ধাতুৰ কণিকা ধোৱা-ধূলিৰ লগত মিহলি হৈ এক শ্বাসৰুদ্ধকৰ পৰিৱেশৰ সৃষ্টি হৈছে। ইয়াৰ ফলত বায়ুমণ্ডল প্রদূষিত হৈছে ,শ্বাস-প্রশ্বাসজনিত ৰোগ হৃদযন্ত্ৰৰ ৰোগ, যক্ষ্মা, কৰ্কট ৰোগ আদিৰ দৰে মাৰাত্মক ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। ইয়াৰ বাবে জগৰীয়া হৈছে ভোগবাদী জীৱশ্রেষ্ঠ মানুহ। মুক্ত অৰ্থনীতি, পুজিবাদী সমাজবাদী ব্যৱস্থাৰ মানবতা বিৰোধী, প্ৰকৃতি বিৰোধী পৰিবেশ বিজ্ঞান সম্পৰ্কীয় অজ্ঞতা, ৰাষ্ট্ৰৰ অস্পষ্ট আৰু কেনালগা বন সংৰক্ষণনীতি, জলনীতি, পৰিৱেশ সংৰক্ষণ নীতি আৰু প্রদূষণ সম্পৰ্কে জনসাধাৰণৰ সচেতনতাৰ অভাৱে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাত উদগনি যোগাইছে । বিভিন্ন ৰাজনৈতিক ঘটনা প্ৰৱাহ, প্ৰবজন বনাঞ্চল ধ্বংস, বানপানী, গৰাখহনীয়া, প্ৰাকৃতিক দুৰ্যোগ আদিৰ ফলত পৰিৱেশ দ্ৰুতগতিত সলনি হৈ প্রদূষণ বৃদ্ধি পাইছে। দুৰ্নীতি, ভ্ৰষ্টাচাৰ,পাহাৰখনন,চোৰাং চিকাৰী আৰু বনদস্যু সকলক দ্বাৰা ব্যাপক হাৰত হোৱা গছ-গছনিৰ ধ্বংস





আৰু দুষ্প্রাপ্য প্ৰাণীবধ কাৰ্য্য পৰিৱেশ সংৰক্ষণৰ বাবে কেতিয়াও গ্রহণীয় হ'ব নোৱাৰে। অবিবেচক মানুহৰ লোভ আৰু নিষ্ঠুৰতাই প্ৰকৃতি ধ্বংসত লিপ্ত হৈ কেৱল নিজৰ সুখ স্বাচ্ছন্দ্যতে মতলীয়া হৈ পাহৰি গৈছে যে প্ৰকৃতিৰ দয়া অবিহনে মানুহৰো অস্তিত্ব এদিন বিলুপ্ত হৈ যাব। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বতৰৰ পৰিবৰ্তন খৰাং, বান-পানী, আদিয়ে কৃষি নিৰ্ভৰ দেশ সমূহৰ ওপৰত এক সুদূৰ প্রসাৰী প্রভাৱ পেলাইছে। গ্ৰীন হাউচ গেছ আৰু বায়ু প্রদূষণৰ প্রধান কাৰক কাৰ্বনডাইঅক্সাইড ($CO_2$) নিৰ্গমনৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে বহুতো জীৱ প্রজাতি বিপদাপন্ন হৈ বিলুপ্তিৰ পথত আৰু সাগৰ উপকুলীয় ভূমিৰ দেশবোৰ পানীৰ তলত ডুব যোৱাৰ আশংকাই দেখা দিছে। নদী অঞ্চলত ইঞ্জিন চালিত নাওঁৰ পৰা নিঃসৰণ হোৱা জৈৱতেল আৰু শব্দ প্রদূষণৰ বাবে বিভিন্ন প্রকাৰৰ মাছ, শিহু, ঘঁৰিয়াল, কুম্ভীৰ আদি নাইকিয়া হৈছে। চৰকাৰী নিযেধাজ্ঞা অমান্যকাৰী বিভিন্ন জলাশয়ৰ পৰা অসময়ত মাছৰ পোনা ধৰাৰ ফলত মাছ পুঠি পাবলৈ নাইকিয়া হৈছে। জনসংখ্যা বিস্ফোৰণ আৰু মানুহৰ ভোগবাদী মনোভাৱে বিভিন্ন জলাশয়, বনাঞ্চল,গো-চৰণীয়া পথাৰ, পাহাৰ অঞ্চল আদি বেদখলৰ কবলত পৰিছে। ফলত এই অঞ্চল বিলাকত বাস কৰা নানা ধৰণৰ চৰাই চিৰিকটি,বন্য প্ৰাণী আৰু নানা প্রজাতিৰ উদ্ভিদ বিলুপ্ত হৈছে আৰু যিবিলাক আছে সেইবিলাকো বিলুপ্তিৰ পথত । অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্য জৈৱ বৈচিত্ৰৰ এক উৎকৃষ্ট নিদৰ্শন। ইয়াৰ বাবে পৃথিৱীৰ পৰ্যটক সকলৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। এনেকুৱা গৌৰৱময় সম্পদো আমাৰ পৰা নিৰাপদ নহয়। কাজিৰঙা অভয়াৰণ্যত চোৰাং চিকাৰীয়ে যি হাৰত গঁড় নিধন যজ্ঞ চলাইছে বিৰল প্রজাতিৰ এশিঙিয়া গঁড় পৃথিৱীৰ পৰা নিঃশেষ হবলৈ বেছি সময়ৰ প্রয়োজন নহব।

পৰিৱেশ প্রদূষণৰ পৰা সংৰক্ষিত অৱস্থাত ৰাখিবলৈ এক উমৈহতীয়া প্রচেষ্টাৰ প্রয়োজন। পৰিৱেশ কি আৰু ইয়াৰ প্রয়োজনীয়তা কিমান এই বিষয়ে আমি সচেতন হব লাগিব। প্রদূষণৰ ফলত সৃষ্টি হোৱা জলবায়ুৰ পৰিবৰ্তন কঢ়িয়াই অনা এই বিপদৰ পৰা মানৱ প্রজাতি, উদ্ভিদ, প্ৰাণী,আৰু পৃথিৱীখনক ৰক্ষা কৰাৰ বাবে বিশ্বৰ বিভিন্ন সংস্থা, অনুষ্ঠান-প্রতিষ্ঠান আনকি চৰকাৰেও কিছুমান কাৰ্য্যসূচী হাতত লৈছে। ইতিমধ্যে বিজ্ঞানীমহলে প্রদূষণৰ কিছুমান কাৰণ চিহ্নিত কৰি ইয়াৰ প্রতিকাৰৰ উপায় উদ্ভাৱন কৰি তাক কাৰ্য্যকৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে । পৃথিৱীৰ পৰিৱেশ প্রদূষিত কৰি জীৱ কূললৈ অস্তিত্বৰ সংকট নমাই অনা মানৱ সৃষ্ট প্রদূষণ আৰু ধ্বংস কাৰ্য্যৰোধ কৰিব লাগিব। প্রাকৃতিক সম্পদৰ প্ৰতিও মানুহৰ ভোগবাদী মনোভাব পৰিহাৰ কৰিব লাগিব। বন্যপ্ৰাণী,উদ্ভিদ আৰু প্ৰকৃতিৰ প্ৰতি সহানুভূতি দেখুৱাব লাগিব। ইয়াৰ বাবে বলবৎ কৰা চৰকাৰী নীতিনিয়ম নিযেধাজ্ঞা আদি মানি চলিব লাগিব। এই ক্ষেত্রত বিভিন্ন প্রকৃতিপ্রেমী সংগঠনৰ পৰিসৰ বিস্তাৰণ কৰিব লাগিব। ব্যক্তিগত কামৰ বাবে যাতে পৰিৱেশ প্রদূষিত নহয় তাৰ প্ৰতি সচেতন হব লাগিব আৰু তেতিয়াহে পৰিৱেশ সংৰক্ষিত হব। পৰিৱেশ সংৰক্ষিত হলেহে প্রকৃতি ৰক্ষা পৰিব আৰু প্রকৃতি ৰক্ষা পৰিলহে সকলো প্রজাতিৰ লগত আমি মানুহ নামৰ প্রজাতিও ৰক্ষা পৰিম। ❖



# বাৰাক অ'বামাৰ
## জীৱন আৰু কৰ্ম

নাজমা চুলতান
(উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ বিজ্ঞান শাখা)

বাৰাক হুছেইন অ'বামাৰ জন্ম হয় ১৯৬১ চনৰ ৪ আগষ্টত, আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাৱাইত। তেখেতৰ পিতৃ বাৰাক অ'বামা (জ্যেষ্ঠ) কেনিয়াৰ পৰা অহা এজন কৃষ্ণাংগ আমেৰিকান,আনহাতে মাতৃ এন ডানহাম কেনচাচৰ এগৰাকী শ্বেতাংগ আমেৰিকান। জ্যেষ্ঠ বাৰাক অ'বামাৰ জন্ম হৈছিল, কেনিয়াৰ নেনজা প্ৰদেশত। চৰকাৰী জলপানীৰে তেওঁ হাৱাইত পঢ়িবলৈ আহে আৰু তাতে সহপাঠী এন ডানহামক লগ পায় আৰু পিছত দুয়ো বিবাহপাশত আবদ্ধ হয়। অ'বামাৰ জন্মৰ ২ বছৰৰ পাছতে পিতৃ মাতৃৰ বিবাহ বিচ্ছেদ হয় আৰু ১৯৬৫ চনত এন ডানহামে ইণ্ডোনেছিয়াৰ ছাত্ৰ ল'ল ছ'ৱেট'ৰ'ৰ সৈতে বিবাহ কৰে,আৰু এবছৰৰ পাছত গোটেই পৰিয়াল জাকাৰ্টালৈ যায়গৈ। তাতে অ'বামাৰ সতীয়া ভগ্নী মায়া ছ'ৱেট'ৰ'ৰ জন্ম হয়। বাৰাক অ'বামাই সতীয়া পিতৃ আৰু ভগ্নীৰ লগত ইণ্ডোনেচিয়াত থাকিবলৈ লয়।

অ'বামাৰ শিক্ষাৰ প্ৰয়োজনীয়তাত তেখেতৰ মাতৃয়ে তেওঁক পুনৰ হাৱাইলৈ পঠিয়াই দিয়ে আৰু তেওঁ হাৱাইৰ বিখ্যাত 'পুনাহু' স্কুলত শিক্ষা লাভ কৰে। স্কুলীয়া জীৱনত তেওঁ মধ্যমীয়া ছাত্ৰ আছিল। এন ডাৰহাম আৰু মায়াও কিছুদিনৰ পাছত হাৱাইত থকা অ'বামাৰ ওচৰলৈ গুচি আহে। তাৰ পাছত তেওঁ লছ এঞ্জেলছৰ অক্সিডেণ্টেল কলেজত নাম ভৰ্তি কৰে আৰু তাৰ পাছত কলম্বিয়া বিশ্ববিদ্যালয়লৈ যায়। তাত তেখেতে ৰাজনীতি আৰু বৈদেশিক পৰিক্ৰমাৰ বিষয়ে অধ্যয়ন কৰে। তাৰ পাছত তেওঁ চিকাগোৰ দুখীয়া আৰু কৃষ্ণাংগৰ লোক অধ্যুষিত অঞ্চলবিলাকত 'কমিউনিটি অৰ্গেনাইজাৰ' হিচাপে কৰ্মৰত হয়। ১৯৯০ চনত অ'বামা "হাৰ্ভাৰ্ড ল'ৰিভিউ" সম্পাদিত হয় কৰা প্ৰথম আফ্ৰিকামূলীয় আমেৰিকান ৰূপে পৰিগণিত হয়। ১৯৯১ চনত তেওঁ হাৰ্ভাডৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰে।

১৯৯৬ চনত অ'বামা ইলিনয়ৰ পৰা ষ্টেটচিনেটৰ হিচাপে নিৰ্বাচিত হয় আৰু ৮ বছৰ কাৰ্যনিৰ্বাহ কৰে। ২০০৪ চনৰ ডেম'ক্ৰেটিক নেচনেল কন ভেনচনৰ 'জন কেৰী' সমৰ্থনত এটি অতি প্ৰয়োজনীয় ভাষণেৰে অ'বামাই ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিতি লাভ কৰে।

২০07 চনৰ ফেব্ৰুৱাৰী মাহত আমেৰিকাৰ ডেম'ক্ৰেটিক দলে তেওঁক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰে। এই মনোনয়নৰ বাবে হোৱা ডেম'ক্ৰেটিক দলৰ আভ্যন্তৰীণ নিৰ্বাচনত তেওঁ প্ৰাক্তন ৰাষ্ট্ৰপতি (বিল কিন্টন) ৰ পত্নী হিলাৰী ৰ'ধাম ক্লিন্টনক পৰাজিত কৰিছিল। পিছত হোৱা সাধাৰণ নিৰ্বাচনত তেখেতে ৰিপাব্লিকান দলৰ প্ৰাৰ্থী জন মেক-কেইনক অনায়াসে পৰাস্ত কৰে। চিনেটৰ হিলাৰী ক্লিন্টনে নিৰ্বাচনী প্ৰচাৰৰ সময়ৰ অ'বামালৈ সম্পূৰ্ণ সমৰ্থন আগবঢ়ায়। সেইসময় আমেৰিকাৰ অৰ্থনীতি আৰু কুটনীতিৰ এক জটিল সময় আছিল। অ'বামাৰ নিৰ্বাচনী প্ৰচাৰৰ মূল এজেণ্ডা আছিল, অৰ্থনৈতিক সংস্কাৰ,বিকল্প শক্তি, আৰু শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ আমূল পৰিৱৰ্তন, লগতে ৰাষ্ট্ৰৰ ঋণ হ্ৰাস কৰা। এই নিৰ্বাচনত অ'বামাই ৫২.৯ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে ৰিপাব্লিকান প্ৰাৰ্থী জন মেক কেইনে ৪৫.৭% ভোট পায়।

২০০৯ চনৰ ২০ জানুৱাৰীত অবামাই আমেৰিকাৰ ৪৪ তম তথা প্ৰথম আফ্ৰিকীয় মূলৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে।

প্ৰথমবাৰ ৰাষ্ট্ৰপতি হোৱাৰ সময়তে অ'বামাই কঠিন পৰীক্ষাৰ সন্মুখীন হয়। ইতিমধ্যে বিশ্বৰ আৰ্থিক মন্দাৱস্থা আৰম্ভ হৈ গৈছিল, দুখনকৈ যুদ্ধ চলি আছিল, আৰু আন্তঃৰাষ্ট্ৰীয় জনপ্ৰিয়তা মাপকত আমেৰিকাৰ স্থান ইতিহাসত সকলোতকৈ তললৈ নামিছিল । এই সম্পৰ্কে অ'বামাই আমেৰিকাৰ জনসাধাৰণক এইদৰে কৈছিল — 'Today I say to you that the challenges we face are real.They are serious and they are many, they will not be met easily or in a short span of Time.But know this,America, they will be met,

নিজৰ কাৰ্যকালৰ ১০০ দিনৰ ভিতৰত অ'বামাই বিভিন্ন ক্ষেত্ৰত কেইবাটাও দৃঢ় পদক্ষেপ লৈছিল। শিশুৰ স্বাস্থ্য,বীমাৰ পৰিসৰ বৃদ্ধি কৰা,মহিলাৰ সমমজুৰীৰ দাবীৰ প্ৰতি সমৰ্থন আগবঢ়োৱা,অৰ্থনৈতিক প্ৰগতি হ্ৰস্বম্যাদী পৰিকল্পনাৰ প্ৰতি সহযোগ কৰা, ইত্যাদি বিল কংগ্ৰেছত গ্ৰহণ কৰা হৈছিল। গৃহনিৰ্মাণ আৰু ক্ৰেডিট ক্ষেত্ৰৰ পুনৰুত্থানৰ বাবে চৰকাৰী সহায় আগবঢ়োৱা হৈছিল। বিভিন্ন কৰো কৰ্তন কৰা হৈছিল।

এইকেইদিনতে অ'বামাই আমেৰিকাৰ পৰৰাষ্ট্ৰনীতিৰো আমূল পৰিবৰ্তন ঘটোৱাৰ প্ৰয়াস কৰিছিল। তেওঁ ইউৰোপ,ৰাছিয়া,আৰু চীনৰ সৈতে সম্পৰ্ক উন্নীতকৰণৰ লগতে,ইৰাণ,ভেনিজুৱেলা,আৰু কিউবাৰ সৈতে আলোচনা কৰিবলৈ আগবাঢ়িছিল। মিত্ৰদেশসমূহৰ লগত একেলগ হৈ বিশ্বৰ অৰ্থনৈতিক মন্দাৱস্থাৰ বিৰুদ্ধে সামূহিক ভাবে আগবাঢ়িছিল। আফগানিস্তানলৈ অতিৰিক্ত ২১০০০ সামৰিক গোট পঠোৱাৰ লগতে, আগষ্ট ২০১০ ৰ ভিতৰত ইৰাকৰ পৰা আমেৰিকীয় সেনা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছিল।

২০০৮ চনৰ দৰে,২০১২ চনতো অ'বামাৰ নিৰ্বাচন প্ৰচাৰৰ মূলমন্ত্ৰ তৃণমূলীয় বিষয়বস্তুৰেই হয়। ২০১২ চনৰ এই নিৰ্বাচনত অ'বামা ৰিপাব্লিকান দলৰ মিট ৰমেনৰ মুখামুখি হয়। ২০১২ চনৰ ৬ নৱেম্বৰৰ সন্ধিয়া অ'বামাক বিজয়ী ঘোষণা কৰা হয়। যদিও প্ৰাক নিৰ্বাচন সমীক্ষাবিলাকত তেওঁ কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি ধাৰণা কৰা হৈছিল। অ'বামাই প্ৰায় ৬০% ভোট লাভ কৰে। ২০১৩ চনৰ ২১ জানুৱাৰীত অ'বামাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ আসন গ্ৰহণ কৰে।

বাৰাক অ'বামা ১৯৯২ চনত মিছেল অ'বামা (আগতে ৰাঠনচন) ৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেওঁলোকৰ মালিয়া (জন্ম ১৯৯৮) আৰু ছাৰা (জন্ম ২০০১) নামেৰে দুগৰাকী দুহিতা আছে।

"আন্তঃৰাষ্ট্ৰীয় কূটনীতি আৰু সহযোগীতা সৱলী কৰণৰ ক্ষেত্ৰত অসামান্য অৱদান"ৰ বাবে বৰাক অ'বামাক ২০০৯ চনৰ শান্তিৰ ন'বেল বঁটা প্ৰদান কৰা হয়। নৰৱেৰ ন'বেল সমিতিয়ে (Norwegian Nobel Committee) ২০০৯ চনৰ ৯ অক্টোবৰত এই বঁটাৰ কথা ঘোষণা কৰাৰ সময়ত পৰামাণৱিক অবিস্তাৰ (nuclear nonproliferation)ৰ ক্ষেত্ৰত বাৰাক অ'বামাৰ যোগদানৰ কথা উল্লেখ কৰে,আৰু লগতে তেখেতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত নতুন ভাৱধাৰাৰ সূচনা কৰা বুলিও কয়। ২০০৯ চনৰ ১০ ডিচেম্বৰত অচ্‌ল'ত এটা ৩৬ মিনিটিয়া ভাষণেৰে অ'বামাই এই বঁটা গ্ৰহণ কৰে।

নবেল বঁটা লাভ কৰা অ'বামা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৪ৰ্থ জন ৰাষ্ট্ৰপতি,ইয়াৰ আগতে থিঅ'দৰ ৰুজভেল্ট (Theodore Roosevelt), উড্ৰ ৱিলচন (Woodrow wilson) আৰু জিমি কাৰ্টাৰে (Jimmy curter)এ এই বঁটা লাভ কৰিছিল।

বাৰাক অ'বামাই ১৯৯৫ চনত আত্মজীৱনীমূলক গ্ৰন্থ " Dreams From my father " (মোৰ দেউতাৰ সপোন) প্ৰকাশ কৰে। তেখেতৰ দ্বিতীয় গ্ৰন্থ হ'ল "The Audacity of Hope" (আশাৰ সাহস) ,যিখন ২০০৬ চনত মুকলি কৰা হয়। দুয়োখন কিতাপেই গ্ৰেমী (Grammy Award) ৰ বেষ্ট স্পকে'ন বৰ্ড এলবাম'ৰ খিতাপ লাভ কৰে।❖

# গল্পৰ জোলোঙা

'কম কথাতে মনোৰমকৈ চিত্ৰ সংযোগৰ মাজেদি জীৱনৰ কোনো মুহূৰ্তৰ অৱলম্বনত জীৱনক উদ্ভাষিত কৰি তোলাই গল্পৰ উদ্দেশ্যে।'

— ত্ৰৈলোক্য নাথ গোস্বামী







# জীৱন

হিমাশ্ৰী বেজবৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

এখন সৰু গাওঁ। গাওঁখনৰ নাম পদুম। গাওঁখনৰ সৰহভাগ মানুহেই হৈছে খেতিয়ক। তাৰ ভিতৰত দুই এজন চাকৰিয়ালো আছে। সেই গাওঁখনতে ৰমেন নামৰ সৰু ল'ৰা এটাই বাস কৰিছিল।ৰমেনৰ দেউতাক আছিল এজন খেতিয়ক।

সিহঁতৰ পৰিয়ালটো আৰ্থিকভাৱে বৰ টনকিয়াল নাছিল। কেনেবাকৈ সিহঁতে পেটে-ভাতে খাই আছিল। সিহঁতৰ ঘৰৰ লগতে লগালগিকৈ ঘৰ আছিল হৰেণহঁতৰ। হৰেণৰ দেউতাক আছিল এজন পুলিচ অফিচাৰ। সিহঁতৰ কোনো বস্তুৰে অভাৱ নাছিল। ৰমেন আৰু হৰেণ দুয়ো খুব ভাল বন্ধু আছিল।দুয়ো একেলগে খেলিছিল আৰু স্কুললৈ সদায় একেলগে গৈছিল। দুয়ো বন্ধু কোনোদিনে নেদেখাকৈ থাকিব নোৱাৰিছিল। লাহে লাহে দুয়ো ডাঙৰ হৈ আহিল। দুয়ো ষষ্ঠ শ্ৰেণী পালে। হৰেণতকৈ ৰমেনে বেছিকৈ পঢ়িব পাৰিছিল। শ্ৰেণীত সদায় ৰমেনৰ স্থান আগত আছিল।

সেইকাৰণে শিক্ষকসকলে ৰমেনক বৰ ভাল পাইছিল। এদিন হঠাতে এটা অঘটন ঘটিল। সেইদিনা আছিল সোমবাৰ। ৰাতিপুৱাই ৰমেনে গা ধুই খাই-বই হৰেণৰ লগত স্কুললৈ আহিছিল। কিবা কাৰণত মাকে ওচৰৰ এঘৰ মানুহৰ ঘৰলৈ গৈছিল। এনেতে দেউতাকে পথাৰৰ পৰা আহি ঘৰ সোমাবলৈ লওঁতে বাৰাণ্ডাতে পৰি গ'ল। মাকে আহি দেউতাকৰ এই অৱস্থা দেখি চিঞঁৰ - বাখৰ কৰাত ওচৰ চুবুৰীয়া আহিল যদিও দেউতাকৰ ইতিমধ্যে মৃত্যু হোৱা বুলি গ'ম পালে। ৰমেনে স্কুলৰ পৰা আহি দেউতাকৰ এই অৱস্থা দেখি কান্দিবলৈ ধৰিলে। তথাপি সি মনত সাহস গোটাই দেউতাকৰ প্ৰেতঃকৰ্মখিনি শেষ কৰিলে।এদিন দুদিন কৰি সময় যোৱাত সি এদিন হাইস্কুল শিক্ষান্ত পৰীক্ষা দিবলৈ সাজু হ'ল। মাকে আনৰ ঘৰত কাম কৰি অশেষ কষ্টৰে তাক পঢ়াৰ সামগ্ৰীবিলাক যোগাৰ কৰি দিলে। এদিনাখন সি স্কুলৰ পৰা আহি দেখে যে মাকে বিচনাত শুই আছে। সি মাকৰ গা চুই গম পালে যে মাকৰ গাত ভীষণ জ্বৰ উঠিছে। উপায়হীন হৈ সি ল'ৰালি বন্ধু হৰেণহঁতৰ ঘৰলৈ গৈ দেউতাকৰ পৰা অলপ সহায় বিচাৰিলে। কিন্তু অহংকাৰী হৰেণৰ দেউতাকে ৰমেনক খেদি পঠিয়ালে। এনেকৈ মাক তিনিদিন থকাৰ পিছত চিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰিলে। মাকৰ মৃত্যুত ৰমেনৰ ৰাজহাঁড় ভাঙি গ'ল। কিন্তু সাহসী ৰমেনে সাহসেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা দিলে। সি প্ৰতিজ্ঞা কৰিলে সি এদিন ডাক্তৰ হ'বই। পৰীক্ষাৰ ফলাফল ওলোৱাত গম পালে যে সি পৰীক্ষাত ষ্টাৰ পাইছে। কিন্তু হৰেণে তৃতীয় বিভাগত পাছ কৰিলে। ৰমেনে পইচা যোগাৰ কৰি বিজ্ঞান শাখাত নামভৰ্তি কৰিলে। এইফালে হৰেণে পঢ়াশুনা বাদ দি ৰাস্তাই-ঘাটে ঘূৰি ফুৰিব ধৰিলে। ৰমেনে উচ্চ শিক্ষা লাভ কৰি এদিন নিজ ঘৰলৈ ঘূৰি আহিল। গাওঁৰ সকলোৱে ৰমেনক শলাগিলে। ৰমেনৰ চিকিৎসাত গাওঁৰ বহুতো মানুহৰ বেমাৰ ভাল হ'ল।

হৰেণৰ দেউতাকে এদিন ৰমেনৰ তাত চিকিৎসা কৰিবলৈ আহিল। তেওঁৰ চিকিৎসাত হৰেণৰ দেউতাক সুস্থ হ'ল। ৰমেনে হৰেণৰ দেউতাকক একো কোৱা নাছিল যদিও হৰেণৰ দেউতাকে বুজি পাইছিল যে সময়ৰ সোঁতত মানুহৰ জীৱন কেনেদৰে সলনি হ'ব পাৰে।

# বিষাদ উপত্যকাৰ গাঁথা

ৰুন্মা লাইলা এছমিন

ঐ পাগলী ,ঐ পাগলী — নৈপৰীয়া গাওঁখনৰ চিনাকী শব্দ কেইটাই ভাদমহীয়া দুপৰীয়াটিৰ প্ৰখৰ ৰ'দক জোকাৰি গ'ল। গাওঁখনৰ সৰু সৰু লৰা-ছোৱালী কেইটাৰ হাতত শিলগুটি লৈ কাৰোবাৰ পিছে পিছে চিনাকি দৌৰ। " তহঁত নাহিবি মোৰ ওচৰলৈ গুচি যা, যা"..... । গাওঁখনৰ মানুহবোৰে সদায় শুনি থকা চিঞৰটো শিল এটাত উজুতি খাই পৰিল। লাহে লাহে কাকুতি লৈ ৰূপান্তৰ হোৱা আৰ্তনাদ টো প্ৰায় পাঁচ বছৰ পুৰণি। গাওঁখনৰ আটাইতকৈ ৰূপহী ছোৱালী তাই । আজলী ছোৱালী জুনুকাজনী সকলোৰে বৰ আদৰৰ। বিহুৰ পৰা পূজালৈ সকলোতে জুনুকাজনী আগত।

আহিন মাহৰ কুঁৱলী সনা দিনটোত গাওঁখনলৈ সন্ধিয়া নামিছিল। জুনুকাহঁতৰ পুৱাৰে পৰা গাত তত্ নাই। আজি সিহঁত দূৰ্গা পূজা চাবলৈ যাব। মাকে দিয়া নতুন ৰঙা ফ্ৰক চুৰিদাৰ যোৰ পিন্ধি বান্ধৱীহঁতৰ লগত পূজা থলীলৈ ঢাপলি মেলিলে। তাইৰ বান্ধৱীহঁতৰ ঘৰ পূজাথলীৰ ওচৰতে। তাইৰ কিছু নিলগত। এইবাৰৰ পূজা মণ্ডপ যোৱা কেইবছৰৰ তুলনাত ডাঙৰ। ছিল্কৰ ৰঙীন কাপোৰেৰে সু-সজ্জিত হৈ পৰা মণ্ডপটো সন্ধিয়াৰ লগে লগে বিভিন্ন পোহৰেৰে জকমকাই উঠিবলৈ ল'লে। উৎসৱ মুখৰ সেই পৰিৱেশত তাইৰ গা সাতখন আঠখন হ'ল। পূজাত দেৱী দুৰ্গাক সেৱা জনাই সিহঁত পূজাৰ মেলাত দোকানে দোকানে ঘূৰিছে চাৰিওফালে উলহ-মালহ পৰিৱেশ। মাজে মাজে দুই এটা বিকট চিঞৰ। কাৰোবাৰ হাতত বেলুন, কাৰোবাৰ হাতত খেলাৰ বন্দুক। কাৰোবাৰ হাতত আকৌ জিলাপীৰ টোপোলা। গোটেই মণ্ডপটোতেই অজস্ৰ মানুহৰ সমাগম এক উৎসৱমুখৰ পৰিৱেশ।

জুনুকাহঁতে আন ছোৱালীবোৰৰ দৰে মনিহাৰী দোকানত উবুৰি খাই পৰিল। মেলি থকা চিধা চুলি কোছাত তাই ৰং বিৰঙৰ ক্লিপ দুই এটা গুজি দি চাই আছে। সিহঁত মনিহাৰী কিনাত ব্যস্ত। মনিহাৰী দোকানখনৰ ইটো-সিটো বস্তু গোটেই কেইজনীয়ে লিৰিকি বিদাৰি চাইছে।

'ঐ সেই ল'ৰাকেইটাক চাচোন। কেনেকৈ তোৰ ফালে চাই আছে।' বান্ধৱী পদুমীৰ কথা শুনি ভিৰত পৰি যাব খোজা দুপাত্তাখন পৰিপাটীকৈ ল'লে। 'এইবাদ-দে-না চা ও-ক দে' জুনুকাই ক'লে। তাই এইবোৰ কথা বৰ এটা ভাহি নাথাকে। শুনা নুশুনাকৈ ভিৰৰ পৰা ভাহি আহি কেইটামান অশ্লীল শব্দ। দুই এটা সুহুৰি।

দুটা এটা বস্তু কিনিলে সিহঁতে। পিছত ৰেষ্টোৰেণ্ট এখনত চাওমিন খাই জুনুকাহঁত ঘৰলৈ খোজ ল'লে বান্ধৱীহঁতে ইমান ৰাতি তাইক ঘৰলৈ যাবলৈ মানা কৰি যদিও তাই সিহঁতৰ কথা নুশুনিলে। ৰাঙলী জুনুকাজনী অকলে চাৰি আলিটোৰ পৰা ঘৰলৈ ৰাওনা হৈছিল। ওঁঠ লাগি আছিল মিঠা মিঠা গুনগুননি। পথাৰখনৰ নিজান পথটো, বাঁহনি ডৰা সকলো যেন তাইৰ অতিকৈ আপোন চিনাকী। এই ঠাইখিনি তাইৰ বাবে যেন সম্পূৰ্ণ নিৰাপদ নিৰ্ভয়।

কিন্তু অলপ দূৰ আগবঢ়াৰ পিছত হঠাতে যেন তাইৰ ... খাই উঠিছিল। যেন লুকাই লুকাই তাইক কোনোবাই চাই আছিল। ভয়ক বুকুতে লুকাই তাই আগলৈ খোজ দিছিল হঠাতে তাইৰ আগত চাৰিটা ডেকা ল'ৰা উপস্থিত হ'ল কিবা এটা বুজাৰ আগতে তাইক লৈ সিঁহতৰ মাজত ...





আজোৰা চলিল। গাত পৰিল নখৰ হেজাৰ আচোৰ, তাইৰ গাৰ ওপৰত চাৰিটা দেহ। সিহঁতে তাইক সাপে মেৰিওৱাৰ দৰে মেৰিয়াই পেলাইছে। সময় বাগৰিল। পাঁচ বছৰ পিছত আজি নখৰ আচোৰবোৰ পুৰণি হ'ল। দাগবোৰ কিন্তু আজিও আছে। তাই আজিও আহিছে নদীৰ ঘাটলৈ। দাগবোৰ লাহে লাহে ঘহিব। তাইৰ কণ্ঠ নাই কিন্তু কথা আছে। তাইৰ দাগবোৰে কথা কয়।

গাঁওখনৰ প্ৰায়ভাগ মানুহৰ জিভাৰ আগত তাইৰ নামটো, ইফালে গ'লেও — ঐ জুনুকা ক'লৈ যাৱ ? সিফালে গ'লেও জুনুকা এই দুপৰীয়া ক'ৰ পৰা আহিলি। দূৰৰ পৰা দেখিলেও গাঁওখনৰ কিমানৰ যে চিঞৰটো বতাহত ভাঁহি গৈ তাইৰ কাণত ৰিণি ৰিণি বাজে ঐ জুনুকা এইফালে এবাৰ মাত দি যা চোন। গাঁওখনৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ তাইৰ চঞ্চল ভৰি দুখনে দেও দি দি জপিয়াই ফুৰে। তাইৰ উজ্জ্বল দুচকুত তিৰ্‌বিৰাই থকা চকুমণি দুটিয়ে বহু কথাই কৈ যায়। তাইৰ আশাবোৰৰ কথা সপোনবোৰৰ কথা, যৌৱনৰ লাজ লাজ অথচ মিঠা অনুভূতিবোৰৰ কথা...

সময় বাগৰিল। নখৰ আচোঁৰবোৰ পুৰণি হ'ল। সেই পুৰণি আঁচোৰৰ দাগবোৰ কিন্তু এতিয়াও উজ্জ্বল হৈ পৰি আছে তাইৰ দেহত। সেই দাগবোৰত চকু পৰিলে আজিও তাই বিকট চিঞৰ মাৰি উঠে। জেঠৰ প্ৰখৰ ৰ'দতো তাই শীতত কুঁচি মুচি শীত গুচাব নোৱাৰা মানুহৰ দৰেই নিজৰ দেহটোৰ মাজতেই সোমাই চট্‌ফটাবলৈ ধৰে, পুহমহীয়া শীততো ঘামত তিতি সুৰসুৰীয়া হয়। তাই আজিও আহিছে নদীৰ ঘাটলৈ। দাগবোৰ লাহে লাহে ঘঁহিব ধৰিছে আৰু পাঁচবছৰৰ আগৰ সেই গাত আঁচোৰ নথকা মসৃণ দেহৰ জুনুকাজনী হৈ পৰিব বুলি। তাইৰ কণ্ঠ নাই কিন্তু কথা আছে। তাইৰ দাগবোৰে কথা কয়, পাঁচবছৰৰ আগৰ নিৰ্জন ঠাই টুকুৰাৰ বাঁহনিডৰাৰ তলৰ হিংস্ৰ আঘাতবোৰৰ কথা। সেইদিনা ৰাতিৰ অন্ধকাৰখিনিয়ে চিৰদিনৰ কাৰণে তাইক মেৰিয়াই ধৰাৰ কথা। তাইৰ মনত প্ৰশ্ন জাগে, দাগবোৰ তাইৰ দেহৰ নে সভ্য সমাজৰ মুখা পিন্ধা মানুহৰ মনৰ? তাইৰ দুগালেৰে দুটোপাল চকুপানী বৈ আহিল আৰু নদীখনৰ পানী জুৱলীত উজ্জ্বল হৈ জিলিকি থকা বেলিটোৰ ওপৰত পৰি বেলিটো অস্পষ্ট কৰি পেলালে। ?



# কবিতাৰ কৰণি

"কবিতা কি তাক স্পষ্টকৈ একে আষাৰে কৈ দিব পৰা নাযায়। বৰং ক'ব পাৰি যে যদি সোধা নহয় মই জানো, কিন্তু যদি তুমি মোক সোধা তেন্তে নাজানোঁ।"

— চেইণ্ট আগষ্টাইন









# মানৱীয়তা

শ্রী মণিষা কলিতা
ষষ্ঠ ষাম্মাসিক

এখনি সুনীল আকাশৰ তলত
জ্বলি থকা ,
আমি একোগছি বন্তি।
উচ্চ-নীচ ,জাতি-বৰ্ণ ,উশৃংখলতাই
বৰদৈচিলা হৈ খেদি ফুৰিছে
নুমাবলৈ অকালতে বন্তি।
হে মানৱ ,
ধৰণীখনেইতো উপাসনাৰ থলী
য'ত শত পুষ্পই
বিয়পায় সুগন্ধি।
একোটি মানৱ সত্বাৰ ভিতৰত
যেতিয়া উদ্ভাসিত হয় মানবীয়তা
সকলোৰে মাজত তেতিয়া
থাকে জানো
সুকীয়া ধৰ্ম অথবা উচ্চ-নীচৰ চিন্তা।



# নশ্বৰ সময়

নাৰ্জুমা বেগম
উচ্চতৰ মাধ্যমিক
১ম বৰ্ষ (বিজ্ঞান শাখা)

মোট সলোৱা সাপৰ দৰে
যি গ'ল গ'লেই
স্মৃতি এৰা নৈখন।

পলাশ শিমলুৰ ৰং সলাই
ধূলিয়াৰি পথাৰখন এৰি
ফাগুন যি গ'ল গ'লেই।
সপোন যেন জালিকটা দিঠকবোৰ
মহাকাব্যহেন অৰ্থবহ শব্দ গঢ়া শিল্পীজন যি গ'ল গ'লেই।
ধোঁৱাত আকাশ
ধুঁৱলীত বতাহ সাগৰ
কুঁৱলীত সেমেকা উশাহ
মেটমৰা ভালপোৱাৰ
অসহনীয় বোজা কঢ়িয়াই ফুৰা
বৰ্ণিল মানুহটো
যি গ'ল গ'লেই।
কালৈ ৰচিম প্ৰেমৰ কবিতা
কেউটা ঋতুত প্ৰেমৰ জোৱাৰ তুলি
তেওঁ যি গ'ল গ'লেই ।
দাপোনখন নথকা হ'লে
নিঃসংগ হ'লোহেঁতেন
মৃত্যুৰ পৰা অমৰত্বলৈ
আন্ধাৰৰ পৰা পোহৰলৈ
লৈ যোৱাৰ স্বাভিমানী সময়
যি গ'ল গ'লেই।



## এজাক বৰষুণৰ সন্ধানত

নুৰফাতুন বেগম
স্নাতক (প্ৰথম ষান্মাসিক)

এজাক বৰষুণ লাগে...
যিজাক বৰষুণে মোৰ দেহ মন
ধুই শীতল কৰি নিয়ে।

এজাক বৰষুন লাগে...
যিজাক বৰষুণে আমাৰ
দেশৰ আৱৰ্জনা ধুই নিকাকৰে।

এজাক বৰষুণ লাগে...
যিজাক বৰষুণে সমাজৰ
দুৰ্গন্ধ, ময়লা আতৰাই নিয়ে।
এজাক বৰষুণ লাগে
যিজাক বৰষুণে ব্ৰহ্মাণ্ডৰ
দুৰ্নীতিক নাইকিয়া কৰে।
ক'ত পাম এনে এজাক বৰষুণ
মোৰ স্পৰ্শত দেশ সমাজ
ব্ৰহ্মাণ্ডৰ জীৱন উজ্জ্বল হয়,
আহিব নেকি এনে এজাক বৰষুণ
যিয়ে লৈ আনিব
মানৱ জীৱনৰ নতুন সপোন....

এজাক বৰষুণ লাগে...
যিয়ে আনিব পাৰে
শান্তি,সম্প্ৰীতি আৰু জীয়াই থকাৰ প্ৰেৰণা ।।

## ঋতুৰাণী শৰৎ

আৰ্জুমনি চুলতানা
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

শৰৎ মানেই শেৱালি
ঋতুৰাণী শৰতক
অভিনন্দন জনাইছে
নিয়ৰসনা দুবৰি দলিচাই।

শৰৎ কালত
জোনাক ৰাতি
শেৱালিৰ সুবাসে জনাই
দেৱী আহিল বুলি।
শৰতৰ আগমনে
দিব জানো শান্তি,
অসুৰক দমন কৰাৰ
সমাজক ৰক্ষা কৰাৰ শক্তিক







## পৰাজিত সৈনিক

নাজমা বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সময় বোৰ
উৰি যায়
নিৰবচ্ছিন্ন গতিৰে
আমি বোৰ থমকি ৰওঁ
জীৱন যুদ্ধত।
নাই আমাৰ দেহত
কোনো বীৰৰ উত্তাল ৰক্ত,
অন্যায়ৰ সৈতে যুদ্ধ
কৰিবলৈ।
বুজি নেপাওঁ
কৃষক - শ্ৰমিকৰ,
সুখ-দুখৰ কথা।
কেৱল ব্যস্ত নিজৰ স্বাৰ্থত।
সেইবাবেই হয়তো আমি জীৱন যুদ্ধৰ
পৰাজিত সৈনিক।

## বৰ্ণময় জীৱন

কৰবী তালুকদাৰ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

জীৱনটো হৈছে এক বৰ্ণময়
অধ্যায়
যাক লুটিয়াই থাকিলে একো
একোটা
পৃষ্ঠা ওলাই পৰে।
সেই পৃষ্ঠাবোৰৰ মাজত
থাকে শব্দৰ
সম্ভাৰ।
হয়তো কাৰোবাৰ সুখৰ,
হয়তো কাৰোবাৰ দুখেৰে
ভৰা জীৱনৰ
বৰ্ণময় কাহিনীৰ সমাহাৰ।
কাৰোবাৰ মনে ,কাৰোবাৰ
সপোনে
হয়তো বিচাৰি নাপায়
সঠিক বৰ্ণৰ সন্ধান,
তাৰবাবে লাগিব
একাগ্ৰ অনুসন্ধান।



## জ্ঞানৰ পোহৰ

নাজমা চুলতানা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

শিক্ষাই জ্ঞান,জ্ঞানেই শক্তি
ঈশ্বৰক সৰ্বদায় কৰিবা ভক্তি,
হিংসা ৰাগ খং চয়তানৰ গুণ,
হৃদয়ত ৰাখিবা ন্যায় আৰু ত্যাগৰ সৎগুণ।
মনৰ সন্তোষেই হ'ল সুখৰ মূল।
গুণী জ্ঞানী হ'বলৈ কৰিবা যত্ন,
তেহে পাবা জীৱনত হীৰা মণিৰত্ন ।
শৰ মাৰা তুমি সময় থাকোতে
নকৰে কাকো অপেক্ষা সময় সুযোগে।
লোভ ,মোহ সদায় ত্যাগী চলিবা,
যুক্তিৰ যুগত কিতাপেই প্ৰধান অস্ত্ৰ
সকলো বিপদৰ ঔষধ হৈছে ধৈৰ্য্য।
গুণী জ্ঞানী হ'বলৈ পঢ়িবা পুথি-পাজি,
মিছা কথা কৈ নকৰিবা ঠেং দুখন চুটি।
বেয়া জ্ঞান লোৱাতকৈ নোলোৱাই ভাল,
বেয়া মানুহ হোৱাতকৈ মৰি যোৱাই ভাল,
সত্য,ন্যায় বজাই ৰখা অতিকৈ কষ্ট,
অধৰ্মী মানুহতকৈ কুকুৰেই শ্ৰেষ্ঠ।
বিদ্যা পৰম বন্ধু, সত্যৰ সদায় জয়,
ধৰ্মক উচ্চ বুলি মানিবা নিশ্চয়,
আনৰ সমালোচনা সমূলি বাদ দিয়া,
নিজৰ ভৰিৰ ওপৰত নিজে থিয় হোৱা।।



## প্ৰকৃত বন্ধু

নুৰুল হুছে
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান শা

বহু ঠাইৰ বহু
লগ পালো জীৱন প
মনে বিচৰা প্ৰকৃত
নাপালো জীৱ
সুখৰ সময়ত পালো বহুজন ল
দুখৰ সময়ত বিচাৰো যেতি
সকলো যায় আ
যাক স্থান দিওঁ হৃদয়ত প্ৰকৃত বন্ধু
ছলনাৰে যায় এদিন তেৱোঁ আঁ
পাহৰি যুগমীয়া বন্ধুত্বৰ এনা
দি যায় মাথো দুখ
হতাশাৰ চকুলো
এতিয়া বিচাৰো মই এনে এজন
যিয়ে দিব পাৰে আজীৱন বন্ধুত্বৰ প্ৰতিশ্ৰু









## প্ৰতাৰণা

নুৰনাহাৰ জেউতি
স্নাতক ২য় ষান্মাসিক

সপোনবোৰ লানি নিচিগা
ঠিক নিজৰাৰ পানীৰ দৰে
সপোনৰ মাজেৰেই
তোমাৰ মৰম ভালপোৱা
জানিছিলো
ৰাতিৰ নিৰল আকাশত অযুত তৰাৰ দৰে
জিলিকি উঠিছিল অলেখ সপোন
গোলাপৰ পাহি হৈ আহিছিলা
মোৰ জীৱনলৈ...........
এপাহ দুপাহ কৈ ফুলিবলৈ
ধৰিছিলা হৃদয়ত
ধুমুহা হৈ গুচি গ'লা
সকলো চুৰমাৰ কৰি..........
মোৰ ভাৱনাৰ সাগৰত তোমাৰ প্ৰতিচ্ছবিৰ
অহৰহ অহা-যোৱা।
বিশ্বাস কৰিছিলো তোমাক
তুমি কৰা প্ৰতাৰণাৰ
অব্যক্ত বেদনাই জীৱন সম্পৰ্কে
দিলে মোক নতুন ধাৰণা।
জীৱন সম্পৰ্কে
দিলে মোক নতুন ধাৰণা।

## ব্যৰ্থতা

মহিদুল ইছলাম
স্নাতক ষষ্ঠ ষান্মাষিক

নিদ্ৰামগ্ন সপোন বোৰক
পুনৰ ৰচিবলৈ মোৰ
হাবিয়াস আৰু নাই।
কলিতে মৰহী যোৱা
স্মৃতিৰ ৰঙা গোলাপটি
আকৌ জীপাল কৰাৰ
কোনো প্ৰয়োজন নাই।
মোৰ জীৱন নামৰ নদীখনি
যন্ত্ৰনাৰ সাগৰলৈ নিবিড়ে ববলৈ দিয়া
তুমি ইয়াক বাধা নিদিবা .......।
কিয়নো , হৃদয়ৰ গোপন ভাষাবোৰক
কবিতা ৰূপে সজাইওঁ
মই হাৰি গ'লোঁ,
সেই কবিতাৰ সঁহাৰি মই
আজিলৈ নাপালো।
হয়তো মোৰ কবিতাবোৰেই আছিল
অৰ্থহীন............।
সেয়ে মোৰ কলম আজি স্তব্ধ
যি কবিতাৰ নাই কোনো মূল্য
তেনে কবিতা লিখাৰ আছে জানো
কোনো অৰ্থ...........।





## স্মৃতি

ৰশ্মি ৰেখা
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

মোৰ জীৱনৰ স্মৃতিবোৰ
অতীততে হেৰাই গ'ল,
জীৱনৰ খোজৰ লগে লগে
পুনৰুদ্ধাৰ হ'ল।
ৰাতিৰ টোপনিত দেখা
সপোনবোৰ
যেনেকৈ দিঠকত দোলনি
লগায়
ঠিক তেনেকৈ সুন্দৰ
স্মৃতিবোৰেও
মোৰ জীৱন নামৰ সুন্দৰ
তৰীক লক্ষ্যলৈ দিয়ে
আগবঢ়ায়।
ব'হাগৰ জীপাল দিনে
নতুন সেউজ গঢ়ে,
প্ৰতিটো নতুন স্মৃতিয়ে
মনত উৎসাহ দিয়ে।

## নদী

চুৱেল আলি আহমেদ
স্নাতক ৩য় ষান্মাসিক

কুলু কুলু শব্দৰে
জিল মিল চিকমিক ঢৌ তুলি
,
কলৈনো বৈ যোৱা তুমি
ফেনে ফোটোকাৰ সতে।
থাকা তুমি লুকা-ভাকু
খেলি

নালাগেনে তোমাৰ ভাগৰ
,
দিনে নিশাই কৰা গতি

দুৰন্ত দুৰ্নিবাৰ।
দুয়োপাৰৰ লগত তুমি
মিলি যোৱা সঁচাই
মন যায় তোমাৰ লগত
ভটিয়াই যাবলৈ
লবানে সাদৰি
পাৰ কৰি দিম মই
জীৱন যৌৱন তোমাৰ সতে
খেলি।







## প্ৰকৃতিৰ বন্ধু

ৰফিকুল আলী
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

মই প্ৰকৃতি , মই প্ৰকৃতি ,
মোক সেউজীয়া বুলি কোৱা ,
গছ-বন নেকাটি ,গছ-পুলি ৰুই
মোৰ বন্ধু হোৱা।
পাহাৰ নাকাটিবা, মাটি নাভাঙিবা ,
মাটিত নেপেলাবা অপচণ ,
বেক্টেৰিয়া ,বীজাণুৱে চুব নোৱাৰে
তোমাৰ সুন্দৰ জীৱন।
মিছা নকবা, নিচা নাখাবা ,
চুৰি কৰি বন বিক্ৰী নকৰিবা ,
চাৰিওপিনে তেতিয়াহে তুমি
সেউজীয়া বিচাৰি পাবা।
গাড়ী চলাবা কম , ধোঁৱা হব কম ,
বায়ু নহব নষ্ট ,
বৃদ্ধ বয়সতো উশাহ লওঁতে
নহব তেতিয়া কষ্ট।
ধৰা হ'ব সেউজৰ গৃহ।
বনত নলগাবা জুই ,পুৰি হব ছাই ,
জাৱৰ-জোথৰ থবা পুতি ,
এই কথাবোৰ সকলোৱে
শুনিবা মনপুতি।
মই প্ৰকৃতি ,মই প্ৰকৃতি ,আহা মোৰ বন্ধু
হোৱা।



## জীৱন

ৰুণুআৰা ইয়চমিন
উচ্চতৰ মাধ্যমিক ২ য় বৰ্ষ (বিজ্ঞান শাখা)

আশা আছে জীৱনত
সফল হোৱা নাই।
ৰং আছে আকিবলৈ
ছবি পোৱা নাই।
মন আছে হাঁহিবলৈ
আনন্দহে নাই।
দুখ আছে কান্দিবলৈ
আপোন কোনো নাই।
মনত আছে বহুত কথা
শুনিবলৈহে কোনো নাই।
মৰম আছে হৃদয়ত
দিবলৈহে কোনো নাই।








## বাটৰ নাট

# প্ৰতিজ্ঞা

ড° বিনীতা দাস
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

<u>চৰিত্ৰ</u>

বাপুকন
হিৰক, ৰাজা, বাবু
জেউতী, তৰা, সবিতা
জয়ন্তী বাইদেউ
ৰঞ্জনদা
সনাতন
চফল ডেকা
বন্ধুবৰ্গ
বান্ধৱী
মহাবিদ্যালয়ৰ অধ্যাপিকা
সমাজকৰ্মী
সবিতাৰ দেউতাক

মহাবিদ্যালয় চৌহদত এখন ডাঙৰ কাজিয়া। কাজিয়া লাগি থকা অৱস্থাত এটা ডেকাল'ৰাৰ জুমৰ পিছে পিছে কিছুসংখ্যক ল'ৰা-ছোৱালী কাজিয়া চোৱা আৰু ভঙাৰ উদ্দেশ্যত। বাপুকনে খঙত যেন হিৰকক মাৰি পেলাব। কোনে কাক পিটিছে ঠিকনা নাই। এনে এক হুলস্থুলীয়া পৰিৱেশ। এনেতে সেই ঠাইত জয়ন্তী বাইদেউৰ প্ৰৱেশ। বাইদেউক দেখি সকলো সাৱধান হৈ নিজৰ ঠাইত বৈ যায়।

**জয়ন্তী বাইদেউ ঃ** (চিঞৰি) কি হৈছে তোমালোকৰ? কিয় হুলস্থুল কৰিছা। বাপুকন কি কৰিছা। মহাবিদ্যালয় চৌহদত কাজিয়া কৰি মহাবিদ্যালয়ৰ পৰিৱেশ বিনষ্ট কৰিছা যে কিয়। বন্ধ কৰা যোৱা নিজৰ নিজৰ শ্ৰেণীকক্ষত সোমাই থকাগৈ।

**ৰাজা ঃ** (আগুৱাই আহি) নাই বাইদেউ একো হোৱা নাই। বাপুকন আৰু হিৰকৰ মাজত কিবা হৈছে। আমি ঠিক কৰিম আপুনি যাওক।

**জয়ন্তী বাইদেউ ঃ** আৰু হুলুস্থুল নকৰিবা। (বুলি কৈ বাইদেউ যাবলৈ ধৰে। ) পুনৰ সিহঁতৰ মাজত বাক-বিতণ্ডা হয়।

**বাপুকন ঃ** হিৰক তই যোৱাকালি আনিম বুলি মোক কিয় ঠগালি। (পুনৰ মাৰপিট, বাক-বিতণ্ডাৰ পৰিৱেশ।)

এনেতে তৰাই দুজনীমান বান্ধৱীৰ লগত সেইফালে আহে। বাপুকন হিৰকহঁতৰ ওচৰলৈ গৈ মোবাইলত চেলফি তুলিবলৈ আৰম্ভ কৰে। সিহঁত যেন চেলফি তোলাত ব্যস্ত হৈ পৰে।

**ৰাজা ঃ** ঐ তহঁত কলৈ যাৱ।

**হিৰক ঃ** ঐ তহঁতৰ হাতত আছে নেকি অ'।

**তৰা ঃ** কি, কি লাগে অ তহঁতক। বাদ দে চেলফি উঠো আহ।

**হিৰক ঃ** বাদদে চেলফি। আছে যদি শিখৰ দেনা। আমি আজি কোনেও খাব পোৱা নাই জাননে?

**ৰাজা ঃ** ঐ আছে যদি দে অ। যোৱাকালি পকেটমানিও শেষ হৈ গ'ল।

**তৰা ঃ** তহঁতৰ যে কাম নাই আৰু দে। ঐ জেউতী আছে নেকি অ। আছে যদি দে ইহঁতক। ইহঁত মৰিব নহ'লে।

**ৰাজা ঃ** ঐ দে দে (জেউতীৰ ফালে চাই) খাব নাপালে গাটো বেয়া লাগি থাকে অ'।)

**জেউতী ঃ** বেগৰ পৰা এপেকেট উলিয়াই অলপ খাই পেকেটটো দলিয়াই ৰাজাক দিয়ে। (দলিয়াই দি খা বুলি কৈ লগৰ কেইজনীক লৈ সিহঁত তাৰ পৰা গুচি যায়।) গোটেইবোৰে পেকেটটো লৈ টনা-আজোৰা কৰে।

এনেতে-

**বাপুকন ঃ** হিৰক তই বস্তুটো আনি কাক দিলি কচোন। পুনৰ কাজিয়া আৰম্ভ হও হও অৱস্থা।

**হিৰক ঃ** মই আনিছিলো হয় কিন্তু পুলিচে পালে যে সেইটো গম পাইছ। পুলিচে পাই যে লৈ গ'ল। পইচাবোৰো এনে গ'ল।

**বাপুকন ঃ** এতিয়া মই আজিৰ দিনটো কেনেকৈ চলো ক চোন। কোনোৱাই কেনেবাকৈ মোক আনি দে ঐ। উঃ মই আজিৰ দিনটো কেনেকৈ চলো। মই নোৱাৰা হৈ গৈছো উঃ হে ভগবান। বাপুকন অধৈৰ্য হৈ বহি পৰে।

**ৰাজা ঃ** ধৈৰ্য্য ধৰ মই সাগৰক পঠাইছো। কিবা এটা হ'ব।

**বাপুকন ঃ** জান, মই ঘৰৰ একমাত্ৰ ল'ৰা। মা, দেউতাই বিচৰা ধৰণে জীৱনটো গঢ় দিব নোৱাৰিলো। কাৰণ মই এতিয়া সুৰা, টেবলেট নহ'লে চলিব নোৱাৰো। যা যা কোনে কেনেক পাৰ অলপ মোক যোগাৰ কৰি দে। উফ মূৰটো বিষাইছে।

এনেতে জেউতী আৰু তৰা দৌৰি আহে। বাপুকনক উদ্দেশী চিঞৰি চিঞৰি সোধে 'বাপুকন সবিতা ক'ত?'

**বাপুকন ঃ** কি সবিতা (বাপুকন সবিতাৰ কথা সোধাৰ লগে লগে চিন্তিত হৈ পৰে) কি হ'ল সবিতাৰ। সবিতাটো তোমালোকৰ লগতে আছিল।

**জেউতী ঃ** নাই নাই তুমিটো তাইক নৈৰ পাৰলৈ মাতিছিলা। তাই কেন্টিনত থাকোতে আমাক কৈ ওলাই গৈছিল।

**বাপুকন ঃ** কি নৈৰ পাৰলৈ। মইতো তাইক মতা নাই। মই ৰাতিপুৱা হিৰকক তাইৰ কথা সুধিছিলোহে।

**হিৰক ঃ** তইটো সেইবিধ ধৰিলে চব পাহৰি যাৱ।

**বাপুকন ঃ** (চিঞৰি হিৰক)

এনেতে সবিতাৰ দেউতাক সনাতন খুৰাৰ প্ৰৱেশ। উধাতু খাই আহে সবিতাক বিচাৰি।

**সনাতন খুৰা ঃ** বাপুকন সবিতা কত তাই ঘৰলৈ যোৱা নাই যে। তাইৰ ফোনতো চুইচ অফ হৈ আছে। ৰাতিপুৱা ৯-৩০ ত ক্লাছ কৰিম বুলি আহিছিল। এতিয়া ৪.০০ টা বাজিল,ঘৰলৈ যোৱা নাই। কোৱা বাপুকন কোৱা তাইক'ত তুমি জানা তাই ক'ত আছে । তাই মোৰ একমাত্ৰ সন্তা কোৱা তাইক ক'ত লুকুৱাই ৰাখিছা।

**বাপুকন ঃ** হিৰক ক তাই ক'ত(বাপুকন খঙত জ্বলি উঠে) হিৰকক মাৰিবলৈ আগুৱাই যায়। এটি হুলস্থুলীয় পৰিৱেশৰ সৃষ্টি হয়।

এনেতে ওচৰেৰে এটি শোভাযাত্ৰা পাৰ হৈ যায়-

"মাদক দ্ৰব্য বন্ধ কৰক"২

গুটখা শিখৰ,বন্ধ কৰক"২

শোভাযাত্ৰাৰ মাজৰ পৰা সমাজকৰ্মী ৰঞ্জনদা কাজি... দেখি আগুৱাই আহি ৰৈ যায় আৰু লৰা-ছোৱালীহঁত... উদ্দেশী কবলৈ আৰম্ভ কৰে—

আমাৰ সমাজৰ যুৱক যুৱতী সকল তোমালোকৰ ... হৈছে সময় থাকোতে তোমালোকে সঠিক পথ বা... লোৱা। বিড়ি, চিগাৰেট, মদ্যপান, ড্ৰাগছ এইবোৰৰ পৰা নিজক ৰক্ষা কৰা। (ৰঞ্জনদাৰ কথাত লৰাহঁতে বিশেষ গুৰু... দিয়া পৰিলক্ষিত নহয়।

এনেতে সবিতা ঢলং পলংকৈ আহি সেই ঠাই... উপস্থিত হয়। বাপুকন বাপুকন বুলি কৈ বাগৰি পৰি... খোজে। বাপুকনে ধৰি লয় আৰু সকলোৱে পানী বিচা... চিঞৰ বাখৰ কৰে।

**বাপুকন ঃ** সবিতা কি হৈছে তোমাৰ(হতভম্ব হৈ...) তুমি ক'ত আছিলা কোৱা সবিতা কোৱা জেউতীয়ে তাই... অলপ পানী খুৱাই দিয়ে সকলোৱে তাইৰ ওচৰতে ... লয়। দেউতাকেও চিঞৰ বাখৰ কৰে। সবিতাই পানী ... লাহে লাহে অলপ ভাল পাই কবলৈ ধৰে —(কান্দি কা...

**সবিতা ঃ** বাপুকন তুমি নৈৰ পাৰলৈ মতা বুলি ... সাগৰে মোক নৈৰ পাৰলৈ লৈ গৈছিল। গৈ পোৱাত ... আহি থকা বুলি কৈ সাগৰে মোক এটি মিৰিণ্ডাৰ ... খাবলৈ দিছিল। তাৰ পিছত কি হৈছিল মই তত ধৰিব ... নাছিলো। (তাই হুক হুকাই কান্দি দিয়ে) পিছত ... সম্বিদ ঘূৰাই পাই দেখিছো মই নৈৰ পাৰত অকলে ... আছো। মোৰ কাপোৰ কানি বিশৃংখল দৌৰা দৌৰিকৈ ... নিজ বলে উঠি আহি এইখিনি পাইছো বাপুকন। (...







কান্দি কান্দি) মই শেষ হৈ গলো বাপুকন , মই শেষ হৈ গলো কোনোবাই মোক সহায় কৰা

বাপুকন যেন মৃতপ্ৰায় হৈ যায় শেষত চিঞৰি চিঞৰি সাগৰক বিচাৰিবলৈ ধৰে । সাগৰক মাৰি পেলোৱাৰ বাবে উত্তেজিত হৈ কান্দি কান্দি বহি পৰে। সকলো এটা সময়ত ভাগৰুৱা হৈ বহি পৰে। মাজৰ পৰা বাপুকন সবিতাই থিয় হৈ কবলৈ ধৰে —

**বাপুকন—সবিতা ঃ** হে বন্ধুসকল আহা আজি পৰা আমি সকলোৱে প্ৰতিজ্ঞা বদ্ধ হও —আমাৰ সমাজৰ পৰা গুটখা,শিখৰ ড্ৰাগছ,টেবলেট,চিগাৰেট আদি নিৰ্মুল কৰিম। আহা আমি সকলোৱে মিলিজুলি এখন মাদক দ্ৰব্য বিহিন সমাজ গঢ়িম বুলি প্ৰতিজ্ঞা বদ্ধ হও। আৰু আমি সমস্বৰে গাও—

**মাদক দ্ৰব্য বন্ধ কৰক**

**ড্ৰাগছ ব্যৱসায় বন্ধ কৰক**

**শিখৰ গুটখাৰ ব্যৱসায় নচলিব।**

এনেদৰে শোভাযাত্ৰাৰে সেই স্থানৰ পৰা প্ৰস্থান কৰে।

**লেখকৰ দুআষাৰ ঃ**

*এইখন এখন সামাজিক ড্ৰাগছ বিৰোধী নাট। এই নাটখনিৰ মাজেৰে সমাজৰ ড্ৰাগছ জাতীয় নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰে যে যুৱমানসিকতাক ধ্বংসৰ মুখলৈ ঠেলি দিছে তাক প্ৰমান কৰি দেখুৱাবলৈ চেষ্টা কৰা হৈছে। বৰ্তমানৰ যুৱশক্তি ভৱিষ্যতৰ দেশ ৰক্ষাৰ মূল হোতা। এই যুৱশক্তি যদি কুপথে পৰিচালিত হয় তেন্তে সমাজত বিশৃংখলতাই বিৰাজ কৰিব। গতিকে এই নাটখনিৰ মাজেৰে যুৱ সমাজক সুপথে পৰিচালিত হোৱাৰ বাবে আহ্বান জনাবলৈ চেষ্টা কৰা হৈছে।*










# জীৱনৰ প্ৰকৃত উদ্দেশ্য

আছিকুৰ ৰহমান
স্নাতক ষষ্ঠ যান্মাসিক

যেতিয়াই আমি কোনো এটা বিচৰা বস্তু নেপাওঁ তেতিয়াই আমি হতাশ হৈ পৰো। বহুজনে হতাশ হৈ নিজৰ বহুমুলীয়া জীৱন ত্যাগ কৰি আন চাৰিজনকো অশান্তি দি গুচি যায়।

যিসকলে সমস্যাৰ ভয়ত পলাই ফুৰে সেইসকল কাপুৰুষ। এনে ভাবেই হ'ল মানুহৰ আটাইতকৈ ডাঙৰ ট্ৰেজেদি। যুদ্ধ,মহামাৰী নাইবা প্ৰাকৃতিক বিপৰ্যয় ইত্যাদিয়ে মানুহৰ যিমানেই ক্ষতি নকৰক কিয়, তাতোকৈ বহু বেছি ক্ষতি কৰে নেতিবাচক মনোভাৱে। সেয়েহে মনক আশাবাদী কৰি তুলিব লাগে। নেতিবাচক মনোভাৱে মানুহৰ মনত হতাশা-নিৰাশাৰ জন্ম দিয়ে,মানৱৰ মনত বিৰক্তিবোধৰ সৃষ্টি কৰে।

হতাশাই কিদৰে জন পামাৰব জীৱনলৈ অকাল-বাৰ্ধক্য নমাই আনিছিল আৰু এজন শ্ৰমিকে কেনেদৰে তেওঁক জীয়াই থাকিবলৈ অনুপ্ৰাণিত কৰিছিল সেই কাহিনীয়ে আমাকো যথেষ্ট উৎসাহ যোগাব পাৰে। জন পামাৰ আছিল নিউজাৰ্ছিৰ ঊনৈশ নং এভিনিউচ । তেওঁ আৰ্মিত কাম কৰিছিলআৰু এদিন আৰ্মিৰ চাকৰি ত্যাগ কৰি স্বাধীন ব্যৱসায় আৰম্ভ কৰিছিল।

প্ৰথম অৱস্থাত ব্যৱসায়ত ভাল উন্নতিয়ে হৈছিল,তাৰ পিছত নানা খেলি-মেলিৰ সৃষ্টি হ'ল। ব্যৱসায়ৰ প্ৰয়োজনীয় যন্ত্ৰ-পাতিবোৰ বিচাৰি নোপোৱা হ'ল। শ্ৰমিক সকলে ক্ৰমান্বয়ে অসন্তুষ্ট হল। ফলত ভয় খাই পামৰে ব্যৱসায় বন্ধ কৰি দিলে। তেতিয়াই তেওঁ ভাৱিলে যে মোৰ দ্বাৰা আৰু সফলতা লাভ কৰা সম্ভৱ নহয়। এই নেতিবাচক মনোভাৱেই তেওঁক অকাল বাৰ্ধক্যৰে জৰ্জৰিত কৰি পেলালে। হতাশাই তেওঁক নিৰুদ্যম নিৰুৎসাহ কৰি নিজৰ লগতে তেওঁৰ পৰিয়ালকো অস্থিৰ কৰি তুলিলে।

এনে এক দুঃসময়তে পামাৰৰ হতাশাগ্ৰস্ত অন্ধকাৰময় জীৱনত পোহৰৰ পথ দেখুৱালে এক বৃদ্ধ শ্ৰমিকে। তেওঁ কলে তোমাৰ এনে মনোভাৱৰ বাবে তুমি লাজ পোৱা উচিত । তুমিয়েই একমাত্ৰ সমস্যাৰেপীড়িত মানুহ নোহোৱা। ইমানতে যদি তুমি তোমাৰ ব্যৱসায় বন্ধ কৰি দিয়া , তেন্তে ভৱিষ্যতে আৰু কেতিয়াবা জানো এই ক্ষেত্ৰলৈ তুমি প্ৰত্যাৱৰ্তন কৰিব পাৰিবা ? সমস্যাৰ সন্মুখীন হৈ নিৰ্ভয়ে মোকামিলাৰ চেষ্টা কৰা। হতাশ নহৈ আশাবাদী হোৱা। দেখিবা এই যুজ দিয়াৰ মানসিকতাই তোমাক তোমাৰ কাষত পুনৰ আগ্ৰহী কৰি তুলিব। তুমি অনুভৱ কৰিবা যে সচাকৈ জীৱনটো কি এক আচৰিত মজাৰ খেল।

মোলৈ এবাৰ চোৱাচোন ! যুদ্ধত মোৰ হাত দুটা নষ্ট হৈছে, মুখৰ এফাল বিশ্ৰীভাবে পুৰি গৈছে,তথাপি মই জীৱন যুদ্ধত হাৰ মনা নাই সমস্যাৰ ওচৰত যদি তুমি এবাৰ হাৰ মানিবলৈ আৰম্ভ কৰা তেনেহলে-জীৱনত কাহানিও স্বাৱলম্বী হব নোৱাৰা। তোমাৰ ব্যৱসায় বন্ধ হব,স্বাস্থ্য নষ্ট হব আৰু লগে লগে নিঃসহায়,নিসম্বল আৰু দৰিদ্ৰতাত পতিত হৈ পৰিব তোমাৰ পৰিয়াল। হেৰুৱাই পেলাবা তোমাৰ চৌপাশৰ অসংখ্য আত্মীয় আৰু বন্ধু-বান্ধবৰ অকৃত্ৰিম মৰম ,আদৰ,ভালপোৱা,সহায়,সহযোগিতা আৰু তুমি চেষ্টা কৰিও সম্বল ঘুৰাই নাপাবা।"

সেই বৃদ্ধ সৈনিকৰ বুজনি আৰু ভৰ্ৎসনাই পামাৰৰ মনত সুপ্ত আশা জাগ্ৰত কৰি তুলিলে জাগি উঠিছিল উদ্যম,শক্তি। নেতিবাচক মনৰ পৰা তেওঁ হৈ পৰিল ইতিবাচক চিন্তা,ভাৱনা আৰু বিশ্বাসৰ মানুহ। ব্যৱসায়ৰ কাম তেওঁ পুনৰাই আৰম্ভ কৰিলে। সমস্যাৰ লগত নিৰ্ভীকভাবে যুঁজ দিবলৈ শিকিলে আৰু এদিন তেওঁ এজন প্ৰতিষ্ঠিত ব্যৱসায়ী ৰূপে সুনাম অৰ্জন কৰিলে।

# শেৱালি ফুলৰ জন্ম কাহিনী...

সুনীতা মেধি
উচ্চতৰ মাধ্যমিক (প্ৰথম বৰ্ষ)

শৰৎ মানেই শেৱালি। সমগ্ৰ পৃথিৱীৰ চুকে কোণে বিভিন্ন অঞ্চলত ফুলি উঠে শেৱালি ফুল। শেৱালি হ'ব পাৰে কাৰোবাৰ জীৱনৰ নূপুৰৰ ধ্বনি তোলা এক মধুময় ছন্দ। এপাহ শুকুলা আলসুৱা ফুল। শেৱালিৰ পাহিবোৰ যেন ফুলো নুফুলোকৈ লাজ-লাজকৈ পাহি মেলি ফুলি উঠে এই অনুপম ধৰাৰ বুকুত। চৰিওফালে বিয়পি পৰে তাৰ মন-প্ৰাণ উতলা কৰা সুৱাস। এই শেৱালি ফুলে আদৰি আনে ঋতুৰাণী শৰতক। শৰতৰ নিশাৰ ফৰকাল আকাশ, পথাৰত সেউজীয়া ধান আৰু আমাক মন আপ্লুত কৰা এই শুভ্ৰ শেৱালি ফুলেৰে জনাই শৰৎ আহিল বুলি। শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দূৰ্গাৰ আগমন হয় এই শৰতত। তাৰেই প্ৰথম বতৰা লৈ শেৱালি ফুলে। দূৱৰিৰ দলিচাত নিয়ৰৰ মুকুতা সৰে। আমাৰ মন উতলা কৰা এই শেৱালি ফুলে প্ৰকাশ কৰি গ'ল ঋতুৰাণী শৰতৰ আগমন। আৰু এই শৰতক স্বাগতম জনাবলৈ যেন শেৱালি ফুলে সজাই অনুপম তোৰণ।

শেৱালি ফুলৰ পূৰ্বৰ নাম আছিল পাৰিজাতক। তাই এজন ... ৰাজকুমাৰী আছিল। পাৰিজাতকে যেতিয়া গাভৰু হ'ল ... ৰূপ গুনেৰে বিভূষিত সূৰ্য্য দেৱতাৰ প্ৰেমত পৰিল। আৰু ... দেৱতায়ো পাৰিজাতকৰ ৰূপ যৌৱনত ভোল গৈ বিবাহ কৰ... বুলি প্ৰতিশ্ৰুতি দিলে। যেতিয়া এদিন-দুদিনকৰি পাৰিজাত... বিবাহৰ উপযুক্ত সময় হ'ল সেই সময়তে সূৰ্য্য দেৱতাই প্ৰতা... কৰাৰ পিছত তাইৰ নিজৰ জীৱনৰ ওপৰত বিৰাগ জন্মিল ... সেয়েহে পাৰিজাতকে প্ৰতিজ্ঞা কৰিলে যে তাইৰ আৰু বি... নহয়। এনেদৰে কিছুদিন থকাৰ পিছত অৱশেষত পাৰিজাত... এদিন আত্মহত্যা কৰিলে। তাইক যেতিয়া দাহন কৰিলে ... সেই দাহন কৰা পুৰা ছাই পৃথিৱীত পৰিল আৰু শেৱালি ... জন্ম হ'ল।

শেৱালি ফুলে তাইৰ জীৱনত প্ৰতাৰণা কৰা সূৰ্য্য দেৱ... পাহৰিব পৰা নাই। সেয়ে তাই প্ৰতিজ্ঞা কৰিলে যে ... প্ৰতাৰণা কৰা সূৰ্য্য দেৱতাৰ মুখ নাচায়। সেই কাৰণে শে... ফুল সূৰ্য্য অস্ত যোৱাৰ লগে লগে সন্ধিয়া পৰত ফুলে ... সূৰ্য্য উদয় হোৱাৰ আগতে গছৰ পৰা সৰি পৰে। কাৰণ ... আগৰ জনমত প্ৰতাৰণা কৰা সূৰ্য্য দেৱতাক পুনৰ জনমত... পাহৰিব নোৱাৰি তাইৰ প্ৰতিজ্ঞা মতে সদায় শেৱালি ... সন্ধিয়া পৰত আৰু সূৰ্য্য উদয় হোৱাৰ আগত গছৰ পৰা ... পৰে।





# মানৱ জীৱনৰ মূল্যৱান সম্পদ
# সময়

ৰেহেনা পাৰবিন
স্নাতক ৪ৰ্থ যান্মাসিক

ভগৱানে সকলোকে সমানে উপহাৰ দিছে। কিছুমানক যদি সুন্দৰভাৱে সৃষ্টি কৰিছে আন কিছুমানক বেছি বুদ্ধিমান কৰি সৃষ্টি কৰিছে। কিন্তু ঈশ্বৰে সময় সকলোকে সমান পৰিমাণে দিছে। এদিনত ২৪ ঘণ্টা। সময় একমাত্ৰ এনেকুৱা সম্পত্তি যাক আমি বেংকত জমা কৰিব নোৱাৰো। সময় হৈছে বেজী সূতাৰ দৰে আমি গম নোপোৱাকৈ আমাৰ হাতৰ পৰা পিছলি যায়। আমি যদি সময়ক বেয়াকৈ ব্যৱহাৰ কৰো তেনেহলে বেয়া ফল পাম আৰু যদি সময়ক ভাল কামত ব্যৱহাৰ কৰো ভাল ফল পাম।

কিন্তু মন কৰিবলগীয়া এনে যে আমাৰ হাতত মাত্ৰ ২৪ ঘণ্টা আছে। কিন্তু বাস্তৱত ইমান সময় আমাৰ হাতত নাথাকে। ইয়াৰে ৮ ঘণ্টা টোপনিত খৰচ হয়, ২ ঘণ্টা খোৱা লোৱা, তৈয়াৰ হোৱাৰ আদিত খৰচ হয়। আৰু হাতত ২৪ ঘণ্টাৰ ভিতৰত ১৪ ঘণ্টা সময় থাকে।

বহুত বছৰ আগত এজন পণ্ডিতে কৈছিল যে ভগৱানে মানুহক আয়ুস ১০০ বছৰ দিছে। য'ত আধা বছৰ কেৱল শোৱাতে শেষ হয়। বাকী আধাৰ পৰা আধা বাল্য আৰু বৃদ্ধ অৱস্থাত গুচি যায়। আৰু বাকী ২৫ বছৰ মানুহৰ অন্যান্য কথাত নষ্ট হয়।

গতিকে দেখা যায় সময় অমূল্য সম্পদ। সংসাৰত সময় হৈছে সীমিত। যদি আমাৰ টকা-পইচা হেৰায়, তেনেহ'লে এই টকা পইচা আমি পুনৰ পাব পাৰো। কিন্তু যি সময় পাৰ হৈ যায় সেয়া আমি পুনৰ পাব নোৱাৰো। যদি জীৱনত কিবা পাব বিচাৰো তেনেহ'লে আমি সময়ক অধিক সুন্দৰভাৱে পালন কৰিব লাগিব। তেতিয়াহে আমি পৃথিৱীত ইমান কম সময় ভিতৰত আমি বিচৰা সকলো বস্তু পাব পাৰো।



# সম্ভাৰ

মনীষা কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক

আনৰ বাবে চিন্তা কৰাতো ভাল গুণ। ওচৰ-চুবুৰীয়া বা আত্মীয়-স্বজনৰ বাবে ভৱাটোৱে হ'ল সুস্থিৰ চিন্তাৰ নিদৰ্শন। স্বামী বিবেকানন্দই কৈছে যে তেওঁলোকহে জীৱিত যি আনৰ বাবে জীয়াই থাকে, বাকীবোৰ মৃতকৰ দৰে জীয়াই থাকে। আমি যেতিয়া খাওঁ তেতিয়া আন এজন মানুহক খাবলৈ দিয়াৰ কথা ভাবিব নোৱাৰো নে? তেনেদৰে নতুন কাপোৰ পিন্ধাৰ সময়ত কাপোৰ একেবাৰে নোহোৱাজনৰ কথা মনত নপৰে কিয়?

এসময়ত দুজন ভাই-ককায়ে একেলগে বাস কৰিছিল। তেওঁলোকৰ পৈত্ৰিক সম্পত্তিও যথেষ্ট আছিল। কিছুদিন যোৱাৰ পিছত পৈতৃক সম্পত্তি দুয়োজনে সমানে ভগাই লৈ বেলেগে বেলেগে থাকিবলৈ ল'লে। লাহে লাহে ডাঙৰজনে বিয়া কৰা... আৰু ল'ৰা-ছোৱালীও জন্ম হ'ল। সৰুজন কিন্তু বিয়া-বা... নকৰাই তেনেদৰে থাকিল। কিছুদিন যোৱাৰ পিছত ডাঙৰজ... ভাবিলে যে মোৰতো পৰিয়াল আছে ৰন্ধা-বঢ়া কৰি দিয়ে আ... মোৰ যথেষ্ট সম্পত্তিও আছে। কিন্তু ভাইটি বেচেৰা তাৰ কো... নাই বুঢ়া হ'লে তাৰ চাগে খাবলৈ একোৱেই নাথাকিব। কো... তাক চোৱাচিতা কৰিব? মোৰতো বহুত আছে গতিকে মো... অলপ সম্পত্তি তাক দিম। সেয়েহে প্ৰতিদিনে ৰাতি এ... মোনাত অলপ পইচা আৰু চাউল ভৰাই মনে মনে ভায়ে... ঘৰত থৈ আহে। আনহাতে ভায়েকেও ভাবে যে মই... অকলশৰীয়া। মোৰ পইচাৰ অভাৱ নাই। কিন্তু দাদাৰ পৰি... আছে, ল'ৰা-ছোৱালী আছে সেয়েহে তাৰ চাগে বহুত ক... হয়। মোৰতো বহুত সম্পত্তি আছে খাওতা নাই। গতিকে ত... অলপ দিব লাগে। দিনত সকলোকে দেখাই দিলে হয়তো ম... দুখ পাব পাৰে বা কেতিয়াবা খঙো উঠিব পাৰে। সেয়েহে ৰা... গৈ দি অহাটোৱে ভাল। তেওঁ এখন বেগত পইচা আৰু চা... ভৰাই ৰাতি মনে মনে গৈ ভায়েকৰ ঘৰত থৈ আহে। এনে... বহুদিন চলিল।

এদিন ৰাতি দুয়োজনে পইচা আৰু চাউলৰ বেগ দি... যাওতে বাটতে মুখামুখি হ'ল। দুয়োজনে বৈ দিলে আৰু ... মনে ভাবিলে যে দুয়োজনে দুয়োজনক সহায় কৰি আছে কথা... ভাবি আনন্দত ইজনে সিজনক সাৱতি ধৰিছে।

যি ঠাইত দুয়োজনৰ মিলন হৈছিল সেই ঠাইত গাৱঁৰ মা... এটা ডাঙৰ মন্দিৰ সজালে। ইয়াৰেই এটা নিদৰ্শন হিচাপে ... পাৰো 'বিশ্ব ভাতৃত্ব দিৱস' য'ত অসূয়া, হিংসা, দ্বেষ পৰি... কৰি এখন সুস্থ, সৱল সমাজ গঠন কৰিবলৈ ভাতৃত্বৰ ভা... আগুৱাই যোৱাৰ পথ গ্ৰহণ কৰো।

ভাৰতবৰ্ষৰ এনে আন্তৰিকতাৰ মনোভাৱেই ... বিবেকানন্দই এনেদৰে প্ৰকাশ কৰিছে

'ধীৰ আৰু নিশব্দ, যেন ৰাতিপুৱা সৰি পৰা শান্ত ... অদৃশ্য আৰু নিস্তব্ধ অথচ ফলদায়ক এয়ে বিশ্বৰ চিন্তাজ... ইন্ধন যোগাই যোৱা এই শান্ত স্থিৰ, সহিষ্ণু আধ্যাত্মিক ... অৱদান। বুৰঞ্জীয়ে তাক দুনাই কৰি দেখুৱাব। আৰু এই ... আগুৱাই যাবলৈ তেওঁৰ উঠা জাগা আৰু লক্ষ্য ... নোহোৱাকৈ নৰ'বা। এই আহ্বানে আমাক উৎসাহ ... থাকিব।





# সময়



জাহিদুল ইছলাম
উচ্চতৰ মাধ্যমিক (দ্বিতীয় বৰ্ষ)

